www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

তুমি যি হ'ব বিচৰা তাৰ বাবে সাধনা কৰি যোৱা, তোমাৰ সাধনাৰ দীপ্তিত পোহৰ বিচাৰি মানুহ তোমাৰ ওচৰলৈ আহিবই। — স্পিৰিট চায়েন্স মহ

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ ▫ সংখ্যা- ১৩১ ▫ দেওবাৰ ▫ ২২ ফেব্ৰুৱাৰী, ২০২৬ চন ▫ Volume/Year- I ▫ Issue- 131 ▫ Sunday ▫ 22nd February, 2026 ▫ Asom Barta, Majuli ▫ PRGI Reg. No.- ASASS/25/A2361 ▫ Price- Rs. 10 ▫ Total Page- 8

■ 'কংগ্ৰেছৰ পছন্দৰ নহয়, আমাৰ পছন্দৰ ১৫খন আসন লাগিব' ■

## কংগ্ৰেছে মাত্ৰ ৪খন আসনহে দিছে! অখিল গগৈৰ ক্ষোভ, জৰুৰী বৈঠকত চূড়ান্ত সিদ্ধান্ত



বিৰোধীৰ মিত্ৰতা সন্দৰ্ভত ৰাইজৰ দলৰ জৰুৰী কাৰ্যনিৰ্বাহক

**অসম বাৰ্তা, গুৱাহাটী, ২১ ফেব্ৰুৱাৰী ঃ** অসম বিধানসভাৰ নিৰ্বাচনৰ দিন যিমানেই চমু চাপি আহিছে, সিমানেই বিৰোধী দলসমূহৰ মাজত আসন ভাগ-বাটোৱাৰ বিষয়ে অসন্তোষ আৰু ▫ ৬ পৃষ্ঠাত

কংগ্ৰেছ ত্যাগী যুৱ নেতা ড° সঞ্জু বৰুৱায়ো যোগদান কৰিব বিজেপিত

## আজি গেৰুৱা বসন পিন্ধিব ভূপেন বৰাই

**অসম বাৰ্তা, মহানগৰ, ২১ ফেব্ৰুৱাৰী ঃ** আজি ২২ ফেব্ৰুৱাৰী, দেওবাৰে অসমৰ ৰাজনীতিত এক গুৰুত্বপূৰ্ণ দিন হিচাপে চিহ্নিত হ'বলৈ গৈ আছে। সদ্য কংগ্ৰেছ ত্যাগ কৰা প্ৰাক্তন অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি ভূপেন কুমাৰ বৰাই আজি আনুষ্ঠানিকভাৱে ▫ ৬ পৃষ্ঠাত



ৰণোজ পেগু-যোগেন মহনৰ তীব্ৰ সমালোচনা

### বিৰোধীৰ মিত্ৰতা পাতৰ সূতাত আউল লগাৰ দৰে

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২১ ফেব্ৰুৱাৰী ঃ** অসম বিধানসভা নিৰ্বাচনৰ দিন যিমানেই চমু চাপি আহিছে, সিমানেই বিৰোধী দলসমূহৰ মাজত মিত্ৰতা গঠনৰ প্ৰচেষ্টাক লৈ শাসকীয় ▫ ৬ পৃষ্ঠাত

চাৰ্ট খুলি প্ৰতিবাদক লৈ কেন্দ্ৰীয় মন্ত্ৰীৰ গৰিহণা

### এ আই শীৰ্ষ সন্মিলনত ভাৰতক লজ্জিত কৰিলে কংগ্ৰেছে

**অনলাইন ডেস্ক, অসম বাৰ্তা, ২১ ফেব্ৰুৱাৰী ঃ** ভাৰত মণ্ডপমত অনুষ্ঠিত 'ইণ্ডিয়া এ আই ইমপেক্ট ছামিট ২০২৬'ত ভাৰতীয় যুৱ কংগ্ৰেছৰ কৰ্মীসকলে চাৰ্ট খুলি কৰা প্ৰতিবাদক ▫ ৬ পৃষ্ঠাত

সোণাপুৰত ১০ম অসম আৰক্ষী বেটেলিয়নৰ নতুন চৌহদৰ শিলান্যাস অমিত শ্বাহৰ

# আগন্তুক ৫ বছৰত বানপানীমুক্ত হ'ব অসম



**নিউজ ডেস্ক, অসম বাৰ্তা, ২১ ফেব্ৰুৱাৰী ঃ** কেন্দ্ৰীয় গৃহ আৰু সহকাৰ মন্ত্ৰী অমিত শ্বাহে আজি সোণাপুৰৰ কচুতলীত ১০ম অসম আৰক্ষী বেটেলিয়ন (১০ম এপিবিএন)ৰ নতুন মুখ্য কাৰ্যালয় চৌহদৰ শিলান্যাস কৰে। এই পদক্ষেপক অসম তথা সমগ্ৰ দেশৰ সুৰক্ষা ব্যৱস্থা শক্তিশালীকৰণৰ এক গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি বুলি অভিহিত কৰি গৃহমন্ত্ৰী গৰাকীয়ে ঘোষণা কৰে যে অবৈধ দখলমুক্ত এই ভূমিত দেশৰ সুৰক্ষাত নিয়োজিত জোৱানসকলৰ বাবে আধুনিক আবাস আৰু সুবিধাসমূহ নিৰ্মাণ কৰা হ'ব। অনুষ্ঠানত ভাষণ প্ৰদান কৰি অমিত শ্বাহে প্ৰথমে মা কামাখ্যাক প্ৰণাম জনোৱাৰ লগতে মহাপুৰুষ লাচিত বৰফুকন, বীৰাঙ্গনা কনকলতা বৰুৱা আৰু ▫ ৭ পৃষ্ঠাত

কংগ্ৰেছক 'অসুৰ শক্তি' অভিহিত দিলীপ শইকীয়াৰ

### কংগ্ৰেছে আই এ.আই. সন্মিলনত প্ৰতিবাদ কৰি দেশৰ আত্মসন্মান হ্ৰাস কৰিছে

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২১ ফেব্ৰুৱাৰী ঃ** বিজেপিৰ অসম প্ৰদেশ সভাপতি দিলীপ শইকীয়াই কংগ্ৰেছ দলক তীব্ৰ ভাষাৰে সমালোচনা কৰি ▫ ৬ পৃষ্ঠাত

▫ জুবিন গাৰ্গৰ ন্যায় প্ৰক্ৰিয়া লেহেমীয়া হোৱাৰ আঁৰত মুখ্যমন্ত্ৰী ▫

## ফাষ্টট্ৰেক আদালত আৰু ন্যায়ৰ দাবীত ৰাজপথলৈ ওলাব অসম জাতীয় পৰিষদ

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২১ ফেব্ৰুৱাৰী ঃ** অসমৰ জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ন্যায় প্ৰদানৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ আন্তৰিকতাৰ সম্পূৰ্ণ অভাৱ আছে বুলি তীব্ৰ অভিযোগ উত্থাপন কৰিছে অসম জাতীয় পৰিষদে (অজাপ)। দলটোৱে অভিযোগ কৰিছে যে বিজেপি নেতৃত্বাধীন ▫ ৬ পৃষ্ঠাত



■ আন্তঃৰাষ্ট্ৰীয় মাতৃভাষা দিৱসত উদ্বেগজনক প্ৰতিবেদন ■

## বিলুপ্তিৰ মুখত উত্তৰ-পূবৰ ৪৩টা ভাষা

**নিউজ ডেস্ক, অসম বাৰ্তা, ২১ ফেব্ৰুৱাৰী ঃ** ভাষা কেৱল যোগাযোগৰ মাধ্যম নহয়, ই মানুহৰ অন্তৰৰ ভাৱ-অনুভূতি প্ৰকাশ কৰাৰ এক অনন্য উপায়। ভাষাৰ জৰিয়তে মানুহে ইজনে সিজনৰ সৈতে আত্মিক সম্পৰ্ক গঢ়ি তোলে আৰু নিজৰ সংস্কৃতি, পৰম্পৰা আৰু জ্ঞানৰ ধাৰাবাহিকতা ৰক্ষা কৰে। ভাৰতৰ ভাষাৰ ঐতিহ্য অতি প্ৰাচীন আৰু সমৃদ্ধ। মাতৃভাষাই ভাৰতীয় সংস্কৃতিৰ মূল স্তম্ভ হিচাপে কাম কৰি আহিছে। কিন্তু সময়ৰ সৈতে সমাজত হোৱা দ্ৰুত পৰিৱৰ্তন, নগৰায়ণ, আধুনিকীকৰণ আৰু প্ৰভাৱশালী ভাষাৰ আধিপত্যৰ ▫ ৬ পৃষ্ঠাত

তৃতীয় টি-২০ত ১৭ ৰাণৰ জয়; স্মৃতি মান্ধনাৰ ৮২ ৰান

## অষ্ট্ৰেলিয়াৰ ঘৰুৱা মাটিত শৃংখলা জয় ভাৰতীয় মহিলা ক্ৰিকেট দলৰ

**অনলাইন ডেস্ক, অসম বাৰ্তা, ২১ ফেব্ৰুৱাৰী ঃ** ভাৰতীয় মহিলা ক্ৰিকেট দলে অষ্ট্ৰেলিয়াৰ ঘৰুৱা মাটিত ঐতিহাসিক জয় লাভ কৰি এক নতুন অধ্যায় সৃষ্টি কৰিছে। এডিলেইডত অনুষ্ঠিত তিনিখন মেচৰ টি-২০ শৃংখলাৰ নিৰ্ণায়ক তৃতীয় ▫ ৭ পৃষ্ঠাত



কংগ্ৰেছ কৰ্মীৰ ওপৰত আৰক্ষীৰ আক্ৰমণৰ অভিযোগ

### ৰাজীৱ ভৱনত উত্তপ্ত পৰিস্থিতি; বিজেপি-কংগ্ৰেছৰ প্ৰতিবাদত লাঠিচাৰ্জ

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২১ ফেব্ৰুৱাৰী ঃ** অসম বিধানসভা নিৰ্বাচনৰ প্ৰেক্ষাপটত ৰাজনৈতিক উত্তেজনা চৰমত উপনীত হৈছে। শনিবাৰে ▫ ৬ পৃষ্ঠাত

আসন বুজাবুজিক লৈ জটিলতা থাকিবই ঃ লুৰীণজ্যোতি গগৈ

### বিজেপিক পৰাভূত কৰিবলৈ হ'লে এৰা-ধৰা কৰিবই লাগিব



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২১ ফেব্ৰুৱাৰী ঃ** অসম বিধানসভা নিৰ্বাচন ২০২৬ৰ বাবে বিৰোধী দলসমূহৰ মাজত মিত্ৰতা ▫ ৬ পৃষ্ঠাত

আজিৰে পৰা যাত্ৰীৰ বাবে মুকলি হ'ব গুৱাহাটীৰ নতুন বিমান বন্দৰ

## দুদিনীয়া কাৰ্যসূচীৰে ১৩ মাৰ্চত পুনৰ অসমলৈ মোদী

এপ্ৰিল মাহত বন্ধ কৰি দিয়া হ'ব পুৰণি বিমান বন্দৰতো

**নিউজ ডেস্ক, অসম বাৰ্তা, ২১ ফেব্ৰুৱাৰী ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ফেচবুক লাইভ যোগে অসমৰ অৱকাঠামো আৰু উন্নয়নৰ ক্ষেত্ৰত কেইবাটাও ▫ ৬ পৃষ্ঠাত



জুবিনক্ষেত্ৰত বিচ্ছিন্ন বিদ্যুৎ সংযোগক লৈ গৰিমা শইকীয়া গাৰ্গৰ ক্ষোভ

## আৰু কি বাকী আছেগৈ?



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২১ ফেব্ৰুৱাৰী ঃ** সোণাপুৰৰ জুবিনক্ষেত্ৰত শনিবাৰে সন্ধিয়া হঠাতে বিদ্যুৎ সংযোগ বিচ্ছিন্ন হোৱাৰ ঘটনাই সমগ্ৰ ৰাজ্যতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। অসমৰ প্ৰিয় শিল্পী জুবিন গাৰ্গৰ স্মৃতিৰক্ষাৰ বাবে নিৰ্মিত এই 'জুবিনক্ষেত্ৰ' ৰাজ্যবাসীৰ ▫ ৬ পৃষ্ঠাত

▫ মুখ্যমন্ত্ৰী কাৰ্যালয়ৰ স্পষ্টীকৰণ ▫

## জুই লগাৰ ফলত সাময়িকভাৱে বিদ্যুৎ বিচ্ছিন্ন জুবিনক্ষেত্ৰত

**অসম বাৰ্তা, সোণাপুৰ, ২১ ফেব্ৰুৱাৰী ঃ** অসমৰ প্ৰয়াত কণ্ঠশিল্পী জুবিন গাৰ্গৰ স্মৃতিত ▫ ৬ পৃষ্ঠাত

ASBM®
Founded and led by Prof. Biswajeet Pattanayak,
former Distinguished Professor of IIM, Indore & Lucknow
LEARN TO EXCEL & LEAD @ASBM



ADMISSION 2019 - 21
POST GRADUATE PROGRAMME IN MANAGEMENT
14th Batch PGDM
TWO YEAR FULL TIME RESIDENTIAL PROGRAMME
ACBSP ACCREDITED USA
As the only B-School in Eastern India accredited by ACBSP (Accreditation Council for Business Schools & Programs), recognised by Council for Higher Education Accreditation (CHEA), USA, ASBM has access to around 1200 Universities throughout the world for student and faculty exchange as part of ACBSP's Global Network of Business Schools
SPECIALISATIONS: Finance, Human Resources, Marketing, Operation & LSCM, IT & Analytics, Retail Management, BIFS, International Business
Approved by AICTE; A+++ Rank - Business India; Green Residential Campus; Excellent Campus Placement; Mentoring by distinguished Faculty & Corporate Leaders; International Immersion Programme at MDIS, Singapore & University of Nottingham, Malaysia
ELIGIBILITY: Minimum 50% (45% for SC & ST) in Graduation; Valid score of CAT/ XAT/ CMAT/ MAT/ GMAT; Scholarships for Meritorious Students
Other Programmes of ASBM under Utkal University
BBA (Hons.) | B.Com. (Hons.) | Bachelor of Fashion Design
www.asbm.ac.in | E-mail : admission@asbm.ac.in
Tell: 0674 2744881/ 882/ 8763127020 | TOLL FREE- 1800 3456 5855

# ঘোষণাৰ এবছৰৰ পাছতো শিল্পী পেন্সন লাভ নকৰিলে বিশিষ্ট সংগীতজ্ঞ, সুৰকাৰ-গীতিকাৰ প্ৰদীপ দহোতীয়াই

## ৮০ আৰু ৯০ দশকত কেইবাটাও জনপ্ৰিয় অডিঅ' কেছেটেৰে অভূতপূৰ্ব সফলতা লাভ কৰা প্ৰদীপ দহোতীয়াক শিল্পী পেন্সন প্ৰদানৰ দাবী

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ২১ ফেব্ৰুৱাৰী ঃ** 'জুৰ মলয়া' (১৯৮৪), 'সোণবৰণীয়া' (১৯৮৫), 'বৰষা আহিবা' (১৯৯১), 'ফুলৰে মেলা' (১৯৯৩), 'নীলা আকাশ' (১৯৯৪) কে ধৰি কেইবাটাও জনপ্ৰিয় অডিঅ' কেছেটেৰে শ্ৰোতা ৰাইজৰ হৃদয়ৰ মণিকোঠাত এক সুকীয়া স্থান দখল কৰিবলৈ সক্ষম হোৱা সঙ্গীতজ্ঞ, সুৰকাৰ-গীতিকাৰ প্ৰদীপ দহোতীয়াক চিনি নোপোৱা মানুহ অসম ৰাজ্যত হয়তো খুব কমেই ওলাব। ৮০ আৰু ৯০ দশকত অসমৰ প্ৰতিখন চহৰৰ মঞ্চত গীত পৰিৱেশন কৰা প্ৰদীপ দহোতীয়াই ওৰেটো জীৱন সঙ্গীত আৰু সঙ্গীত শিক্ষাতেই নিজকে উছৰ্গা কৰিছিল। শৈশৱৰে পৰাই এক সঙ্গীতৰ পৰিৱেশত ডাঙৰ-দীঘল হোৱা প্ৰদীপ দহোতীয়াই সঙ্গীতৰ প্ৰতি থকা অনুৰাগৰ বাবেই স্নাতক চূড়ান্ত বৰ্ষত পঢ়ি থাকোঁতেই অধ্যয়ন জীৱনৰ সামৰণি মাৰিছিল। সঙ্গীতৰ প্ৰতি থকা অদম্য ধাউতিয়ে সঙ্গীত জগতখনলৈ তেওঁক কাষ চপাই আনিছিল।



স্কুলীয়া জীৱনৰ মাজতে কণ্ঠ সঙ্গীতৰ লগতে গীটাৰ, মেণ্ডলিন, বেঞ্জো, মাউথ অৰ্গেন আদিৰো নিয়মিতভাৱে অনুশীলন-চৰ্চা কৰি অহা প্ৰদীপ দহোতীয়াই সঙ্গীতৰ প্ৰতি থকা দুৰ্বাৰ হাবিয়াসৰ বাবেই কলেজীয়া জীৱন শেষ নকৰি শাস্ত্ৰীয় সঙ্গীতত নিজকে আত্মোৎসৰ্গ কৰিছিল। কণ্ঠ সঙ্গীতত 'বিশাৰদ' ডিগ্ৰী লাভ কৰিয়েই ডুমডুমা, ৰূপাই, ডাঙৰী, ফিল'বাৰী আদিকে ধৰি বৃহত্তৰ ডুমডুমা অঞ্চলৰ শ শ ছাত্ৰ-ছাত্ৰীক সঙ্গীত শিক্ষাৰে আগবঢ়াই নিয়া প্ৰদীপ দহোতীয়াই অসম চৰকাৰৰ সাংস্কৃতিক বিভাগৰ সঞ্চালক ৰুদ্ৰ বৰুৱাৰ হস্তাক্ষৰত পঞ্জীয়ন লাভ কৰি কাকপথাৰত এক সঙ্গীত বিদ্যলয়ো স্থাপন কৰিছিল। সঙ্গীতৰ প্ৰতি থকা অনুৰাগৰ বাবেই এ আৰ চি (এভিয়েশ্যন ৰিচাৰ্চ চেণ্টাৰ) ত মাত্ৰ এটা বছৰ চাকৰি কাল সম্পূৰ্ণ কৰি তাৰ পৰা অব্যাহতি লোৱা প্ৰদীপ দহোতীয়াই কলেজত পঢ়ি থকা অৱস্থাতেই ডুমডুমাৰ কেইগৰাকীমান ব্যক্তিৰ সৈতে লগ লাগি 'কমেট' নামেৰে এটা সুৰ সমলয় গোষ্ঠী গঠন কৰি সঙ্গীতৰ বৰ্ণময় যাত্ৰা আৰম্ভ কৰিছিল। ১৯৮৪ চনত 'মমতা প্ৰডাকচন'ৰ বেনাৰত মুক্তি দিছিল 'জুৰ মলয়া' কেছেটটি। স্বনামধন্য সঙ্গীত শিল্পী ঊষা উত্থুপৰ কলিকতাৰ 'ভাইব্ৰেশ্যন ষ্টুডিঅ'ত ৰেকৰ্ডিং সম্পন্ন কৰা কেছেটটিৰ মুক্তিৰ লগে লগে ৰাজ্যজুৰি সাংঘাতিক জনপ্ৰিয়তা অৰ্জন কৰিছিল। তাৰ পিছৰ বছৰত একেটা ষ্টুডিঅ'তে ৰেকৰ্ডিং কৰা 'সোণবৰণীয়া' এলবামটিৰ গীতসমূহকো অসমৰ শ্ৰোতা ৰাইজে অতি হেঁপাহেৰে আকোঁৱালি লৈছিল। এধাপ এধাপ কৈ সঙ্গীতৰ বিশাল জগতখনত নিজকে প্ৰতিষ্ঠিত কৰা প্ৰদীপ দহোতীয়াই পশ্চিমীয়া সঙ্গীতৰ জ্ঞানো আহৰণ কৰিছিল। অসমৰ বিভিন্ন মঞ্চত গীত পৰিৱেশন কৰা প্ৰদীপ দহোতীয়াই পিছলৈ শাৰীৰিক অসুস্থতাৰ বাবেই গুৱাহাটী এৰি ডুমডুমালৈ উভতি আহি ডুমডুমা অঞ্চলৰ সঙ্গীতৰ দিশটো উত্তৰণৰ উদ্দেশ্যেৰে নিজকে উৎসৰ্গা কৰিছিল। ছাত্ৰ-ছাত্ৰী সকলক নিয়মীয়াকৈ শাস্ত্ৰীয় সঙ্গীতৰ শিক্ষা প্ৰদানত জড়িত হৈ পৰা প্ৰদীপ দহোতীয়াই গীটাৰ, ইলেক্ট্ৰনিক কীবৰ্ড আদিৰ শিক্ষাও প্ৰদান কৰিছিল। বহুতো ছাত্ৰ-ছাত্ৰীয়ে তেওঁৰ অধীনত শিক্ষাগ্ৰহণ কৰি কণ্ঠ সঙ্গীত আৰু গীটাৰত 'বিশাৰদ' ডিগ্ৰীও লাভ কৰিবলৈ সক্ষম হয়। শাস্ত্ৰীয় সংগীতৰ লগতে জ্যোতি সঙ্গীত, বিষ্ণুৰাভা সঙ্গীত, ভূপেন্দ্ৰ সঙ্গীত, জয়ন্ত হাজৰিকাৰ গীতসমূহো শিকাই অহা প্ৰদীপ দহোতীয়াই গুৱাহাটীত থকা সময়ত অসমৰ বহু প্ৰতিষ্ঠিত সঙ্গীত শিল্পীৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক গঢ়ি তুলিছিল। আকাশবাণী গুৱাহাটী আৰু ডিব্ৰুগড় কেন্দ্ৰই তেখেতে বাণীবদ্ধ কৰা ৮টা গানৰ ই পি ৰেকৰ্ডক অনুমোদন জনোৱাৰ লগতে প্ৰচাৰো কৰি আহিছে। অসম সত্ৰ মহাসভা, সদৌ অসম ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ লগতে অসম মৰাণ সভাৰ দ্বাৰা 'ৰাতি বিহু'ত বিশেষভাৱে সম্বৰ্ধিত হোৱা প্ৰদীপ দহোতীয়াই ২০২২ বৰ্ষত অসম চৰকাৰৰ পৰা একঁকালীন সাহায্য লাভ কৰা পিছত ২০২৫ বৰ্ষত নিয়মীয়া শিল্পী পেন্সনৰ লাভ কৰে যদিও আজি এটা বছৰ অতিক্ৰম কৰাৰ পাছতো তেখেতে শিল্পী পেন্সন লাভ কৰিবলৈ সক্ষম নোহোৱা বিষয়টোত ৰাজ্যৰ একাংশ শিল্পী তথা সাংস্কৃতিক মহলে ক্ষোভ প্ৰকাশ কৰা পৰিলক্ষিত হৈছে। যি সময়ত চৰকাৰে আঁচনিৰ নামত হাজাৰ হাজাৰ কোটি টকা ব্যয় কৰি আহিছে, তেনে সময়তে আজি এটা বছৰে পেন্সনৰ বাবে কাৰ্যালয় কাৰ্যালয়ে ঘূৰি ফুৰিবলগীয়া হোৱা ৭০ উৰ্দ্ধৰ এইগৰাকী স্বনামধন্য শিল্পীয়ে ঘোষণাৰ এবছৰৰ পাছতো শিল্পী পেন্সনৰ পৰা বঞ্চিত হোৱা কাৰ্যক সচেতন মহলে ধিক্কাৰ দিছে। এইগৰাকী প্ৰবীণ শিল্পীক অচিৰেই শিল্পী পেন্সন প্ৰদান কৰিবলৈ চৰকাৰক সকলোৱে দাবী জনাইছে।

# ৰূপহীহাটৰ লাওখোৱা অভয়াৰণ্যৰ পূব ফুটালজাৰত বন বিভাগৰ উচ্ছেদ

**অসম বাৰ্তা, ৰূপহীহাট, ২১ ফেব্ৰুৱাৰী ঃ** নগাঁও জিলাৰ নৱগঠিত চামগুৰি-ৰূপহীহাটৰ ফুটালজাৰত বনভূমিত আজি বন বিভাগে উচ্ছেদ অভিযান চলায়। দীৰ্ঘদিন ধৰি একাংশ লোকে কেইবা হাজাৰ চৰকাৰী ভূমিত খেতি বাতি, পুখুৰী আদি পাতি অবৈধভাৱে বেদখল কৰি আছিল। আজি তেনে বেদখলকৃত ভূমি কেবাটাও হাতীৰ জৰিয়তে গড়াজান বনাঞ্চলিক বিষয়াই নতুকৈ ৰোৱা বড়ো ধানৰ খেতি বিনষ্ট কৰি দিয়ে। উল্লেখ্য যে মাহজুৰা শ্ৰম কৰাৰ পিছত অলপতে ভুঁই ৰুই আলপৈচান ধৰি বড়ো ধানৰ খেতি লহপহীয়া কৰি তুলিছিল। এইসকলো বিলাক মনে মনে চাই থকা বনবিভাগে আজি হঠাৎ বেদখলৰ অভিযোগ তুলি হাতীৰ জৰিয়তে নষ্ট কৰি উচ্ছেদ চলোৱা



বুলি জাহিৰ কৰিছে। যাৰ বাবে ইমান দিনে গড়াজান আঞ্চলিক বন বিষয়াই কি অংকত মেনেজ হৈ আছিল তাক লৈও প্ৰশ্ন উত্থাপন হৈছে। লক্ষণীয় যে বন বিভাগৰ একাংশ লোকৰ আশিষ নাথাকিলে কোনো লোকে এইদৰে বনভূমি দখল কৰিব নোৱাৰে। সেয়ে উপান্ত কৃষকে ইমান দিনে কাক মেনেজ কৰি বনভূমিত খেতি কৰি আহিছিল সেই সম্পৰ্কে স্থানীয় সচেতন ৰাইজে সঠিক তদন্ত বিচাৰিছে। ইফালে শিঙিমোৰী খণ্ড বন বিষয়াৰ কাৰ্যালৰ চৌপাশে অবৈধভাৱে পুখুৰী খান্দি, খেতিবাতি কৰি অভয়াৰণ্যৰ জলাশয়ত নিতৌ মাছ মৰা কৰা কাৰ্য্য চলাই অহাৰ অভিযোগ দীৰ্ঘদিন ধৰি উঠি আহিছে যদিও কি অংকত বনবিভাগ নীৰৱ দৰ্শক হৈ আছে তাক লৈ প্ৰশ্ন উত্থাপন হৈছে।

# মুখ্যমন্ত্ৰীলৈ তিনিচুকীয়া জিলা সাহিত্য সভাৰ স্মাৰক পত্ৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২১ ফেব্ৰুৱাৰী ঃ** আজি আন্তৰ্জাতিক মাতৃভাষা দিৱসৰ দিনা তিনিচুকীয়া জিলা সাহিত্য সভাই অসমৰ মুখ্যমন্ত্ৰীলৈ এখন স্মাৰক পত্ৰ তিনিচুকীয়া জিলা আয়ুক্তৰ যোগেদি প্ৰেৰণ কৰে। অসম চৰকাৰী ভাষা আইন, ১৯৬০ ৰ সঠিক ৰূপায়ণৰ যোগেদি অসমৰ সকলো চৰকাৰী আৰু বেচৰকাৰী কাৰ্যালয়, আদালত আৰু শিক্ষানুষ্ঠানত অসমীয়া ভাষাৰ ব্যৱহাৰ বাধ্যতামূলক কৰাৰ দাবীত এই স্মাৰক পত্ৰ প্ৰদান কৰা হয়। তিনিচুকীয়া জিলা সাহিত্য সভাৰ সভাপতি লম্বেশ্বৰ চেতিয়া, উপ সভাপতি চন্দ্ৰ কুমাৰ বৰুৱা, সম্পাদক অৰূপ কুমাৰ চাংমাই, ৰাজ্যভাষা আৰু মাতৃভাষা প্ৰয়োগ উপ সমিতিৰ কাৰ্যকৰী সভাপতি সুখেন নেওগ আৰু আহ্বায়ক মদন দত্তই তিনিচুকীয়া জিলা আয়ুক্ত কাৰ্যালয়ত উপস্থিত হৈ তিনিচুকীয়া জিলা আয়ুক্ত সুমিত সত্তাৱনৰ যোগেদি অসম চৰকাৰৰ মুখ্যমন্ত্ৰীলৈ এই স্মাৰক পত্ৰ প্ৰেৰণ কৰে।

# শিৱসাগৰত কৃষি যান্ত্ৰিকৰণ আঁচনিৰ অধীনত পাৱাৰ টিলাৰ বিতৰণ আৰু কৃষক সভা



**অসম বাৰ্তা, জয়সাগৰ, ২১ ফেব্ৰুৱাৰী ঃ** অসমৰ কৃষি ক্ষেত্ৰক অধিক উন্নত আৰু যান্ত্ৰিকীকৃত কৰাৰ লক্ষ্যৰে শিৱসাগৰ জিলাৰ কৃষি বিভাগৰ উদ্যোগত আজি দৰবাৰ খেল পথাৰত আনুষ্ঠানিক ভাৱে পাৱাৰ টিলাৰ বিতৰণৰ লগতে কৃষক সভা অনুষ্ঠিত হয়। এই অনুষ্ঠান কৃষি যান্ত্ৰিকীকৰণ উপ-আঁচনি (SMAM)ৰ অধীনত আয়োজন কৰা হয়। শিক্ষামন্ত্ৰী তথা শিৱসাগৰ জিলাৰ অভিভাৱক মন্ত্ৰী ডাঃ ৰণোজ পেগু উপস্থিতত শিৱসাগৰ জিলা অন্তগত মুঠ ১১০জন কৃষকক ৰাজসাহায্য যুক্ত পাৱাৰ টিলাৰ পাৱাৰ টিলাৰ বিতৰণ কৰা হয়। মন্ত্ৰী গৰাকীয় ভাষণ প্ৰসংগত কয় যে, কৃষি খণ্ডত আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰ বৃদ্ধি পালে উৎপাদনশীলতা বাঢ়িব আৰু কৃষকৰ আৰ্থিক অৱস্থা সুদৃঢ় হ'ব। সহকাৰী কৃষি সঞ্চালক ৰুমী বৰাই আঁতধৰা অনুষ্ঠানটিত জিলা আয়ুক্ত মৃদুল যাদৱ, অতিৰিক্ত জিলা আয়ুক্ত সোণতৃষ্ণা ঘৰফলীয়া, জিলা কৃষি বিষয়া অমৃত শইকীয়া, কাৰ্যবাহী অভিযন্তা ভূপেন দাস, বিজেপি জিলা সভাপতি বিতুপন ৰাইদঙ্গীয়া, থাওৰা সমষ্টিৰ প্ৰাক্তন বিধায়ক কুশল দুৱৰী লগতে বিভাগৰ বিষয়া কৰ্মচাৰী তথা কৃষক ৰাইজ উপস্থিত থাকে।

# ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃৰাষ্ট্ৰীয় সাহিত্য উৎসৱ-২০২৬ৰ তৃতীয় সংস্কৰণ সফল সমাপ্তি

## সামৰণি অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২১ ফেব্ৰুৱাৰী ঃ** ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু 'ফকেল'ৰ যৌথ উদ্যোগত আয়োজিত "ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃৰাষ্ট্ৰীয় সাহিত্য-২০২৬"ৰ তৃতীয় সংস্কৰণ আজি এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানৰ জৰিয়তে সফলভাৱে সামৰণি পৰে। চাৰিদিনীয়া এই উৎসৱে সাহিত্যিক আদান-প্ৰদান, আন্তঃসংস্কৃতিক সংলাপ আৰু বৌদ্ধিক চিন্তাৰ এক জীৱন্ত পৰিসৰ সৃষ্টি কৰি উত্তৰ-পূব ভাৰতৰ সাহিত্যৰ উপস্থিতিক বিশ্বৰ মঞ্চত পুনৰ প্ৰতিষ্ঠা কৰে। সামৰণি অনুষ্ঠানত অসমৰ শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু, বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ড° জিতেন হাজৰিকা, আইএএছ বিষয়া বি. কল্যাণ চক্ৰৱৰ্তী, আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন লেখক তথা অনুবাদক এন মৰগান, মিশৰৰ লেখক শ্বেৰিফ বাকৰ আৰু বিশিষ্ট সাহিত্যিক মুৰ্জবান ফালি শ্ৰফ উপস্থিত থাকে। উপাচাৰ্য অধ্যাপক জিতেন হাজৰিকাই ভাষণ প্ৰদান কৰি উৎসৱৰ সফল আয়োজনৰ বাবে সকলো অতিথি, বক্তা, আয়োজক আৰু অংশগ্ৰহণকাৰীক ধন্যবাদ জনায়। তেওঁ উল্লেখ কৰে যে আয়োজক দল, ফকেল আৰু ছাত্ৰ-ছাত্ৰীৰ উৎসাহৰ ফলতেই এই উৎসৱ বৃহৎ সফলতা লাভ কৰিছে। "আমাৰ ছাত্ৰ- ছাত্ৰীসকলেই এই উৎসৱৰ প্ৰধান শক্তি" বুলি মন্তব্য কৰি তেওঁ ২০২৭ চনৰ ১৬ৰ পৰা ১৯ ফেব্ৰুৱাৰীলৈ চতুৰ্থ সংস্কৰণ অনুষ্ঠিত হ'ব বুলি ঘোষণা কৰে। বি. কল্যাণ চক্ৰৱৰ্তীয়ে অসমীয়া সাহিত্যিক ঐতিহ্য আৰু আঞ্চলিক আখ্যানসমূহৰ সাংস্কৃতিক সমৃদ্ধিৰ বিষয়ে আলোকপাত কৰে। তেওঁ প্ৰতিবেদক আৰু স্বেচ্ছাসেৱক সকলৰ নিষ্ঠা আৰু পৰিশ্ৰমৰ প্ৰশংসা কৰি কয় যে ৬৮টা অধিৱেশনত ১২ হাজাৰৰো অধিক ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণে উৎসৱটোক এক অনন্য মাত্ৰা প্ৰদান কৰিলে। লেখিকা এন মৰগানে তিনিওটা সংস্কৰণত অংশগ্ৰহণ কৰাৰ অভিজ্ঞতা উল্লেখ কৰি অনুষ্ঠানৰ সৈতে জড়িত হ'ব পাৰি নিজকে সন্মানিত অনুভৱ কৰে বুলি কয়। ভাৰতলৈ প্ৰথমবাৰৰ বাবে আগতীয়াকৈ অহা শ্বেৰিফ বাকৰে আতিথ্য আৰু সাহিত্যিক আদান-প্ৰদানৰ অভিজ্ঞতাৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰে। মুৰ্জবান ফালি শ্ৰফে লেখকৰ সৃষ্টিশীল যাত্ৰা আৰু প্ৰকাশন প্ৰক্ৰিয়াৰ জটিলতা বিষয়ে আলোচনা কৰি কয় যে এখন গ্ৰন্থৰ জীৱন মাত্ৰ মুদ্ৰিত ৰূপতেই সীমাবদ্ধ নহয়। প্ৰধান অতিথি ডাঃ ৰণোজ পেগুৱে পাঠৰ ৰূপান্তৰকাৰী শক্তিৰ বিষয়ে আলোকপাত কৰি কয় যে লিখিত আখ্যানৰ সৈতে সম্পৃক্ততাৰ জৰিয়তে মানুহৰ মগজুৰ বিকাশ বিশেষভাৱে প্ৰভাৱিত হয়। পাঠকে কাহিনীৰ নায়কৰ অনুভৱৰ সৈতে একাত্ম হৈ সমালোচনামূলক আৰু সৃষ্টিশীল চিন্তা বিকাশ কৰে বুলি তেওঁ মন্তব্য কৰে। "বাসুধৈৱ কুটুম্বকম"—বিশ্ব এক পৰিয়াল - এই মূল দৰ্শন পুনৰ উল্লেখ কৰি তেওঁ সাহিত্যক সীমা অতিক্ৰম কৰা এক সংযোগৰ শক্তি বুলি অভিহিত কৰে। শেষত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ডাঃ পৰমানন্দ সোণোৱালে শলাগ জ্ঞাপন কৰে। অসমৰ জাতীয় সংগীত পৰিৱেশনেৰে অনুষ্ঠানৰ সামৰণি কৰা হয়। চাৰিদিনীয়া এই উৎসৱত ২৫খনৰো অধিক দেশৰ ১৫০ৰো অধিক লেখক, গৱেষক, শিল্পী আৰু সাংস্কৃতিক কৰ্মী অংশগ্ৰহণ কৰে আৰু ৬০ৰো অধিক অধিৱেশনৰ জৰিয়তে ১২ হাজাৰৰো অধিক অংশগ্ৰহণকাৰীৰ সৈতে মতবিনিময় হয়। সাহিত্য, পৰিচয়, অনুবাদ, প্ৰকাশন, ৰাজনীতি, সংগীত, স্মৃতি আৰু সমকালীন সামাজিক বাস্তৱতাৰ দৰে বিষয়সমূহত গভীৰ আলোচনা অনুষ্ঠিত হয়। বিশেষকৈ "পৰিচয় আৰু অন্তৰ্ভুক্তি ঃ আত্ম আৰু সমাজৰ সাহিত্যিক প্ৰতিফলন" অধিৱেশনত পৰিচয়ক বহুস্তৰীয় আৰু ৰাজনৈতিকভাৱে গঠিত এক প্ৰক্ৰিয়া হিচাপে বিশ্লেষণ কৰা হয়। "শিশু সাহিত্য আৰু কাহিনী" অধিৱেশনত শিশু সাহিত্যৰ গম্ভীৰতা আৰু দায়িত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। "শিশুৰ মাজত ব্যৱসায়িক চিন্তা বিকাশ" অধিৱেশনত কাহিনীৰ জৰিয়তে উদ্যোগী মনোভাৱৰ পাঠ দিয়া হয়। "অনুবাদ আমাৰ অধিকাৰ"- অধিৱেশনত অনুবাদক সাংস্কৃতিক সংবেদনশীল সৃষ্টিশীল প্ৰক্ৰিয়া হিচাপে ব্যাখ্যা কৰা হয়। আনহাতে "লেখনী আৰু বজাৰ" অধিৱেশনত প্ৰকাশন জগতৰ পৰিৱৰ্তন, ডিজিটেল মাধ্যমৰ প্ৰভাৱ আৰু সৃষ্টিশীলতা-বাণিজ্যৰ সমন্বয়ৰ বিষয়ত আলোচনা হয়। অংশগ্ৰহণকাৰীয়ে 'বাস্ক' মৌখিক পৰম্পৰা আৰু অসমীয়া কবিতা বিনিময়ৰ অভিজ্ঞতাও লাভ কৰে, যিয়ে বৈশ্বিক আৰু আঞ্চলিক সাহিত্যৰ মাজত এক সেতুবন্ধন সৃষ্টি কৰে। উল্লেখযোগ্য যে "মিডল ইষ্ট আৰু নৰ্থ আফ্ৰিকাৰ লেখনী" শীৰ্ষক বিষয়বস্তুৰে আয়োজিত এই উৎসৱে সমকালীন সাহিত্য, অনুবাদ, আদিবাসী কাহিনী আৰু বিশ্ব সাহিত্যিক প্ৰৱণতাৰ ওপৰত বিস্তৃত আলোচনা আগবঢ়াই এক অন্তৰ্ভুক্তিমূলক সাংস্কৃতিক পৰিৱেশ গঢ়ি তুলিবলৈ সক্ষম হৈছে।

# উত্তৰ শালমাৰা আৰক্ষী চকীৰ সমুখত চোৰাং গৰুভৰ্তি ট্ৰাক জব্দ ৰাইজৰ

**অসম বাৰ্তা, লেংটিছিঙা, ২১ ফেব্ৰুৱাৰী ঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰী সমজিলাত সপ্তাহটোৰ ভিতৰতে দুখনকৈ চোৰাং গৰুভৰ্তি ট্ৰাক ৰাইজৰ তৎপৰতাত আৰক্ষীয়ে জব্দ কৰিবলৈ সক্ষম হৈছে। প্ৰথমখন চোৰাং গৰু সৰবৰাহ কৰা AS15 AC 8423 নম্বৰৰ বাহন এখনে যোৱা ১৭ ফেব্ৰুৱাৰীত চিৰাং জিলাৰ চামথাইবাৰীৰ পৰা কেইবাখনো থানা, আৰক্ষী চকী পাৰ হৈ নিৰ্বিঘ্নে মুলপথেৰে অভয়াপুৰীৰ কুশবাৰী নি থকা অৱস্থাত ৰাষ্ট্ৰীয় বজৰাং দলৰ কৰ্মীয়ে অভয়াপুৰীৰ ৰাজবাৰী সমীপতে বাহনখন ৰখাই আৰক্ষীক গতাই দিয়ে। এখন সৰু বাহন ৮ টাকৈ গৰু সৰবৰাহ কৰা বাহনখন পাছত আৰক্ষীয়ে জব্দ কৰে। আনপিনেও, যোৱা নিশাও আৰক্ষী চকীৰ সন্মুখতেই ৰাইজে খেদি খেদি ধৰিলে চোৰাং গৰুভৰ্তি ট্ৰাক। ধুবুৰীৰ দিশৰ পৰা অতি তীব্ৰবেগত দেওহাটীৰ দিশলৈ অহা গৰুভৰ্তি ট্ৰাকখনৰ খুন্দাৰ পৰা কথমপি ৰক্ষা পৰে বাহন। তাৰ পাছতে একাংশ লোকে AS25 FC 4396 নম্বৰৰ ট্ৰাকখন খেদি গৈ উত্তৰ শালমাৰা আৰক্ষী চকীৰ সন্মুখতেই জব্দ কৰে। ট্ৰাকখনত ১৬টা গৰু আছিল। প্লাইডডেৰে ট্ৰাকখনত প্ৰস্তুত কৰা কেবিনৰ ভিতৰত ১৬ টাকৈ গৰুভৰ্তি কৰি অনা হৈছিল ট্ৰাকখনত। আৰক্ষীয়ে ট্ৰাকখন কৰাৰ পূৰ্বে পলায়ন কৰে চালক আৰু হেণ্ডিমেনে।

# ৰূপহীহাটত জুৱাৰ ঘাটি উৎখাত আৰক্ষীৰ

**অসম বাৰ্তা, ৰূপহীহাট, ২১ ফেব্ৰুৱাৰী ঃ** ৰূপহীহাট আৰক্ষী থানাৰ নিলগতে একাধিক স্থানত দীৰ্ঘদিনৰে পৰা অবৈধ জুৱাৰ ঘাটি হেলাৰঙে চলি অহাৰ অভিযোগ উত্থাপন হৈ আহিছিল। বিগত প্ৰায় দুই-মাহ ধৰি নিৰ্বিঘ্নে ৰেলৰে লাইনৰ তলত একাংশ অসাধু লোকে চলাই অহা জুৱাৰ ঘাটিত আজি ৰূপহীহাট আৰক্ষীয়ে অতৰ্কিতে অভিযান চলায়। ৰূপহীহাটৰ ৰেলৰে লাইনৰ কাষত অবৈধ জুৱাৰ ঘাটি পাতি সাধাৰণ লোকক সৰ্বস্বান্ত কৰি অহা চক্ৰটোৰ বিৰুদ্ধে সন্ধিয়াৰ ভাগত অভিযান চলাই যদিও জুৱাৰীবোৰ পলায়ন কৰে। ৰূপহীহাট থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সূৰুজ দত্তৰ নেতৃত্বত আৰক্ষীৰ এটা দলে জুৱাৰ ঘাটিটো উৎখাত কৰি জুৱাত ব্যৱহৃত সা সামগ্ৰী জব্দ কৰিলেও এটা জুৱাৰিক ধৰিবলৈ সক্ষম নহয়। ইফালে বছৰ বছৰ ধৰি বন্ধ হৈ থকা তীৰ জাতীয় নিষিদ্ধ খেলবিধ বিগত কেইটামান মাহৰ পৰা ৰহস্যজনকভাৱে ৰূপহীহাটত পুনৰ সক্ৰিয় হৈ উঠাৰ অভিযোগ উত্থাপন হৈছে।

# হাউলীৰ কুমুল্লীপাৰাত ভয়ংকৰ পথ দুৰ্ঘটনাত ছাত্ৰৰ মৃত্যু

**অসম বাৰ্তা, কুমুল্লীপৰা, ২১ ফেব্ৰুৱাৰী ঃ** শুক্ৰবাৰ ২০ ফেব্ৰুৱাৰী, ৰাতিপুৱা আনুমানিক ৮-৪০ বজাত বৰপেটা জিলাৰ হাউলী থানাৰ অন্তৰ্গত কুমুল্লী পৰাত জনীয়া PWD ৰাস্তাত বানিয়াৰাপাৰা স্থিত জনপ্ৰিয় কনিষ্ঠ মহাবিদ্যালয়ৰ প্ৰথম বৰ্ষৰ ছাত্ৰ চান মিয়া (১৮) As15 T0782 নম্বৰৰ পালছাৰ-১৮০ বাইকেৰে মহাবিদ্যালয় অভিমুখে যোৱাৰ সময়ত ৰাস্তাৰ কাষত থকা বিদ্যুৎ পৰিবাহী খুঁটিত খুন্দিয়াৰ ফলত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয় আৰু ততাতৈয়াকৈ বৰপেটা ফখৰুদ্দিন আলি আহমেদ চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হয় যদিও এদিন পিছত অৰ্থাৎ শনিবাৰে ৰাতিপুৱা ICUত চিকিৎসাধীন অৱস্থাত মৃত্যুক আঁকোৱালি লয়। মৃত চান মিয়াৰ ঘৰ হাজিপাৰা আৰু তেওঁৰ পিতৃৰ নাম শায়েদ আলী। উক্ত সহজ সৰল ছাত্ৰ জনৰ মৃত্যুত অঞ্চল জুৰি শোকৰ ছাঁ পৰা পৰিলক্ষিত হৈছে।

# নগাঁও সদৰ শাখা কবি সন্মিলনৰ উদ্যোগত কাব্যদিন আৰু কাব্যালোচনাৰ কেন্দ্ৰীয় অনুষ্ঠান




**অসম বাৰ্তা, নগাঁও, ২১ ফেব্ৰুৱাৰী ঃ** নগাঁও সদৰ শাখা কবি সন্মিলনৰ উদ্যোগত সদৌ অসম কবি সন্মিলনৰ কাব্যদিন আৰু কাব্যালোচনা শীৰ্ষক কেন্দ্ৰীয় অনুষ্ঠান আজি নগাঁও চহৰৰ মহেন্দ্ৰ বৰুৱা প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত হয়। শিল্পী নিষ্ঠা নন্দা কাশ্যপৰ গীতেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰা হয়। শিশু সাহিত্যিক ত্ৰৈলোক্য ভট্টাচাৰ্যই সঞ্চালনা কৰা অনুষ্ঠানত অংশগ্ৰহণ কৰি প্ৰাক্তন বিধায়ক ডাঃ দুৰ্লভ চমুৱাই কাব্য সাহিত্যৰ বিষয়ে উল্লেখ কৰে। নগাঁও সদৰ শাখাৰ সম্পাদক দিগন্ত ভাগৱতীয়ে আতধৰা অনুষ্ঠানত ভাষণ প্ৰদান কৰি সাহিত্যিক ড° মঞ্জু লস্কৰে কবিতাৰ বিভিন্ন দিশ উল্লেখ কৰি কয় যে এতিয়া কবিতা লিখা লোকৰ সংখ্যা বৃদ্ধি পাইছে। এয়া শুভ লক্ষণ। সাংবাদিক মুৰুলী বৰুৱাই কয় যে কবিতাৰ চাহিদা বাঢ়িছে। যদিও কবিতা লিখা সহজ নহয়। সদৰ শাখাৰ সভাপতি কবিতা বৰাই উদ্দেশ্য ব্যাখা কৰা সভাত অংশগ্ৰহণ কৰি সদৌ অসম কবি সন্মিলনৰ প্ৰধান সম্পাদক পাৰভেজ হুছেইনে কবি সন্মিলনৰ উদ্দেশ্য আৰু কাৰ্যসূচীৰ বিষয়ে উল্লেখ কৰে। অনুষ্ঠানত অধ্যাপক ধনঞ্জয় কুশ্ৰে, কবি দ্বিজেন্দ্ৰ নাথ হাজৰিকা, ডাঃ ঋষেশ্বৰ ঠেঙাল, গজেন বৰা, দিলীপ নাথ, দিলীপ বৰা, মধু চৌধুৰী, সাংবাদিক কনক হাজৰিকা আদিয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত সদৌ অসম কবি সন্মিলনৰ কৃষ্ণ দৈমাৰী, হেমন্ত ভাৰতী, নৰহৰি চুতীয়া, মৃদুল চহৰীয়া আদি উপস্থিত থাকে। অনুষ্ঠানত কবি নবীন কলিতা, শিশু বন্ধু দুলাল বৰা, সাংবাদিক অজয় মাহাতু, লখিমী মহন্ত আদিয়ে অনুভৱ ব্যক্ত কৰে। অনুষ্ঠানত ডেৰকুৰিৰো অধিক কবিয়ে স্ব-ৰচিত কবিতা পাঠ কৰি অনুষ্ঠানটো জীপাল কৰি তোলে।

# উজনী মাজুলী খেৰকটীয়া মহাবিদ্যালয়ত আন্তঃজাৰ্তিক মাতৃভাষা দিৱস উদ্‌যাপন



**অসম বাৰ্তা, উজনী মাজুলী, ২১ ফেব্ৰুৱাৰী ঃ** আজি উজনি মাজুলী খেৰকটীয়া মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সাহিত্য চ'ৰা আৰু IQACৰ উদ্যোগত 'আন্তৰ্জাতিক মাতৃভাষা দিৱস'টি উদ্‌যাপন কৰা হয়। উক্ত দিৱসটিত সমল ব্যক্তি হিচাপে উপস্থিত থাকে জেংৰাই মুখ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা মল্লিকা মৰাণ। মৰানে 'মাতৃভাষা দিৱস আৰু বহুভাষী শিক্ষাৰ বাবে যুৱকণ্ঠ' শীৰ্ষক বিষয়ৰ ওপৰত এক সাৱলীল বক্তৃতা আগবঢ়াই। উক্ত অনুষ্ঠানটি আঁত ধৰে মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা ড° বিউটি গগৈয়ে। অনুষ্ঠানৰ আৰম্ভণি ভাষণ প্ৰদান কৰে উজনি মাজুলী খেৰকটীয়া মহাবিদ্যালয়ৰ অধক্ষ্য ড° জাহ্নৱী লহকৰ বৰুৱাই। দিৱসটোৰ লগত সংগতি ৰাখি মহাবিদ্যায়ৰ কেইবাজনো অধ্যাপকে ছাত্ৰ-ছাত্ৰী সকলক উদ্দেশ্যি তেওঁলোকৰ মূল্যবান বক্তৃতা আগবঢ়ায়।

# ছাত্ৰ নেতা বিনোদ কলিতাৰ আকস্মিক দেহাৱসান

**অসম বাৰ্তা, মিৰ্জা, ২১ ফেব্ৰুৱাৰী ঃ** দক্ষিণ কামৰূপৰ পলাশবাৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত বৰিহাট মাজকুছি গাঁৱৰ নিবাসী বিশিষ্ট ছাত্ৰ নেতা বিনোদ কলিতাৰ আকস্মিক দেহাৱসানে অঞ্চলজুৰি গভীৰ শোকৰ ছাঁ পেলাইছে। তেখেত দক্ষিণ কামৰূপ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ প্ৰাক্তন সাধাৰণ সম্পাদক হিচাপে দায়িত্ব পালন কৰাৰ লগতে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, কামৰূপ গ্ৰাম্য জিলাৰ সাধাৰণ সম্পাদক হিচাপে সক্ৰিয়ভাৱে কাম কৰি আহিছিল। অসমীয়া জাতি-ভাষাৰ প্ৰতি থকা গভীৰ ভালপোৱা আৰু জাতীয়তাবাদী আদৰ্শৰ বাবে তেখেত অঞ্চলটোৰ যুৱসমাজৰ মাজত বিশেষভাৱে জনপ্ৰিয় আছিল। সমাজমুখী কাম-কাজত সদায় আগবাঢ়ি থকা বিনোদ কলিতাৰ মৃত্যুয়ে কেৱল ছাত্ৰ সমাজকেই নহয়, সমগ্ৰ অঞ্চলবাসীক গভীৰভাৱে ব্যথিত কৰিছে। সহযোগী আৰু শুভাকাংক্ষীসকলে প্ৰকাশ কৰা অনুসৰি, তেখেত আছিল এজন সৎ, নীৰৱভাৱে সমাজৰ বাবে কাম কৰা এগৰাকী ব্যক্তি। নিজৰ মূল্যৱান সময় সমাজৰ উন্নতিৰ বাবে উছৰ্গা কৰা তেখেতৰ অৱদান সদায় স্মৰণীয় হৈ থাকিব। প্ৰিয়জনৰ এই অপূৰণীয় ক্ষতিয়ে পৰিয়াল তথা শুভাকাংক্ষীসকলক গভীৰ শোকত নিমজ্জিত কৰিছে। এই কঠিন সময়ত পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়া, অজাপ নেতা পংকজ লোচন গোস্বামী, ছাত্ৰ নেতা নিৰোদ কুমাৰ দাস, দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ সভাপতি বেদব্ৰত দাস, সাধাৰণ সম্পাদক চন্দন দাসৰ লগতে পলাশবাৰীৰ অঞ্চলবাসীয়ে বিনোদ কলিতাৰ পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰাৰ লগতে তেওঁৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰিছে।

# অসম বিধানসভাৰ সমাগত নিৰ্বাচনত বকোত প্ৰাৰ্থীত্ব প্ৰত্যাশীৰ খদমদম

**অসম বাৰ্তা, বকো, ২১ ফেব্ৰুৱাৰী ঃ** সমাগত অসম বিধান সভাৰ সাধাৰণ নিৰ্বাচন। বিধানসভা নিৰ্বাচনক কেন্দ্ৰ কৰি কামৰূপ জিলাৰ নৱগঠিত বকো-ছয়গাঁও সমষ্টিত ৰাজনৈতিক তৎপৰতা বৃদ্ধি পাইছে। এই ক্ষেত্ৰত ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ প্ৰাৰ্থীত্ব প্ৰত্যাশীয়ে সমষ্টিৰ চুকে কোণে চলাই ফুৰিছে প্ৰচাৰ। ইফালে বকোৰ অন্যতম নিষ্ঠাবান দলীয় নেতা তথা শিক্ষিত যুৱ সমাজ কৰ্মী ৰঞ্জন ৰাভাই এইবাৰ নৱগঠিত বকো-ছয়গাঁও সমষ্টিৰ পৰা কংগ্ৰেছৰ দলীয় প্ৰাৰ্থীত্ব বিচাৰি নিজৰ দাবী উত্থাপন কৰিছে। কংগ্ৰেছ দলৰ এজন অক্লান্ত কৰ্মী হিচাপে কাম কৰি অহা ৰঞ্জন ৰাভাই এক সাক্ষাৎকাৰত কয় যে "মই যোৱা দুটা দশক ধৰি কংগ্ৰেছ দলৰ প্ৰতিটো কঠিন সময়ত এজন নিষ্ঠাবান কৰ্মী হিচাপে কাম কৰি আহিছোঁ। কামৰূপ জিলাৰ বকো-ছয়গাঁও সমষ্টিৰ মাটি আৰু মানুহৰ সৈতে মোৰ আত্মিক সম্পৰ্ক আছে। সমষ্টিটোৰ প্ৰতিটো জাতি জনগোষ্ঠীৰ উপৰিও পিছপৰা শ্ৰেণীৰ লোক সকলৰ অধিকাৰ আৰু উন্নয়নৰ স্বাৰ্থত মোৰ সংগ্ৰাম অব্যাহত আছে। সমষ্টিটোৰ সকলো শ্ৰেণীৰ লোক সকলৰ অধিকাৰ আৰু উন্নয়নৰ স্বাৰ্থত এই বাৰ মই নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হ'বলৈ সাজু হৈছোঁ। তেওঁ লগতে কয় যে কামৰূপ জিলাৰ বকো সমষ্টিত দেশ স্বাধীন হোৱাৰ পিছৰে পৰা সমষ্টিটোত স্থানীয় লোকে নেতৃত্ব দিব পৰা নাই, এয়া অতি দুৰ্ভাগ্য জনক। বকো সমষ্টিৰ ৰাইজে অত দিনে এজন দক্ষ স্থানীয় নেতা বিচাৰি আহিছে যদিও সাৰ্থক হোৱা নাই। এই আশা বাস্তৱায়িত কৰাৰ বাবে এই বেলি কংগ্ৰেছ দলে সমাজৰ হকে কাম কৰা স্থানীয় নেতাক প্ৰাৰ্থীত্ব প্ৰদান কৰিবলৈ উঠি পৰি লাগিছে। ইফালে সমষ্টিটোত শিক্ষা; স্বাস্থ্য আৰু যাতায়াতৰ উপৰিও বহু মৌলিক সমস্যা সমাধান হ'বলৈ বাকী আছে। বিশেষকৈ নিবনুৱা সমস্যা, যাতায়তৰ সমস্যা আৰু শিক্ষা-স্বাস্থ্যৰ ক্ষেত্ৰত সমষ্টিটোৱে এক আমূল পৰিৱৰ্তন বিচাৰিছে জনতাই। দলীয় নেতৃত্বই তেওঁৰ ত্যাগ আৰু কৰ্মনিষ্ঠাক মূল্যায়ন কৰি সমষ্টিটোৰ সেৱা কৰাৰ সুযোগ দিব বুলি তেওঁ আশাবাদী। ইতিমধ্যে সমষ্টিটোৰ বিভিন্ন প্ৰান্তৰ দলীয় কৰ্মী আৰু সমৰ্থক সকলে ৰঞ্জন ৰাভাৰ এই সিদ্ধান্তক আদৰণি জনাইছে। প্ৰকাশ যে; সমষ্টিত প্ৰাৰ্থিত্ব পোৱাৰ আশাত ৰঞ্জন ৰাভাই ছমৰীয়া; ভালুকঘাটা; বনগাঁও; বামুণীগাঁও; গোৱৰ্ধন; ৰিহাবাৰী আৰু ঔগুৰী অঞ্চলত দলীয় কৰ্মীৰ মাজত মত বিনিময় কৰে। ইফালে ৰঙালী বিহুৰ প্ৰাকক্ষণত তেওঁ সমষ্টিবাসীক শুভেচ্ছা জনোৱাৰ লগতে ২০২৬ চনত ভাৰতীয় জাতীয় কংগ্ৰেছ দলে যাতে চৰকাৰ গঠন কৰিব পাৰে তাৰ বাবে সকলোকে একগোট হৈ কাম কৰিবলৈ আহ্বান জনায় যুৱ নেতাগৰাকীয়ে।

# 'অসম শৈক্ষিক কেন্দ্ৰ' উদ্যোগত মাজুলী মহাবিদ্যালয়ত শৈক্ষিক প্ৰেৰণামূলক বক্তৃতানুষ্ঠান

**অসম বাৰ্তা, উজনী মাজুলী, ২১ ফেব্ৰুৱাৰী ঃ** উত্তৰ পূৰ্বাঞ্চলৰ শিক্ষাৰ্থীসকলৰ বৌদ্ধিক-মানসিক উত্তৰণৰ লক্ষ্য আগত ৰাখি ১৯৮৫ চনতে প্ৰতিষ্ঠিত যোৰহাটৰ স্বেচ্ছাসেৱী অনুষ্ঠান 'অসম শৈক্ষিক কেন্দ্ৰ'ই আজি মাজুলী মহাবিদ্যালয়ত অনুষ্ঠিত কৰে শিক্ষাৰ্থীসকলৰ বাবে এক বিশেষ প্ৰেৰণামূলক বক্তৃতানুষ্ঠান। মহাবিদ্যালয়ৰ 'সত্ৰাধিকাৰ পদ্মকান্তদেৱ গোস্বামী সভাকক্ষ'ত পুৱা ১১.১০ বজাৰ পৰা অনুষ্ঠিত বক্তৃতানুষ্ঠানৰ আঁত ধৰে শৈক্ষিক কেন্দ্ৰৰ সম্পাদক তথা যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° অশোক বৰঠাকুৰে। শৈক্ষিক কেন্দ্ৰৰ সদস্য তথা যোৰহাট মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড° পঞ্চানন বৰঠাকুৰে শৈক্ষিক কেন্দ্ৰৰ লক্ষ্য আৰু উদ্দেশ্য সম্পৰ্কে চমুকৈ আলোকপাত কৰে। প্ৰেৰণামূলক বক্তৃতানুষ্ঠানটি উদ্বোধন কৰি মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই বিগত সময়ছোৱাত গ্ৰন্থমেলা অনুষ্ঠিত কৰাকে আদি কৰি 'অসম শৈক্ষিক কেন্দ্ৰ'ই কৰি অহা উল্লেখনীয় কামবোৰে নতুন প্ৰজন্মক উপকৃত কৰিছে বুলি উল্লেখ কৰে। লগতে তেওঁ শৈক্ষিক কেন্দ্ৰই উঠি অহা প্ৰজন্মৰ হিতাৰ্থে কাম কৰাৰ জৰিয়তে ভৱিষ্যত সমাজখনক জাতিস্কাৰ কৰিবলৈ নিৰন্তৰ প্ৰয়াস কৰি সকলোৰে শলাগৰ পাত্ৰ হৈছে বুলিও কয়। ড° শইকীয়াই শৈক্ষিক কেন্দ্ৰ এনে মহান পদক্ষেপে সমাজখন অধিক ধুনীয়া কৰিব বুলি অভিহিত কৰি মাজুলীত এনে অনুষ্ঠান আয়োজন কৰাৰ বাবে সকলোকে শলাগ জ্ঞাপন কৰে। অনুষ্ঠানত বেংকিং খণ্ডৰ সমল ব্যক্তি হিচাপে উপস্থিত থাকি ভাৰতীয় ষ্টেট বেংকৰ প্ৰবন্ধক জগদীশ চন্দ্ৰ পালে ৰাজহুৱা খণ্ডৰ বেংকসমূহত ছাত্ৰ-ছাত্ৰীসকলে কেনেধৰণৰ পদত আবেদন কৰিব পাৰিব সেই বিষয়ে ব্যাখ্যা কৰে। লগতে সেই খণ্ড বিভিন্ন পদত দৰমহাৰ গাঁথনি আৰু সুবিধাসমূহৰ বিষয়েও শিক্ষাৰ্থীসকলক অৱগত কৰে। আন এজন সমল ব্যক্তি, ভাৰতীয় ষ্টেট বেংকৰ কমলাবাৰী শাখাৰ প্ৰবন্ধক শোণিত সোণোৱালে বেংকৰ পৰীক্ষাত সফলতা লাভ কৰিবলৈ কিদৰে প্ৰস্তুতি চলাব লাগে সেই বিষয়ে বক্তব্য প্ৰদান কৰি পৰীক্ষাৰ প্ৰকাৰ আৰু বিভিন্ন ক্ষেত্ৰৰ কিছু সম্ভাব্য প্ৰশ্ন ছাত্ৰ-ছাত্ৰীসকলৰ লগত আলোচনা কৰে। অনুষ্ঠানত বীমাৰ প্ৰয়োজনীয়তা সম্পৰ্কে বক্তব্য আগবঢ়াই ভাৰতীয় জীৱন বীমা নিগমৰ জ্যেষ্ঠ প্ৰবন্ধক ৰাজীৱ বসুৱে নিগমৰ অধীনত আয়োজন কৰা নিয়োগৰ পৰীক্ষাসমূহৰ বিষয়ে ছাত্ৰ-ছাত্ৰীক অৱগত কৰি স্নাতক মহলাত অধ্যয়ন কৰি থকাৰ পৰাই কিদৰে এনে পৰীক্ষাৰ বাবে নিজক সাজু কৰিব লাগে তাৰ বিষয়ে আলোচনা কৰে। আন এজন সমল ব্যক্তি, ভাৰতীয় জীৱন বীমা নিগমৰ প্ৰবন্ধক ৰাজীৱ ভট্টাচাৰ্যই জীৱন বীমা নিগমৰ জৰিয়তে কিদৰে এজন ছাত্ৰই নিজে উপাৰ্জনক্ষম হ'ব পাৰে তাৰ বিষয়ে সকলোকে অৱগত কৰে। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে সমল ব্যক্তিসকলৰ লগত অন্তৰংগ আলাপেৰে অনুষ্ঠানটো জীপাল কৰি তোলে। অনুষ্ঠানত অসম শৈক্ষিক কেন্দ্ৰৰ সদস্য ড° শ্যামল প্ৰসাদ বৰুৱা, ড° বিষ্ণুপ্ৰসাদ শৰ্মা, ড° প্ৰদীপ তামোলী, ড° গিৰীন্দ্ৰ নাথ।

# ২০২৪ বৰ্ষৰ অসম লোকসেৱা আয়োগৰ পৰীক্ষাত উত্তীৰ্ণ বিষয়াসকলক মৰিগাঁও জিলা প্ৰশাসনৰ সম্বৰ্ধনা



**অসম বাৰ্তা, মৰিগাঁও, ২১ ফেব্ৰুৱাৰী ঃ** মৰিগাঁও জিলা প্ৰশাসনে আজি ২০২৪ বৰ্ষৰ অসম লোকসেৱা আয়োগৰ পৰীক্ষাত উত্তীৰ্ণ হৈ মৰিগাঁও জিলালৈ সুনাম কঢ়িয়াই অনা নৱনিযুক্ত বিষয়াসকলক সম্বৰ্ধনা জ্ঞাপন কৰে। এই উপলক্ষে জিলা আয়ুক্তৰ কাৰ্যালয় কক্ষত অনুষ্ঠিত এখন সভাত নৱনিযুক্ত বিষয়াসকলক জিলা প্ৰশাসনৰ তৰফৰ পৰা গামোচা আৰু উপহাৰ প্ৰদান কৰা হয়। জিলা আয়ুক্তগৰাকীয়ে সকলোকে দায়িত্বসহকাৰে কাম কৰি যাবলৈ আহ্বান জনাই কয় যে সমাজৰ বাবে কাম কৰিবলৈ এয়া এক সুন্দৰ সুযোগ। তেওঁ সকলোকে সেৱাৰ মানসিকতাৰে কাম কৰিবলৈ আহ্বান জনায়। তেওঁ কয় যে এগৰাকী অসামৰিক সেৱাৰ বিষয়া হিচাপে সদায় দলীয় মানসিকতাৰে কাম কৰিব লাগিব। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক এই সেৱাৰ প্ৰতি আকৰ্ষিত কৰাৰ বাবে উৎসাহিত কৰিবলৈ নৱনিযুক্ত বিষয়াসকলক আহ্বান জনায়। অনুষ্ঠানত জ্যেষ্ঠ আৰক্ষী অধীক্ষক প্ৰকাশ সোণোৱালে কয় যে এনে এটা পদত থাকি সমাজৰ বাবে সেৱা আগবঢ়োৱাৰ সুযোগ পোৱাটো সৌভাগ্যৰ কথা। তেওঁ কামৰ লগতে নিজৰ স্বাস্থ্যৰ প্ৰতিও চকু দিবলৈ আহ্বান জনায়। লগতে কামক সদায় প্ৰাধান্য দি আগবাঢ়ি যাবলৈ পৰামৰ্শ আগবঢ়ায়। সভাত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া অনন্ত কুমাৰ গগৈয়েও বিষয়াসকলৰ আগত অনুপ্ৰেৰণামূলক বক্তব্য আগবঢ়ায়। আজিৰ অনুষ্ঠানত জিলা উন্নয়ন আয়ুক্ত অৰ্পা বাগলাৰী, অতিৰিক্ত জিলা আয়ুক্ত অনসুয়া শৰ্মা, ৰাকেশ ডেকা আৰু নীতিশা বৰা আৰু জিলা প্ৰশাসনৰ বিষয়াসকল আৰু নৱনিযুক্ত বিষয়া ক্ৰমে অসম অসামৰিক সেৱাৰ বিষয়া প্ৰশান্ত নাথ, অসম বিত্ত সেৱাৰ বিষয়া মুনিন্দ্ৰ দেৱনাথ, কৰ পৰিদৰ্শক দয়াশ্ৰী মেধি আৰু দেৱ প্ৰসাদ পাচনী, উপ-পঞ্জীয়ক অমৰ দাস আৰু সহকাৰী গাণনিক বিষয়া নিতুমনি নাথ উপস্থিত আছিল।

■ চৰকাৰী কৰ্মচাৰী সকলে জাতীয় জীৱন, সমাজ জীৱনৰ বাবে আগবঢ়াই আহিছে প্ৰভূত বৰঙণি ■

# গোলাঘাট জিলা কৰ্মচাৰী পৰিষদৰ গাম্ভীৰ্যপূৰ্ণ শপতগ্ৰহণ অনুষ্ঠান সম্পন্ন

**ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ২১ ফেব্ৰুৱাৰী ঃ** "অসম আন্দোলনৰ পটভূমিত জন্ম লাভ কৰা সদৌ অসম কৰ্মচাৰী পৰিষদে অসমৰ জাতীয় জীৱন তথা সমাজ জীৱনলৈ প্ৰভুত বৰঙনি আগবঢ়াই আহিছে। চৰকাৰখন সুচাৰুৰূপে চলাত কৰ্মচাৰী সকলৰ ভূমিকা অপৰিসীম। গোলাঘাট জিলা কৰ্মচাৰী পৰিষদৰ নতুন সমিতিৰ গাম্ভীৰ্যপূৰ্ণ শপতগ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ কৰি জ্যেষ্ঠ সাংবাদিক, গোলাঘাট প্ৰেছ ক্লাবৰ কাৰ্যকৰী সভাপতি, অসম সাহিত্য সভাৰ কেন্দ্ৰীয় বিষয়ববীয়া দিগন্ত কুমাৰ ভূঞাই এনেদৰে মন্তব্য কৰে। কৰ্মচাৰী সকলৰ সা-সমস্যা সমাধান, সুৰক্ষা আদিৰ ক্ষেত্ৰত কাম কৰাৰ সমান্তৰালভাৱে সামাজিক ক্ষেত্ৰখনৰ উত্তৰণ আৰু নৱ-প্ৰজন্মক সুস্থ বাটেৰে আগবঢ়াই নিয়াৰ দিশত কৰ্মচাৰী পৰিষদক সৱল ভূমিকা আৰু দায়বদ্ধতা পালন কৰিবলৈ তেওঁ আহ্বান জনায়। গোলাঘাট নগৰৰ লোক নিৰ্মাণ বিভাগৰ সভাগৃহত দ্বিতীয় কাৰ্যকালৰ বাবে নৱ-নিৰ্বাচিত সভাপতি প্ৰসন্ন শৰ্মাৰ সভাপতিত্বত গোলাঘাট জিলা কৰ্মচাৰী পৰিষদৰ বিগত কাৰ্যকালৰ সম্পাদক প্ৰবীণ কুমাৰ গগৈয়ে আঁত ধৰা অনুষ্ঠানত সদৌ অসম কৰ্মচাৰী পৰিষদৰ কেন্দ্ৰীয় উপ-সভাপতি প্ৰদীপ ৰাজখোৱা বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি নৱ-নিৰ্বাচিত সভাপতি, সম্পাদক, যুটীয়া সম্পাদক, সাংগঠনিক সম্পাদক, সহকাৰী সম্পাদক, কাৰ্যনিৰ্বাহক সদস্য আদিক শপত বাক্য পাঠ কৰোৱায়। তেওঁ কৰ্মচাৰী পৰিষদৰ সাংগঠনিক দিশৰ ওপৰত বিস্তৃতভাৱে আলোকপাত কৰে। পৰিষদৰ নৱ-নিৰ্বাচিত সম্পাদক পৰাগ কাকতিয়ে কৰ্মপন্থা সন্দৰ্ভত বক্তব্য আগবঢ়ায়। অনুষ্ঠানত কৰ্মচাৰী পৰিষদৰ যোৰহাট জিলা সমিতিৰ প্ৰাক্তন সভাপতি জীৱকান্ত বৰা, প্ৰকৃতিপ্ৰেমী মৃদুল বৰা, জিলা সমিতিৰ প্ৰাক্তন সম্পাদক অজয় বৰা, নৱ-নিৰ্বাচিত উপ-সভাপতি চন্দ্ৰদীপ গগৈ, কিশোৰ শইকীয়া, বিশিষ্ট শিক্ষাবিদ মৃদুপৱন শৰ্মা বৰবৰা, সৌন্দৰ্য ভূঞা, ধ্ৰুৱজ্যোতি শইকীয়া, শিক্ষাবিদ প্ৰজ্ঞা সুন্দৰ হাজৰিকা, উপদেষ্টা অজয় বৰা, হৰিহৰ বৰা, ৰাজীৱ গগৈ, প্ৰফুল্ল শৰ্মা, যতীন শৰ্মা, মালা তামূলী আদি উপস্থিত থাকে। অনুষ্ঠানত পুৰণি সমিতিৰ পৰা নতুন সমিতিয়ে আনুষ্ঠানিক ভাৱে দায়িত্বভাৰ গ্ৰহণ কৰে।

# হাজোৰ বৰদধিত মেধাৱী ছাত্ৰীৰ আত্মহনন

**অসম বাৰ্তা, হাজো, ২১ ফেব্ৰুৱাৰী ঃ** হাজো আৰক্ষী থানাৰ অন্তৰ্গত বৰদধিত কালি সন্ধিয়া এগৰাকী মেধাৱী ছাত্ৰীয়ে নিজ ঘৰত আত্মহনন কৰা এক অবাঞ্চিত ঘটনাই অঞ্চলটোত শোকৰ ছাঁ পেলাইছে। আত্মহননৰ পথ বাছি লোৱা মেধাৱী ছাত্ৰী গৰাকী হ'ল বৰদধিৰ ৰিংকু কলিতাৰ কন্যা তথা হাজো পঞ্চতীৰ্থ শিশু শংকৰদেৱ বিদ্যা নিকেতনৰ(হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ্থী) ছাত্ৰী হৰ্তিকা কলিতা(১৫)। ঘটনা সন্দৰ্ভত জানিব পৰা মতে এই বেলি হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ পৰীক্ষাৰ্থী হৰ্তিকাই কালি গণিতৰ পৰীক্ষা দি ঘৰলৈ আহে। সন্ধিয়া হৰ্তিকাক ঘৰত অকলে থৈ পিতৃ-মাতৃ ওচৰতে বিয়া খাবলৈ গৈছিল। কিন্তু নিশা বিয়াৰ পৰা উভতি আহি মাতৃয়ে ঘৰৰ ভিতৰত প্ৰৱেশ কৰি ঘৰৰ ভিতৰত হৰ্তিকাই চিলিং ফেনত চিপ লৈ থকা প্ৰত্যক্ষ কৰি হুৱা দুৱা লাগে। ততালিকে হৰ্তিকাক চিকিৎসালয়লৈ নিয়ে যদিও ইতিমধ্যে ছাত্ৰী গৰাকীৰ মৃত্যু হোৱা বুলি ঘোষণা কৰে চিকিৎসকে। জানিব পৰা মতে হৰ্তিকাই মৃত্যুৰ পূৰ্বে "মা-দেউতা মোক ক্ষমা কৰিবা, মই তোমালোকৰ আশা পূৰণ কৰিব নোৱাৰিলো" বুলি এখন চুইচাইড নোট লিখি থৈ যোৱা বুলি আৰক্ষীয়ে জানিব দিছে। উল্লেখ্য যে অতি মেধাৱী ছাত্ৰী গৰাকীয়ে গণিতৰ পৰীক্ষা আশা কৰা ধৰণে লিখিব নোৱাৰাৰ বাবেই আত্মহননৰ পথ বাছি লোৱা বুলি সন্দেহ কৰিছে ওচৰ চুবুৰীয়াৰ লগতে পৰিয়ালে। আজি হাজো আৰক্ষীয়ে মেধাৱী ছাত্ৰী গৰাকীৰ নশ্বৰ দেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে জি এম চি এইচলৈ প্ৰেৰণ কৰে।

# তেজপুৰৰ বিধায়ক পৃথ্বীৰাজ ৰাভাৰ তেজপুৰত কৃষি বিভাগৰ দুদিনীয়াকৈ কৃষক মেলা ও প্ৰদৰ্শনী

**অসম বাৰ্তা, তেজপুৰ সদৰ, ২১ ফেব্ৰুৱাৰী ঃ** শোণিতপুৰ জিলা কৃষি বিভাগৰ সৌজন্যত আৰু কৃষি প্ৰযুক্তি ব্যৱস্থাপনা সংস্থা আত্মাৰ উদ্যোগত তেজপুৰ মাজগাওঁস্থিত যুটীয়া কৃষি সঞ্চালকৰ (উত্তৰ সংমণ্ডল) কাৰ্য্যালয় প্ৰাংগণত দুদিনীয়াকৈ আৰম্ভ হোৱা 'কৃষক মেলা'ও প্ৰদৰ্শনীৰ শুভাৰম্ভণী কৰিলে তেজপুৰ বিধানসভা সমষ্টিৰ বিধায়ক পৃথ্বীৰাজ ৰাভাই। 'কৃষকৰ উন্নতিয়েই দেশৰ প্ৰগতি' এই নীতিকেই সাৰোগত কৰি জিলাখনৰ কৃষকসকলৰ উৎপাদিত সামগ্ৰীৰ প্ৰদৰ্শনী আৰু বিক্ৰীৰ ব্যৱস্থা কৰা শুকুৰবাৰৰ পৰা আৰম্ভ হোৱা এই কৃষক মেলাখনত জিলা কৃষি বিষয়া নৰেন চন্দ্ৰ শৰ্মা, মহকুমা কৃষি বিষয়া ড° জাকিৰ হুছেইন, ড° ধীৰেন শৰ্মা, ড° খনিন্দ্ৰ ৰত্ন বৰ্মন, অঞ্জন বৰুৱা, অঞ্জুমণি ভাগৱতী, কৃষি বিজ্ঞান কেন্দ্ৰ শোণিতপুৰৰ মুৰব্বী ড° অংগনা শৰ্মা, মীন বিভাগ, পশুপালন, এ এচ আৰ এল এম, কৃষি অভিযান্ত্ৰিক বিভাগৰ লগতে কৃষি উন্নয়ন বিষয়াসকল, আত্মা আৰু বিভাগৰ অন্যান্য বিষয়া কৰ্মচাৰীসকল উপস্থিত থাকে। জিলাখনৰ কৃষকসকলৰ বাবে বৃহৎ মঞ্চ হিচাপে পৰিগণিত হোৱা মেলাখনে সামৰি লৈছে কৃষি উদ্যান শস্যৰ প্ৰদৰ্শনী, কাৰিকৰী বিষয় সম্পৰ্কীয় আলোচনা-চক্ৰ, কৃষকৰ প্ৰশিক্ষণ অনুষ্ঠান। এই মেলাতে কৃষকসকলে তেওঁলোকৰ উৎপাদিত সামগ্ৰী বিক্ৰীৰ বাবে এক মঞ্চ দিয়াৰ উদ্দেশ্যে পতঞ্জলি, ডাবৰ আৰু জিলাখনত থকা অন্যান্য ক্ৰেতা সকলক নিমন্ত্ৰণ কৰি এখন ক্ৰেতা বিক্ৰেতা সন্মিলনো অনুষ্ঠিত হয়। শনিবাৰে ৰাষ্ট্ৰীয় ভোজ্য তেল অভিযান — তৈল পাম আৰু



ৰাষ্ট্ৰীয় ভোজ্য তেল অভিযান-তৈল বীজ সম্পৰ্কে কৃষকসকলক প্ৰশিক্ষণ প্ৰদান কৰে কৃষি বিজ্ঞান কেন্দ্ৰৰ এচ এম এচনমিতা দত্ত, সমল ব্যক্তি দিপাংকৰ বাৰিকে। অনুষ্ঠানতে জিলাখনৰ নিৰ্বাচিত কৃষকৰ ভিতৰত বিহগুৰী উন্নয়ন খণ্ডৰ অনুপম নাথ, ঢেকিয়াজুলিৰ মনোজ কুমাৰ দাস, গাভৰু উন্নয়ন খণ্ডৰ প্ৰৱন জ্যোতি বৰা, নদুৱাৰৰ মৃদুল বৰুৱা, বালিপৰাৰ ৰমেচ কৈৰি, ৰঙাপৰাৰ উপেন কোচ আৰু বৰচলা উন্নয়ন খণ্ডৰ ৰেকিবুদ্দিন আহমেদৰ আদৰ্শ কৃষক হিচাপে সন্মান জনোৱা হয়, লগতে প্ৰদৰ্শনীত অংশগ্ৰহণ কৰা প্ৰায় ৪০ গৰাকী কৃষকক বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

বিনামূলীয়া চছমা বিতৰণ; ছানি পৰা ৰোগীক বিনামূলীয়া অপাৰেশ্যনৰ ব্যৱস্থা

# নামনি মাজুলীত তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ উদ্যোগত বিনামূলীয়া মেগা চকু পৰীক্ষা চিকিৎসা শিবিৰ

**অসম বাৰ্তা, উজনী মাজুলী, ২১ ফেব্ৰুৱাৰী ঃ** "তেল আৰু প্ৰাকৃতিক গেছ আয়োগ"-যোৰহাটৰ উদ্যোগত, যোৰহাট লাইন্স ক্লাব আৰু দিল্লীৰ "অনুগ্ৰহ দৃষ্টিদান"ৰ সহযোগত আজি নামনি মাজুলীৰ মহৰিচুক জনজাতি উচ্চ মাধ্যমিক বিদ্যালয়ত বিনামূলীয়া চকু পৰীক্ষা চিকিৎসা শিবিৰ অনুষ্ঠিত হয়। অন্ধতা দূৰীকৰণ ক্ষেত্ৰত অ'এন জি চি- যোৰহাটৰ সামাজিক দায়বদ্ধতা আঁচনিৰ ব্যাপক কাৰ্যসূচীৰ অংশ হিচাপে আজি আয়োজন কৰা উক্ত মেগা বিনামূলীয়া চকু পৰীক্ষা শিবিৰ মাজুলীৰ উত্তৰ কমলাবাৰী সত্ৰৰ স্বাস্থ্য সেৱা কেন্দ্ৰৰ প্ৰত্যক্ষ সহযোগত অনুষ্ঠিত হয়। আজি অনুষ্ঠিত হোৱা উক্ত চকু পৰীক্ষা শিবিৰত তিনি শতাধিক ৰোগীৰ চকু পৰীক্ষা কৰা হয়। তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ অনুসূচিত জনজাতি আৰু অনুসূচিত জাতি বাৰ্ষিক সেৱা প্লেন -২০২৫-২০২৬ৰ অধীনত সৰ্বভাৰতীয় এছ চি আৰু এছ টি কৰ্মচাৰী কল্যাণ সন্থাই উক্ত চকুৰ বিনামূলীয়া চিকিৎসা শিবিৰ আয়োজন কৰা হয়। কৰিছে। আজি পুৱা ৯.৩০ বজাৰ পৰা আৰম্ভ উক্ত চিকিৎসা শিবিৰ উদ্বোধন কৰে তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ সৰ্বভাৰতীয় এছ টি আৰু এছ চি কৰ্মচাৰী সন্থাৰ যোৰহাট মণ্ডলৰ সম্পাদক অৰূপজ্যোতি দলেয়ে। উক্ত চিকিৎসা শিবিৰ উদ্বোধনী অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে কৰ্মচাৰী সন্থাৰ উপাধ্যক্ষ ছনী সিং নিপুণ, দিল্লীৰ "অনুগ্ৰহ দৃষ্টি দান" সংস্থাৰ প্ৰগাম মেনেজাৰ সঞ্জয় অটৱাল, যোৰহাট লাইন্স ক্লাবৰ সহকাৰী পৰিচালক ৰাজীৱ সিং, প্ৰাংকু ছাকমা, মনোজ ফুকন, দেৱজিৎ গগৈ, উত্তৰ কমলাবাৰী সত্ৰৰ স্বাস্থ্য সেৱা কেন্দ্ৰৰ দীপক বৰা উপস্থিত থাকি শিবিৰৰ তদাৰক কৰে। শিবিৰত বিনামূলীয়া চকু পৰীক্ষা কৰাৰ লগতে বিনামূলীয়াকৈ ঔষধ বিতৰণ কৰা হয় আৰু চছমাৰ প্ৰয়োজন হোৱা ৰোগীক বিনামূলীয়াকৈ চছমা বিতৰণ কৰা হয়। উক্ত, শিবিৰত চকুত ছানি পৰা অৰ্ধশতাধিক ৰোগীক চিনাক্ত কৰা হয়। উক্ত, ছানি পৰা ৰোগীসকলক বিনামূলীয়াকৈ অষ্ট্ৰোপ্ৰচাৰ কৰিবলৈ অহা ২৩ ফেব্ৰুৱাৰীত নামনি মাজুলীৰ মহৰিচুকৰ পৰা তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ জৰিয়তে, দিল্লীৰ "অনুগ্ৰহ দৃষ্টিদান"ৰ সহযোগত যোৰহাট লাইন্স ক্লাবলৈ লৈ যোৱা হ'ব। উক্ত ৰোগীসকলক যোৰহাটলৈ নি থকা, খোৱা, যাতায়াত সকলো বিনামূলীয়াকৈ প্ৰদান কৰাৰ লগতে সম্পূৰ্ণ বিনামূলীয়া অষ্ট্ৰোপ্ৰচাৰ কৰা হ'ব। অষ্ট্ৰোপচাৰৰ পাছত তেওঁলোকক নিজৰ ঘৰে ঘৰে থোৱাৰো ব্যৱস্থা কৰা হ'ব বুলি আজি অনুগ্ৰহ দৃষ্টিদানৰ প্ৰগাম মেনেজাৰ সঞ্জয় অটৱাল আৰু অ এন জি চিৰ যোৰহাট সংমণ্ডলৰ এচ টি, এছ চি কৰ্মচাৰী কল্যাণ সন্থাৰ সম্পাদক অৰূপজ্যোতি দলেয়ে জানিবলৈ দিছে। উক্ত দুয়োটা সন্থাই মাজুলীত বিনামূলীয়া চকু পৰীক্ষা শিবিৰ অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱ গোস্বামীৰ সহযোগিতাক প্ৰশংসা কৰে। নামনি মাজুলীৰ উক্ত, বিনামূলীয়া চকু পৰীক্ষা শিবিৰত তিনি শতাধিক চকুৰ ৰোগীক বিনামূলীয়া পৰীক্ষা কৰা হয় আৰু ঔষধ, চছমা বিতৰণ কৰে। নামনি মাজুলীৰ স্থানীয় ৰাইজে আজি উক্ত চিকিৎসা সেৱা লাভ কৰি যোৰহাটৰ তেল আৰু প্ৰাকৃতিক গেছ আয়োগ, দিল্লীৰ অনুগ্ৰহ দৃষ্টিদান আৰু যোৰহাট লাইন্স ক্লাৱক ধন্যবাদ জ্ঞাপন কৰে।

উদণ্ড যুৱকৰ শ্ৰেণী কোঠাত দুই ছাত্ৰীক প্ৰহাৰ

# অভয়াপুৰী গণেশপুৰ মধ্য ইংৰাজী বিদ্যায়ত অঘটন

**অসম বাৰ্তা, লেংটিছিঙা, ২১ ফেব্ৰুৱাৰী ঃ** বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম শিক্ষা খণ্ডৰ অন্তৰ্গত গণেশপুৰ মধ্য ইংৰাজী বিদ্যালয়ৰ অষ্টম শ্ৰেণীৰ দুজনী ছাত্ৰীক লালমাটি গাঁৱৰ মোস্তাফিজুৰ ৰহমান (মৃদুল) নামৰ উদণ্ড যুৱকে বিদ্যালয় খনৰ অষ্টম শ্ৰেণীত পাঠদান চলি থকা অৱস্থাত শ্ৰেণী কোঠাত প্ৰৱেশ কৰি নিৰ্মম প্ৰহাৰ কৰা ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। প্ৰাপ্ত অভিযোগ মতে গণেশপুৰ বজাৰস্থিত গণেশপুৰ মধ্য ইংৰাজী বিদ্যায়ৰ কাষত থকা এখন দোকানত বহি উদণ্ড মোস্তাফিজুৰ ৰহমানে উক্ত ছাত্ৰী দুজনীক সদায় অশ্লীল ইংগিত দিয়াৰ উপৰি ফটো তুলি মানসিকভাৱে অত্যাচাৰ চলাই ছিল। আজিও পুৱাৰ ভাগত মোস্তাফিজুৰ ৰহমানে ছাত্ৰী দুজনী বিদ্যালয়ত অহাৰ লগে লগে পূৰ্বৰ দৰে আকৌ অশ্লীল ইংগিত দিয়াৰ উপৰি ফটো তুলি মানসিকভাৱে অত্যাচাৰ চলায়। অৱশেষত ছাত্ৰী দুজনীয়ে অতিষ্ঠ হৈ ওচৰত থকা উদণ্ড মোস্তাফিজুৰ ৰহমানৰ পৰিয়ালক অভিযোগ কৰে। অভিযোগৰ এই ঘটনাত খৰ্গহস্ত হৈ উদণ্ড মোস্তাফিজুৰ ৰহমানে শ্ৰেণী কোঠাত পাঠদান চলি থকা অৱস্থাত অনাধিকৰ প্ৰৱেশ কৰি কণমানি ছাত্ৰী দুজনীক উপৰ্যুপৰি প্ৰহাৰ কৰে। লগে-লগে বিদ্যালয়খনৰ শিক্ষক আৰু স্থানীয় ৰাইজে উদণ্ড মোস্তাফিজুৰ ৰহমানক আটক কৰি আৰক্ষীক খবৰ দিয়ে। পাছত আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ উদণ্ড মোস্তাফিজুক আটক কৰি থানাত লৈ যায়। স্থানীয় ৰাইজ অভিযোগ কৰা মতে উক্ত উদণ্ড মোস্তাফিজুৰে অঞ্চলটোত বিভিন্ন অসামাজিক কামৰ লগত জড়িত থকাৰ উপৰিও সদায় স্কুলীয়া কণকণ ছাত্ৰীসকলক উৎপীড়ন চলাই অহাৰ অভিযোগ দীৰ্ঘদিনীয়া। এই ক্ষেত্ৰত স্থানীয় ৰাইজে প্ৰশাসনক ঘটনাটো তদন্ত কৰি বিহিত ব্যৱস্থা লোৱাৰ দাবী জনাইছে।

# মাজুলী জিলা সাহিত্য সভাৰ উদ্যোগত আন্তঃৰাষ্ট্ৰীয় মাতৃভাষা দিৱস উদ্‌যাপন

**অসম বাৰ্তা, উজনী মাজুলী, ২১ ফেব্ৰুৱাৰী ঃ** অসমৰ বৃহত্তৰ জাতীয় অনুষ্ঠান অসম সাহিত্য সভাৰ অন্তৰ্গত মাজুলী জিলা সাহিত্য সভাৰ উদ্যোগত আজি আন্তঃৰাষ্ট্ৰীয় মাতৃভাষা দিৱস উদযাপন কৰা হয়। প্ৰত্যেক মানুহৰে একোটা ভাষা থাকে। সেই ভাষাৰ যোগেদি নিজৰ ভাববিনিময় কৰা হয়। ভাষাৰ শুদ্ধ ব্যৱহাৰ যোগেদি ভাষাৰ উত্তোৰণ ঘটাব পাৰি। প্ৰতিটো ভাষাৰ উন্নতিৰ বাবে সমগ্ৰ বিশ্বৰ সকলো ভাষাক ভালপোৱা আৰু উন্নতি সাধন কৰাৰ বাবে মাতৃভাষা দিৱস পালনৰ ব্যৱস্থা কৰা হৈছে আৰু সেই অনুক্ৰমে মাজুলী জিলা সাহিত্য সভা এই দিৱসটি উদ্‌যাপনৰ ব্যৱস্থাৰে জিলা সাহিত্য সভাৰ অস্থায়ী কাৰ্যালয়ত অনুষ্ঠিত কৰা হয় এলানি বক্তৃতানুষঠানৰ। অনুষ্ঠানৰ আৰম্ভণিতে উত্তৰ কমলাবাৰী শাখা সাহিত্য সভাৰ সভাপতি অনুপ্ৰভাদেৱীয়ে এগছি বন্তিপ্ৰজ্বলন কৰে। ইয়াৰ পিচতে অসম সাহিত্য সভাৰ শীৰ্ষগীত 'চিৰচেনেহী মোৰ ভাষা জননী' উপস্থিত সকলোৰে পৰিবেসন কৰি ভাষাৰ প্ৰতি সন্মান জনোৱা হয়। মাজুলী জিলা সাহিত্য সভাৰ সভাপতি প্ৰফুল্ল বৰুৱাৰ পোৰহিত্যত অনুষ্ঠিত বক্তৃতানুষ্ঠানত সমলব্যক্তি হিচাপে অৱসৰি শিক্ষক দধি বৰুৱা আৰু শিক্ষক কুমুদ বৰাই ভাষা দিৱসৰ তাৎপৰ্য আৰু ব্যৱহাৰিক দিশত ভাষাৰ শুদ্ধ ব্যৱহাৰ প্ৰসংগত ব্যাখ্যা দাঙি ধৰে। প্ৰসংগৰ লগত সংগতি ৰাখি সংগীত নাটক একাডেমিৰ বটা প্ৰাপক বৈষ্ণৱ শিল্পী শিক্ষাবিদ কৰুণা বৰা লেখক সাহিত্যিক গুণমনি নাথে ইউনেস্কই গ্ৰহণ কৰা সিদ্ধান্তৰ ভিত্তিত ২০০০ চনৰ ২১ ফেব্ৰুৱাৰীৰ পাৰ প্ৰতিটো ভাষাৰ লোকে আন্তঃৰাষ্ট্ৰীয় মাতৃ ভাষা দিৱস হিছাপে পালনকৰি আহিছে বুলি বিতংকৈ বিশ্লেষণ কৰে। অসম সাহিত্য সভাৰ সাংগঠনিক সম্পাদক ৰামসাগৰ নাথে ভাষাবিকাশৰ দিশত বক্তব্য ৰাখি শিশু অৱস্থাৰ পৰাই মাতৃভাষাৰ জ্ঞান প্ৰদানৰ আহ্বান জনায়। অনুষ্ঠানটিত শিশুমহিয়ান লোহিত বৰা গড়মূৰ শাখা সাহিত্য সভাৰ সভাপতি কাজল দত্ত ৰামধনু স্বৰ্ণশাখা কমলাবাৰীৰ সভাপতি ডিম্বেশ্বৰ দত্ত জিলাৰ উপসভাপতি খগেন হাজৰিকা কৃষ্ণাৰানী বৰুৱা প্ৰমুখ্যে ব্যক্তি সকলে অংশগ্ৰহণ কৰা অনুষ্ঠানটি আটধৰে জিলা সাহিত্য সভাৰ সম্পাদক সঞ্জীৱ বৰাই।

# বাহনা মহাবিদ্যালয়ত আৰ্ন্তজাতিক মাতৃভাষা দিৱস পালন

**অসম বাৰ্তা, নিমাতীঘাট, ২১ ফেব্ৰুৱাৰী ঃ** বাহনা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আজি ২৬ সংখ্যক আৰ্ন্তজাতিক মাতৃভাষা দিৱস পালন কৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° চুম্বিত চলিহাই দিৱসৰ সভা উদ্বোধন কৰি আৰ্ন্তজাতিক মাতৃভাষা দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰাৰ লগতে মাতৃভাষাৰ উপৰি সকলো ভাষাৰ প্ৰতি শ্ৰদ্ধাশীল হ'বলৈ আহ্বান জনায়। মহাবিদ্যালয়ৰ উপাধ্যক্ষা ড° পৰিণীতা বৰাই সভাত দৈনন্দিন কাৰ্যাৱলীত মাতৃভাষাৰ গুৰুত্ব আৰু ছাত্ৰ-ছাত্ৰীৰ সৃষ্টিশীল চিন্তাৰ মাধ্যমেৰে মাতৃভাষা চৰ্চা সম্পৰ্কে বক্তব্য প্ৰদান কৰে। দিৱসৰ সভাত নিৰ্দিষ্ট বক্তা ৰূপে অসমীয়া বিভাগৰ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ আৰু বৰ্তমান গোলাঘাটৰ শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ প্ৰবক্তা মনজিৎ শইকীয়াই মাতৃভাষাৰ প্ৰাসংগিকতা, প্ৰয়োজনীয়তা আৰু উন্নতি সাধনৰ মাধ্যমেৰে জগত সভাত কেনেদৰে প্ৰতিষ্ঠা আৰু উন্নীত কৰিব পাৰি সেই বিষয়ে আলোকপাত কৰে। অসমীয়া বিভাগৰ মুৰব্বী ড° মধুস্মৃতা বৰুৱা চাংকাকতিয়ে আদৰণি জনোৱাৰ লগতে দিৱস পালনৰ উদ্দেশ্য সম্পৰ্কে ব্যাখ্যা কৰে। মহাবিদ্যালয়ৰ কুইজ ফ'ৰামৰ সহযোগত অসমীয়া বিভাগে অনুষ্ঠিত কৰা আন্তঃমহাবিদ্যালয় কুইজ প্ৰতিযোগিতাৰ বিজয়ীসকলক অনুষ্ঠানত বঁটা প্ৰদান কৰা হয়। সভাত উপাসনা দত্ত, মৌমিতা সভাপণ্ডিত, বৰ্ণালী নেওগ, কংকনা দেৱী সম্পাদিত তিনিখন হাতেলিখা আলোচনী সূৰযমুখী, উত্তৰণ আৰু জ্ঞানমৰ দ্বিতীয় সংখ্যা উন্মোচন কৰে। সভাত বাহনা মহাবিদ্যালয়ৰ আভ্যন্তৰীণ গুণমান নিশ্চিতকৰণ কোষৰ সমন্বয়ক ড° পঙ্কজ বৰা, অধ্যাপক অজিত কুমাৰ বৰা, ড° অমৰ জ্যোতি ভৰালী, ড° সৰলা দাস, ড° মৃদুস্মিতা বৰা, ড° মুনমি বৰা, অধ্যাপিকা স্বৰূপা ভট্টাচাৰ্য, ড° পূজামণি বৰুৱা, ড° ডিম্পল পাঠক, ড° দীপশিখা দিহিঙ্গীয়া প্ৰমুখ্যে অধ্যাপক-অধ্যাপিকা সকল উপস্থিত থাকে।

## সম্পাদকীয়

# ৰাজনীতিৰ নামত শৃংখলাহীনতা নে গণতন্ত্ৰৰ অগ্নিপৰীক্ষা ?

শনিবাৰে ৰাজীৱ ভৱনৰ সন্মুখত দেখা দিয়া উত্তপ্ত পৰিস্থিতিয়ে আমাৰ ৰাজনৈতিক সংস্কৃতিৰ এখন জৰ্জৰিত ছবিখন দেখুৱালে। দিল্লীৰ এখন আন্তঃৰাষ্ট্ৰীয় সন্মিলনত যুৱ কংগ্ৰেছে কৰা প্ৰতিবাদৰ প্ৰতিক্ৰিয়া স্বৰূপে গুৱাহাটীৰ ৰাজপথত বিজেপি আৰু কংগ্ৰেছে চলোৱা প্ৰতিবাদে সৃষ্টি কৰে এক ভয়াৱহ পৰিৱেশ। ঘটনাক্ৰমে বিজেপি যুৱ মৰ্চাৰ কৰ্মীয়ে ৰাহুল গান্ধীৰ বিৰুদ্ধে শ্লোগান দি কংগ্ৰেছৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। তাৰ প্ৰতিবাদত কংগ্ৰেছ কৰ্মীসকল ওলাই আহে, আৰু পৰিস্থিতি লাঠিচাৰ্জ পৰ্যন্তলৈ আগবাঢ়ে।

এতিয়া প্ৰশ্ন হৈছে, এই ঘটনাই আমাক ক'লৈ নিয়ে? এজন সাধাৰণ নাগৰিকৰ মনত কেইবাটাও প্ৰশ্নই দেখা দিছে। প্ৰথম প্ৰশ্নটো হৈছে- ৰাজনৈতিক দলসমূহে এটাই আন এটাৰ প্ৰতিবাদৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ ৰাজপথত অৱতীৰ্ণ হোৱাটো কিমান যুক্তিসংগত? দিল্লীৰ AI সন্মিলনত যুৱ কংগ্ৰেছে কৰা প্ৰতিবাদটো সঠিক নে ভুল, সেয়া পৃথক বিতৰ্কৰ বিষয়। কিন্তু তাৰ প্ৰতিবাদ কৰিবলৈ গৈ অসমৰ ৰাজপথত একে ধৰণৰ হিংসাত্মক প্ৰতিক্ৰিয়া দেখুওৱাটোৱে দেশৰ ৰাজনৈতিক পৰিমণ্ডল কিমান অস্বাস্থ্যকৰ হৈ পৰিছে, তাৰেই পৰিচয় দিয়ে। বিজেপি কৰ্মীসকলে প্ৰতিবাদৰ নামত কংগ্ৰেছৰ প্ৰচাৰ বাহনত ক'লা ৰং সনা, প'ষ্টাৰ জ্বলোৱা- এইবোৰ প্ৰতিবাদ নে ধ্বংসাত্মক কাৰ্যকলাপ?

দ্বিতীয়টো প্ৰশ্ন আৰক্ষীৰ ভূমিকা লৈ। কংগ্ৰেছে দাবী কৰিছে যে, বিজেপিৰ প্ৰতিবাদকাৰীসকলৰ বিৰুদ্ধে আৰক্ষী নীৰৱ আছিল, কিন্তু কংগ্ৰেছ কৰ্মী ওলাই অহা মাত্ৰকে তেওঁলোকৰ ওপৰত লাঠি চাৰ্জ চলাই অত্যাচাৰ চলোৱা হৈছে। যদি এই অভিযোগ সঁচা হয়, তেন্তে আইন-শৃংখলা ৰক্ষাকাৰী বাহিনী নিৰপেক্ষ ভূমিকা পালন কৰাত কেনেকৈ ব্যৰ্থ হ'ল? ৰাজ্যত বিধানসভা নিৰ্বাচনৰ মুহূৰ্ত ওচৰ চাপি অহাৰ সময়ত এনে পক্ষপাতিত্বমূলক আচৰণে ৰাজনৈতিক দলসমূহৰ মাজত অৱিশ্বাসৰ জন্ম দিয়াৰ লগতে সাধাৰণ ৰাইজৰ মাজত শাসকীয় দলৰ বিৰুদ্ধে ক্ষোভৰ সৃষ্টি কৰিব পাৰে।

তৃতীয় প্ৰশ্নটো হৈছে- এই উত্তপ্ত ৰাজনীতিৰ বলি কোন হৈছে? একাংশ ৰাজনৈতিক নেতা-কৰ্মীয়ে এনে কাণ্ডক নিজৰ 'কৰ্তব্য' বুলি ভাবিব পাৰে, কিন্তু ৰাজপথত জ্বলি থকা প'ষ্টাৰ আৰু আঘাতপ্ৰাপ্ত কৰ্মীসকলৰ পৰিয়ালৰ মানসিক শান্তি ক'ত? ইফালে, এই ঘটনাৰ ফলত ব্যৱসায়-বাণিজ্যত ব্যাঘাত ঘটে, শিক্ষানুষ্ঠানত অস্থিৰতা নামে, আৰু এটা অংশই ইয়াৰ সুযোগ লৈ অৰাজক পৰিস্থিতি সৃষ্টি কৰিবলৈ উদ্যত হয়।

চতুৰ্থতে, এই ঘটনাই অসমৰ ৰাজনৈতিক মেৰুকৰণ কিমান তীব্ৰ হৈ পৰিছে, তাক পুনৰ সোঁৱৰাই দিয়ে। ২০২৬ৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে দুয়োটা দলেই নিজৰ আধিপত্য প্ৰতিষ্ঠাৰ বাবে ৰাজপথক ক্ষেত্ৰ হিচাপে ব্যৱহাৰ কৰা দেখা গৈছে। কংগ্ৰেছৰ যুৱ শক্তিৰ এটা অংশই AI সন্মিলনত যি কৰিছিল, সেয়া সঠিক নে অন্যায়— এই বিতৰ্কত সোমোৱাৰ প্ৰয়োজন নাই। কিন্তু অসমত তাৰ উত্তপ্ত প্ৰতিক্ৰিয়া দেখুৱাই আঞ্চলিক শান্তি ভংগ কৰাটো কিমান যুক্তিযুক্ত?

শেষ প্ৰশ্নটো আমাৰ সকলোৰে বাবে যে আমি ক'লৈ আগবাঢ়ি গৈ আছো? দিল্লীৰ এখন সন্মিলনৰ ঘটনাই গুৱাহাটীৰ ৰাজপথ জ্বলাই দিয়া দেখা গ'ল। অসমৰ লোকসকলে বিচাৰে উন্নয়ন, শিক্ষা, চাকৰি, আৰু শান্তি। কিন্তু ৰাজনৈতিক দলসমূহে ইজন সিজনক অপদস্থ কৰাতহে বেছি সময় খৰচ কৰা যেন লাগিছে। নাগৰিক হিচাপে আমাৰ দাবী স্পষ্ট - ৰাজনীতি হওক গঠনমূলক, বিধ্বংসী নহয়। প্ৰতিবাদৰ অধিকাৰ সাংবিধানিকভাৱে সন্মত, কিন্তু সেই অধিকাৰ যাতে শান্তিপূৰ্ণ, আইন সন্মতভাৱে প্ৰয়োগ হয়, তাৰ দায়িত্ব ৰাজনৈতিক দল আৰু প্ৰশাসন উভয়ৰে।

আশা কৰোঁ, ৰাজীৱ ভৱনৰ এই ঘটনা আৰক্ষীয়ে নিষ্পক্ষভাৱে তদন্ত কৰি দোষীক শাস্তি দিব। ৰাজনৈতিক নেতৃত্বই উপলব্ধি কৰক যে জনসাধাৰণে হিংসা নহয়, উন্নয়নহে কামনা কৰে। নহ'লে অহা নিৰ্বাচনত এই উত্তপ্ত ৰাজনীতিয়ে নিৰ্বাচনী পৰাজয়ৰ ইংগিতহে দিব পাৰে।

"মাতৃভাষাৰ সংকট আৰম্ভ হ'লেই একোটা জাতিৰ জাতীয় জীৱনলৈ গভীৰ অন্ধকাৰ নামি আহে। সেয়েহে সকলো শ্ৰেণীৰ লোকৰ বাবে ভাষিক চেতনাৰ প্ৰয়োজন অপৰিসীম। আজি আইৰ মুখৰ ভাষা (মাতৃভাষা) সংকটৰ গৰাহত। সেয়ে অন্যান্য অনুষ্ঠান আদিৰ লগতে নৱ প্ৰজন্মও মাতৃভাষাৰ এই সংকটৰ সময়ত বিশেষ তৎপৰ হোৱাটো সময়ৰ আহ্বান। অসমীয়া ভাষা যুৱপ্ৰজন্মৰ হাতত সুৰক্ষিত হয়নে বা হ'বনে নাই বা ই কিমান দূৰ সুৰক্ষিত ই সচেতন মহলৰ বাবে এক ডাঙৰ তথা জটিল প্ৰশ্ন। অসমীয়া ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ দায়িত্ব কেৱল সাহিত্য সভা, সাহিত্যিক-বুদ্ধিজীৱী নতুবা চৰকাৰৰ হাতত বুলি ভাবিলে ভুল কৰা হ'ব। মাতৃভাষাৰ সুৰক্ষা তথা ৰক্ষণাবেক্ষণৰ দায়িত্ব আমাৰ সকলোৰে। সেয়ে যুৱ প্ৰজন্মক এই বিষয়ত জড়িত কৰিবলৈ তথা জড়িত হ'বলৈ সুযোগ আৰু পৰিৱেশ দিয়া উচিত।"

# অসমীয়া ভাষাৰ ভৱিষ্যত আৰু যুৱপ্ৰজন্ম

এটা ভাষা হৈছে জাতিৰ ঐতিহ্য বা দাপোন। যিকোনো এটা ভাষাই এটা জাতিৰ কৃষ্টি-সংস্কৃতি আৰু ঐতিহ্যৰ বাহক হিচাপে কাম কৰে। ভাষিক চিনাকিয়ে হৈছে এটা জাতিৰ প্ৰকৃত পৰিচয়। ভাষাই বাহকৰ দায়িত্ব বা ভূমিকা পালনেৰে বহু কাৰ্য সাধিত কৰে। ভাষাৰ যি সন্মিলিত শক্তি সেই শক্তি যিমানে শক্তিশালী হ'ব ভাষাৰ স্থায়িত্বও সিমানে দৃঢ় আৰু মজবুত হয়।

পৃথিৱীৰ বৃহত্তম ভাষাগোষ্ঠী ইন্দো-ইউৰোপীয় ভাষা পৰিয়ালৰ বিভিন্ন পৰিৱৰ্তনৰ ফলস্বৰূপে খ্ৰীষ্টীয় দশম-একাদশ শতিকাতে অসমীয়া ভাষাৰ জন্ম হৈছিল। উল্লেখ্য যে ১৮৭২ চনতে অসমীয়া ভাষা অসমৰ চৰকাৰী ভাষা হিচাপে স্বীকৃতি লাভ কৰিবলৈ। অসমীয়া ভাষা অসমৰ উত্তৰ-পূব প্ৰান্তৰ এটা অতি শক্তিশালী ভাষা হিচাপেও পৰিচিত। উত্তৰ পূৰ্বাঞ্চলৰ এক সংযোগী ভাষা হিচাপেও অসমীয়া ভাষাৰ আন এক সু-পৰিচয় আছে। অসমৰ ৰাজ্যিক ভাষা হিচাপে স্বীকৃতি প্ৰাপ্ত অসমীয়া ভাষাৰ আছে এক গৌৰৱোজ্জ্বল ইতিহাস। কিন্তু দুখৰ বিষয় এয়ে যে এনে এটি চহকী ভাষাও আজি সংকটৰ গৰাহত। বিভিন্ন ঘাট-প্ৰতিঘাত নেওচি, বিভিন্ন প্ৰত্যাহ্বান নেওঁচি অসমীয়া ভাষাটো বৰ্তি আছিল। কিন্তু আজি সেই ভাষাটোৰ স্থায়িত্বৰ প্ৰশ্নক লৈ উত্থাপিত হৈছে বিভিন্ন প্ৰশ্নবোধকৰ। সময় থাকোঁতেই অসমীয়া ভাষাটোৰ পুনৰুদ্ধাৰৰ চেষ্টা নকৰিলে আমাৰ প্ৰাণৰ ভাষাটো কালৰ বুকুত নিঃশেষ হৈ যাব। অসমীয়া ভাষাটোৰ এই সংকটৰ বেলিকা আমি সকলোৱে মাৰ বান্ধি থিয় হ'ব লাগিব।

অসমীয়া ভাষাৰ ভৱিষ্যত ৰক্ষাৰ ক্ষেত্ৰত যুৱ প্ৰজন্মৰ ভূমিকা অত্যন্ত গুৰুত্বপূৰ্ণ। এই ক্ষেত্ৰত তেওঁলোকে ভাষাটোক আগুৱাই নিয়াৰ ক্ষেত্ৰত সক্ৰিয়ভাৱে জড়িত হ'ব পাৰে। অসমীয়া ভাষাৰ ভৱিষ্যত ৰক্ষাত যুৱ প্ৰজন্ম আগ্ৰহী নহয় বুলি ক'ব নোৱাৰি। বৰঞ্চ ভাষাৰ প্ৰতি যুৱ-প্ৰজন্মৰ একাংশৰ আগ্ৰহ বেছি বুলিয়ে ক'ব পাৰি। যুৱ প্ৰজন্মৰ একাংশ অসমীয়া ভাষা সংৰক্ষণৰ বাবে সদায়ে প্ৰস্তুত। সামাজিক মাধ্যম (ফেচবুক, হোৱাটছাপ) আদিৰ দৰে মাধ্যমবোৰ কেৱল সময় কটোৱাৰ বাবেহে যে একাংশ যুৱ প্ৰজন্মই ব্যৱহাৰ কৰে এনে নহয়। বৰঞ্চ তেওঁলোকে অসমীয়া ভাষাৰ চৰ্চা, বিশ্লেষণ আৰু বিচাৰ বিনিময়ৰ বাবেও এই সমূহ ব্যৱহাৰ কৰে। অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰাৰ বাবে যুৱ প্ৰজন্মই সাহিত্য চৰ্চাত মনোনিৱেশ কৰা পৰিলক্ষিত হৈছে। এই কাৰ্যৰ জৰিয়তে ভাষাটোৰ প্ৰতি তেওঁলোকৰ দক্ষতা তথা জ্ঞানৰ বিস্তাৰ ঘটাৰ সুবিধা হৈছে আৰু সহজ হৈ পৰিছে। বিভিন্ন প্ৰযুক্তিৰ সহায়ত নিজৰ মাতৃভাষাক বিশ্বদৰবাৰত উপস্থাপন কৰিবলৈ যুৱ প্ৰজন্মই প্ৰয়াস কৰা কাৰ্য শলাগ ল'বলগীয়া। যুৱ প্ৰজন্মই ঘৰত, বন্ধু-বান্ধৱৰ লগত তথা সামাজিক মাধ্যমতো অসমীয়া ভাষা ব্যৱহাৰ কৰিবলৈ প্ৰয়াস কৰা উচিত। ইয়াৰ ফলত ভাষাৰ ব্যৱহাৰ বৃদ্ধি হ'ব আৰু ই অধিক শক্তিশালী হৈ উঠিব। ঠিক সেইদৰে শিক্ষানুষ্ঠান সমূহত সাংস্কৃতিক অনুষ্ঠান, কৰ্মশালা আৰু ভাষা বিষয়ক প্ৰতিযোগিতাৰ আয়োজন কৰাৰ লগতে ইয়াত যুৱক-যুৱতী সকলে নিজৰ ভাষাত কথা ক'বলৈ, গীত গাবলৈ তথা নাটক আদি কৰিবলৈ উৎসাহিত কৰিব পাৰে। নৱ প্ৰজন্মৰ মনত ভাষিক প্ৰেম আৰু ভাষা সচেতনতা জাগ্ৰত কৰি তোলাৰ ই এটা অন্যতম উপায়। অসমীয়া ভাষা ৰক্ষাৰ দায়িত্ব যুৱ প্ৰজন্মৰ ওপৰত অতীজৰে পৰা আছে আৰু এই দায়িত্ব পালন কৰিবলৈ তেওঁলোকে অসমীয়া ভাষাটোৰ প্ৰতি আগ্ৰহী হোৱাটো একান্ত প্ৰয়োজনীয়। যুৱ প্ৰজন্মই অসমীয়া ভাষাৰ প্ৰতি নিজৰ আগ্ৰহ বৃদ্ধি কৰাৰ লগতে ইয়াক স্বাভাৱিক ভাৱে ব্যৱহাৰ কৰাৰ প্ৰতি আগ্ৰহী হ'ব লাগে যাতে ইয়াৰ জনপ্ৰিয়তা সুদূৰপ্ৰসাৰী হয়। ইয়াৰ বাবে এটা পৰিৱেশ গঢ়ি তোলাতো অত্যন্ত গুৰুত্বপূৰ্ণ। মাতৃভাষাৰ প্ৰতি দায়বদ্ধ হ'বলৈ হ'লে প্ৰথমে ঘৰ খনৰ পৰাই সেই পৰিৱেশ গঢ়ি উঠিব লাগিব আৰু তেতিয়াহে সেই পৰিৱেশ লাহে-লাহে সমাজৰ মাজলৈ সংক্ৰমিত হ'ব। ইংৰাজী মাধ্যমৰ শিক্ষাই সৃষ্টি কৰা নতুন প্ৰজন্মৰ একাংশৰ ভাষাৰ প্ৰতি অনীহা, ইংৰাজী -হিন্দী তথা বঙালীৰ প্ৰভাৱ, ভাষিক জাতীয়তাবোধৰ

**নিবেদিতা হাজৰিকা**

ফলত সৃষ্টি হোৱা বিভিন্ন সমস্যা সমূহ নিৰ্মূলৰ বাবে যত্ন কৰাৰ লগতে ভাষিক পুনৰুজ্জীৱন, নিজ ভাষাৰ প্ৰতি মৰ্যাদাও সমূহীয়া প্ৰচেষ্টাৰে এই সমস্যা সমূহ নিৰ্মূলৰ বাবে প্ৰয়াস আৰু যত্নপৰ হ'ব লাগিব।

এটা কথা ঠিক যে স্থিতিশীল স্থিতিশীল ভাষা এটাই কেতিয়াও প্ৰাণ পাই উঠিব নোৱাৰে। অৰ্থাৎ ভাষা প্ৰাণৱন্ত হোৱাৰ লগতে ই পৰিৱৰ্তনশীল ও। সেয়ে ভাষা এটাৰ ৰূপ পৰিৱৰ্তন হোৱাটো কোনো ডাঙৰ কথা নহয়। নতুনৰ সমাহাৰ আমি অসমীয়া ভাষাটোৰ ক্ষেত্ৰত অলপ মন কৰিলেই নিশ্চয়কৈ দেখিবলৈ পাম। বৰ্তমান সময়ত অসমীয়া ভাষাত তাৰ প্ৰতিশব্দৰ অভাৱৰ বাবেই হওক বা সময়ৰ লগত খোজ মিলাবলৈ যাওঁতে হাতৰ কাষতে পোৱা ইংৰাজী শব্দৰ ব্যৱহাৰৰ বাবেই হওক ইয়াৰ ফলত অসমীয়া ভাষালৈ অহা পৰিৱৰ্তন সমূহে সুদূৰ ভৱিষ্যতে এক গভীৰ সংকট কঢ়িয়াই অনাৰ আশংকা অমূলক নহয় বা ইয়াক অস্বীকাৰ কৰিব নোৱাৰি। সেয়ে এই প্ৰত্যাহ্বান সমূহ নিৰ্মূলৰ বাবে নৱ প্ৰজন্মই যথা বিহিত ব্যৱস্থা ল'ব লাগে যাতে ই আমাৰ ভাষাৰ ক্ষেত্ৰত বাধা হৈ নুঠে। অসমীয়া ভাষাটোক ৰক্ষা কৰিবলৈ হ'লে ভাষাটোৰ আধুনিকীকৰণৰ ওপৰত গুৰুত্ব দিয়াটো সমীচীন হ'ব। কিয়নো, ইয়াৰ আলমতহে অসমীয়া ভাষাত আধুনিক চিন্তা-ভাৱনাৰ বিষয়ে লিখিবলৈ যুৱ প্ৰজন্ম আগ্ৰহী হ'ব। এনে পদক্ষেপে তথা এনেবোৰ কাৰ্যৰ মাধ্যমেৰে যুৱ প্ৰজন্মই অসমীয়া ভাষাৰ ভৱিষ্যত সুৰক্ষিত কৰাত অগ্ৰণী ভূমিকা পালন কৰা উপৰি ইয়াক সময়ৰ লগত খাপ খোৱা এক জীৱন্ত ভাষা হিচাপে আগুৱাই নিবলৈও সক্ষম হ'ব।

মাতৃভাষাৰ সংকট আৰম্ভ হ'লেই একোটা জাতিৰ জাতীয় জীৱনলৈ গভীৰ অন্ধকাৰ নামি আহে। সেয়েহে সকলো শ্ৰেণীৰ লোকৰ বাবে ভাষিক চেতনাৰ প্ৰয়োজন অপৰিসীম। আজি আইৰ মুখৰ ভাষা (মাতৃভাষা) সংকটৰ গৰাহত। সেয়ে অন্যান্য অনুষ্ঠান আদিৰ লগতে নৱ প্ৰজন্মও মাতৃভাষাৰ এই সংকটৰ সময়ত বিশেষ তৎপৰ হোৱাটো সময়ৰ আহ্বান। অসমীয়া ভাষা যুৱপ্ৰজন্মৰ হাতত সুৰক্ষিত হয়নে বা হ'বনে নাই বা ই কিমান দূৰ সুৰক্ষিত ই সচেতন মহলৰ বাবে এক ডাঙৰ তথা জটিল প্ৰশ্ন। অসমীয়া ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ দায়িত্ব কেৱল সাহিত্য সভা, সাহিত্যিক-বুদ্ধিজীৱী নতুবা চৰকাৰৰ হাতত বুলি ভাবিলে ভুল কৰা হ'ব। মাতৃভাষাৰ সুৰক্ষা তথা ৰক্ষণাবেক্ষণৰ দায়িত্ব আমাৰ সকলোৰে। সেয়ে যুৱ প্ৰজন্মক এই বিষয়ত জড়িত কৰিবলৈ তথা জড়িত হ'বলৈ সুযোগ আৰু পৰিৱেশ দিয়া উচিত।

আধুনিক প্ৰযুক্তি, বিশ্বায়ন আৰু চহৰকৰণৰ ফলত অসমীয়া ভাষাৰ স্বকীয়তা হেৰাই যোৱাৰ উপক্ৰম হৈছে আৰু সেই হৃত গৌৰৱ উদ্ধাৰৰ দায়িত্ব ন্যস্ত আছে যুৱ প্ৰজন্মৰ ওপৰত। উল্লেখ্য যে একাংশ যুৱ-প্ৰজন্ম নিজ মাতৃভাষাটোৰ প্ৰতিও বিশেষ সচেতন নোহোৱাৰ বিপৰীতে ইয়াৰ মাজৰে একাংশই আকৌ বিশেষকৈ কিছুমান যুৱ সংগঠনে নিৰবিচ্ছিন্নভাৱে অসমীয়া ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে নীৰৱে কাম কৰি আছে। গৌৰৱৰ বিষয় যে এই কামত জড়িত লোকৰ বা যুৱকৰ সংখ্যা তড়িত গতিত বৃদ্ধি পাব ধৰিছে। ই সঁচাই এক শুভ লক্ষণ। অসমীয়া ভাষাৰ এই সংকটৰ বেলিকা যুৱ-প্ৰজন্মৰ এনে মানসিকতা শলাগ ল'বলগীয়া। কিয়নো, ভাষাৰ ব্যৱহাৰ বৃদ্ধি তথা ইয়াক সুৰক্ষা প্ৰদান কৰাৰ ক্ষেত্ৰত যুৱ প্ৰজন্মৰো যথেষ্ট দায়িত্ব তথা ভূমিকা আছে। যুৱ-প্ৰজন্মৰ সন্মিলিত প্ৰচেষ্টাই অসমীয়া ভাষাক এক নতুন মাত্ৰা কৰাৰ পূৰ্ণ সম্ভাৱনা আছে। সাম্প্ৰতিক সময়ত অসমীয়া ভাষাৰ সুৰক্ষাৰ বাবে অন্যান্য দল-সংগঠন বা অনুষ্ঠান-প্ৰতিষ্ঠানৰ যি তৎপৰতা বা ভূমিকা সেই একে ভূমিকা বা তৎপৰতা যুৱ প্ৰজন্মৰ বাবেও একেই। দেশ -তথা জাতি এতিয়া গভীৰ সংকটত। এই সংকটৰ বেলিকা বা দুৰ্বিষহ সময়ত যুৱ সমাজেই ল'ব লাগিব ত্ৰাণ কৰ্তাৰ ভূমিকা।

ভাষাৰ বিপৰ্যয় বা বিপদগ্ৰস্ত হোৱা- এক গুৰুত্বপূৰ্ণ তথা স্পৰ্শকাতৰ বিষয়, যাৰ ফলত ভাষাৰ বিলুপ্তি ঘটে আৰু ইয়াৰ সৈতে জড়িত সংস্কৃতি, জ্ঞান আৰু ইতিহাসৰ বিস্তৰ ক্ষতি সাধন হয়। কেৱল সেয়ে নহয়, ভাষাৰ বিপৰ্যয়ৰ ফলত যোগাযোগ ব্যাহত হয়, জনজাতীয় সংস্কৃতিৰ বিলুপ্তি ঘটে, বিশ্বৰ বৈচিত্ৰ্যৰ যথেষ্ট ক্ষতি সাধন হয়। যুৱ সমাজে এই সমূহৰ খবৰ ৰখা উচিত আৰু এই সমূহ সমস্যাৰ সমাধানৰ বাবে যত্নপৰ হোৱাটো অতিশয় দৰকাৰী। যুৱ-প্ৰজন্মৰ বহুতেই অৱশ্যে ইয়াৰ গুৰুত্ব উপলব্ধি কৰিবলৈ সক্ষম হৈছে আৰু অসমীয়া ভাষাৰ অধ্যয়ন আৰু গৱেষণাত মনোনিৱেশ কৰিছে, যাৰ ফলত অসমীয়া ভাষাই গুৰুত্ব পাবলৈ সক্ষম হোৱাৰ লগতে অসমীয়া ভাষাৰ গুৰুত্বৰ বিষয়েও অৱগত হ'বলৈ সক্ষম হৈছে। এফালে যুৱ সমাজৰ একাংশই অসমীয়া ভাষাৰ বিকাশ, প্ৰকাশ তথা প্ৰচাৰত গুৰুত্ব দিয়াৰ বিপৰীতে আন একাংশ নৱ প্ৰজন্মই বিদেশী ভাষাৰ প্ৰতি আকৰ্ষিত হৈ মাতৃভাষাক পাহৰি যোৱাৰ উপক্ৰম হৈছে। মাতৃভাষাৰ সংকটৰ সময়ত ই আমাৰ বাবে এক চিন্তনীয় বিষয়।

অসমীয়া ভাষা অসমৰ উত্তৰ - পূব প্ৰান্তৰ এটা অতি শক্তিশালী ভাষা। ভাৰতীয় সংবিধানৰ অষ্টম অনুচ্ছেদ অনুসৰি চৰকাৰী ভাৱে স্বীকৃত অসমীয়া ভাষা সমগ্ৰ উত্তৰ -পূৰ্বাঞ্চলৰ এক সংযোগী ভাষা হিচাপেও প্ৰচলিত হৈ আহিছে। অথচ আজি অসমীয়া ভাষাৰ ভৱিষ্যতকলৈ শংকা। এনে সময়ত যদি এনেকুৱা বিকশিত ভাষাটো ৰক্ষাৰ বাবে বা পুনৰুদ্ধাৰৰ বাবে ব্যৱস্থা নকৰি নৱ প্ৰজন্মই যদি অনাদৰ কৰিবলৈ ধৰে, ভাষাৰ যদি বিপৰ্যয় ঘটে, তেনেহ'লে সেই মহান পুৰুষ, ভাষা আন্দোলনৰ শ্বহীদ সকলৰ আত্মাই ভৱিষ্যত প্ৰজন্মক কেতিয়াও ক্ষমা নকৰিব।

আমি আমাৰ নিজৰ ভাষাটোক যদি জীয়াই ৰাখিব লাগে তেন্তে আমি প্ৰথমে কৰিব লগীয়া কামটো হ'ল নৱপ্ৰজন্মৰ মাজত আমাৰ ভাষাটোক জনপ্ৰিয় কৰি তোলা। যদি আমাৰ বৰ্তমান প্ৰজন্মই ভাষাটোক গুৰুত্ব সহকাৰে নলওঁ, তেন্তে আৰু হয়তো খুব বেছি তিনিটা প্ৰজন্মৰ পাছত আমাৰ ভাষাটো ইতিহাস হৈ যাব। অসমীয়া ভাষাৰ প্ৰতি যুৱ প্ৰজন্মৰ আগ্ৰহে অসমীয়া ভাষাটোক জীয়াই তোলাত এক বিশেষ সহায়ক হৈ ৰ'ব। অন্যথা, ইয়াৰ বিপৰীতে অসমীয়া ভাষাৰ প্ৰতি যুৱ প্ৰজন্মৰ আগ্ৰহ হীনতাৰ ফলত ভাষাটোৰ ব্যৱহাৰ কমিব, সাংস্কৃতিক ঐতিহ্য হেৰাই যাব, সামাজিক আৰু ভৌগোলিক বিভেদৰ সৃষ্টি হোৱাৰ লগতে অসমীয়া ভাষাত নতুন চিন্তাৰ উন্মেষ ঘটাৰ বাটত বাধাৰ সৃষ্টি হ'ব। সেয়ে ডিজিটেল মাধ্যমৰ ব্যৱহাৰ, সামাজিক সচেতনতা বৃদ্ধি আৰু ভাষাক শ্ৰদ্ধা কৰিবলৈ শিকাৰ লগতে অসমীয়া ভাষাৰ ভৱিষ্যত বিপদাপন্ন কৰি তুলিব পৰা কাৰক সমূহৰ প্ৰতি নৱ প্ৰজন্মক সজাগ কৰি তুলিবলৈ প্ৰয়াস কৰা কাৰ্যই ভাষা সুৰক্ষা কাৰ্যসূচী সাফল্যমণ্ডিত কৰি তুলিব। নৱপ্ৰজন্মই ভাষা ব্যৱহাৰত গুৰুত্ব দিয়াৰ লগতে সৃজনশীলতাৰ প্ৰসাৰ, সামাজিক মাধ্যমৰ ব্যৱহাৰ, অন্য ভাষাৰ সমান্তৰালকৈ অসমীয়া ভাষাৰ প্ৰয়োগ, ভাষাটোক জীয়াই ৰখাৰ দায়বদ্ধতা, ঐতিহ্য তথা সংস্কৃতি প্ৰতিষ্ঠা ও ৰক্ষাৰ দৰে বিষয় সমূহৰ প্ৰতি বিশেষ গুৰুত্ব আৰোপ কৰা উচিত হ'ব। আধুনিকতাৰ দোহাই দি আমাৰ বহুতেই অসমীয়া ভাষাটোক হীন চকুৰে চায় বা ব্যৱহাৰ কৰিব নোখোজে। নৱপ্ৰজন্ম নিজেও সেই হীনমন্য মনোভাৱৰ পৰা দূৰত থকাৰ লগতে আনকো পাৰ্যমানে ভাষাটোৰ প্ৰতি আগ্ৰহী কৰি তুলিবলৈ প্ৰয়াস কৰা উচিত।

এই কথা অনস্বীকাৰ্য যে ভাষাৰ ভৱিষ্যত ৰক্ষাৰ ক্ষেত্ৰত নৱ প্ৰজন্ম বা যুৱ প্ৰজন্মৰ সচেতনতা অত্যন্ত দৰকাৰী। কিয়নো, তেওঁলোকহে ভাষাৰ বাহক আৰু উত্তৰসূৰী। তেওঁলোকৰ ওপৰত ন্যস্ত আছে ভাষাৰ মৰ্যাদা ৰক্ষাৰ দায়িত্ব। সেয়েহে তেওঁলোকে নিজৰ মাতৃভাষাক গুৰুত্ব দি সাহিত্য চৰ্চাত অংশ লৈ তথা আনৰ ওপৰত দোষ আদি জাপি নিদি নিজৰ কৰণীয়খিনি পালন কৰাৰ ক্ষেত্ৰত তৎপৰ হ'লেহে অসমীয়া ভাষাৰ অস্তিত্ব আৰু প্ৰসাৰ সুনিশ্চিত হ'ব। ধ্ৰুপদী মৰ্যাদা লাভ কৰা এই ভাষাৰ সমৃদ্ধিশালী ভৱিষ্যত গঢ়িবলৈ তেওঁলোকৰ সক্ৰিয় তথা সহযোগিতাৰ পূৰ্ণ মাত্ৰাই প্ৰয়োজন। লগতে অসমীয়া ভাষাই যি স্বকীয়তা হেৰুৱাবলৈ আৰম্ভ কৰিছে, যি প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে সেই ভাবুকি বা প্ৰত্যাহ্বান সমূহ চিনাক্ত কৰণ কৰি শিপাৰে সৈতে নিঃশেষ কৰিবলৈ যত্নপৰ হ'ব লাগিব। অসমীয়া ভাষাৰ ভৱিষ্যত ব্যক্তি, সম্প্ৰদায়, প্ৰতিষ্ঠান তথা চৰকাৰৰ যুটীয়া প্ৰচেষ্টাৰ ওপৰত বহুলাংশে নিৰ্ভৰ কৰে যদিও যুৱ প্ৰজন্মৰ দায়িত্বও এই ক্ষেত্ৰত বিশেষ ভাৱে উল্লেখযোগ্য আৰু উল্লেখনীয়। ভাষাৰ প্ৰতি এক সন্মিলিত শক্তি সৃষ্টি কৰি অসমীয়া ভাষাৰ শুদ্ধতা বঢ়োৱাৰ বাবে চেষ্টা কৰাটো অতিশয় প্ৰয়োজনীয়। এই কথা ঠিক যে অসমীয়া ভাষাৰ ভৱিষ্যত নিশ্চিত নহয়, বিভিন্ন প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লগা হোৱা অসমীয়া ভাষাটো ৰক্ষাৰ বাবে যদিহে উপযুক্ত ব্যৱস্থা লোৱা হয় তেন্তে ইয়াৰ ভৱিষ্যত নিশ্চয়কৈ উজ্জ্বল হ'ব।

আমাৰ প্ৰথম পৰিচয় হ'ল অসমীয়া আৰু অসমীয়া ভাষাটোক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰোৱাটোৱেই এজন অসমীয়াৰ লক্ষ্য আৰু উদ্দেশ্য হোৱা উচিত। অন্যথা সেই দিন দূৰ নাই, যি দিনা অসমীয়া জাতি আৰু অসমীয়া ভাষাটো কেৱল ইতিহাসৰ পৃষ্ঠাত সীমাবদ্ধ হৈ ৰ'ব। নৱ প্ৰজন্ম সহিতে সকলোৱে অসমীয়াৰ প্ৰাণৰ ভাষাটোৰ ভৱিষ্যত সুৰক্ষাৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰিলেহে ই প্ৰত্যাহ্বান মুক্ত হৈ ভৱিষ্যত সুনিশ্চিত কৰিব পাৰিব।

*লেখিকাৰ ঠিকনা ঃ লখিমপুৰ*

# শিক্ষাদানেই হওক চৰকাৰী খণ্ডৰ প্ৰাথমিক শিক্ষকৰ প্ৰধান আৰু একমাত্ৰ কৰ্তব্য

**ৰঞ্জিত শইকীয়া**

অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীয়ে ৰাজহুৱা তথা চৰকাৰী খণ্ডৰ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলক অনা-শৈক্ষিক কৰ্মৰপৰা মুক্ত কৰি বিদ্যালয়ত সুস্থ শিক্ষাদানৰ সুযোগ প্ৰদান কৰাৰ আহ্বানেৰে গুৱাহাটীৰ চানমাৰিস্থিত শিক্ষক ভৱনত 'শিক্ষক অভিৱৰ্তন' অনুষ্ঠিত কৰি এটি সময়োচিত প্ৰচেষ্টা গ্ৰহণ কৰিছে। সম্প্ৰতি চৰকাৰী প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকসকলক সপ্তাহৰ অৰ্ধাংশ অনা-শৈক্ষিক কাম-কাজতে আৱদ্ধ হৈ থাকিবলৈ বাধ্য কৰোৱা হৈছে। বিশেষকৈ অনেক অনলাইন কাম, তথ্য প্ৰেৰণ, নিৰ্বাচন আৰু ভোটাৰ সম্পৰ্কীয় দায়িত্ব, পিয়লৰ দায়িত্ব, চিকিৎসাজনিত দায়িত্ব, বানপানীৰ দায়িত্ব, প্ৰয়োজনাধিক দীঘলীয়া প্ৰশিক্ষণ আদি অলেখ দায়িত্বত প্ৰাথমিক পৰ্য্যায়ৰ শিক্ষকসকল ব্যস্ত হৈ থাকিবলগীয়া হোৱাত তেওঁলোকে বিদ্যালয়ত সুস্থ আৰু মসৃণভাৱে পাঠদানত মনোনিৱেশ কৰিবলৈ অপাৰগ হৈ পৰিছে। তদুপৰি উৰ্দ্ধতম কৰ্তৃ পক্ষৰ পৰা সঘনে বিভিন্ন অনুষ্ঠান উদযাপনৰ বাবে প্ৰেৰিত নিৰ্দেশনাবোৰেও শিক্ষক-শিক্ষয়িত্ৰীসকলক



বহুসময়ত বিমোৰত পেলায়। আমাৰ দৃষ্টিৰে এনেধৰণৰ কাৰ্যসূচীবোৰ বিদ্যালয়ৰ প্ৰাতঃসভাৰ মজিয়াতে ৰূপায়ণ কৰিব পৰা যায়। অন্যহাতেদি বিদ্যালয়সমূহত শ্ৰেণী অনুযায়ী শিক্ষক-শিক্ষয়িত্ৰী নিয়োজিত নকৰা হেতুকে একেগৰাকী শিক্ষকেই একাধিক শ্ৰেণীৰ একাধিক বিষয় একেসময়তে পাঠদান কৰিবলগীয়া হয়। ফলশ্ৰুতিত স্বাভাৱিকতে কোনো এটা বিষয়ৰে যথোচিত পাঠদান সম্ভৱপৰ নহয়। চৰকাৰী নীতি অনুসৰি শিক্ষাৰ্থী অনুপাতে শিক্ষক নিযুক্তিৰ কথা কোৱা হয়। কিন্তু এই কথা বিবেচনা কৰা নহয় যে শ্ৰেণী অনুযায়ী শিক্ষক নথকা বিদ্যালয় এখনত এগৰাকী সচেতন অভিভাৱকে কি সাহসৰ ভিত্তিত তেখেতৰ সন্তানটিক নামভৰ্তি কৰাব? এই কথা উল্লেখ কৰা নিষ্প্ৰয়োজন যে ব্যক্তিগত খণ্ডৰ বিদ্যালয় একোখনে প্ৰথমে শ্ৰেণী অনুযায়ী শিক্ষক নিযুক্তি দিয়াৰ পাছতহে শিক্ষাৰ্থী অনুসন্ধানৰ কথা বিবেচনা কৰে। গতিকে, চৰকাৰে প্ৰথমে প্ৰাথমিক বিদ্যালয়সমূহত (নিম্ন আৰু উচ্চ প্ৰাথমিক উভয়তে) শ্ৰেণী আৰু বিষয় অনুযায়ী শিক্ষক নিযুক্তি দিয়াৰ ব্যৱস্থা কৰক। দ্বিতীয়তে, প্ৰাথমিক বিদ্যালয়ত নিয়োজিত শিক্ষক-শিক্ষয়িত্ৰীসকলক পাঠদানৰ বাদে পাঠ্যক্ৰম বৰ্হিভূত কৰ্মত নিয়োগ কৰাটো বন্ধ কৰক। তৃতীয়তে, ইতিমধ্যে স্নাতক/স্নাতকোত্তৰ ডিগ্ৰীৰ লগতে বৃত্তিগত প্ৰশিক্ষণ লৈ নিয়োজিত হোৱা শিক্ষাগুৰুসকলক প্ৰতি বছৰে প্ৰয়োজনাধিক আৰু দীঘলীয়া প্ৰশিক্ষণ প্ৰদান কৰাৰ ক্ষতিকৰ পৰম্পৰাও বন্ধ কৰা হওক। চতুৰ্থতে, মন্ত্ৰী, আমোলা-বিষয়া তথা চৰকাৰী কৰ্মচাৰীৰ সন্তানসকলক চৰকাৰী বিদ্যালয়ত নামভৰ্তি কৰিবলৈ বিশেষ ব্যৱস্থা গ্ৰহণ কৰক। এনেবোৰ পদক্ষেপৰ জৰিয়তেহে চৰকাৰী প্ৰাথমিক বিদ্যালয়সমূহক ন্যায় প্ৰদান কৰা হ'ব আৰু ৰাজ্যৰ ৰাজহুৱা প্ৰাথমিক শিক্ষাখণ্ডৰ যথাৰ্থতে প্ৰগতিৰ পথ প্ৰশস্ত হ'ব। উল্লেখযোগ্য যে, এতিয়াও গ্ৰামাঞ্চলৰ অধিকাংশ অনগ্ৰসৰ ৰাইজৰ ভৰসাৰ একমাত্ৰ থলী হৈছে স্থানীয় চৰকাৰী প্ৰাথমিক বিদ্যালয়খন। স্মৰণীয় যে, অসমৰ জাতীয় জীৱনৰ বিভিন্ন ক্ষেত্ৰত নেতৃস্থানীয় দায়িত্ব লৈ জাতিক সমৃদ্ধিশালী কৰা প্ৰসিদ্ধ অসমীয়াসকলে ৰাইজৰ দ্বাৰা প্ৰতিষ্ঠিত ৰাজহুৱা খণ্ডৰ প্ৰাথমিক বিদ্যালয়সমূহতে তেওঁলোকৰ শৈক্ষিক জীৱনৰ বুনিয়াদ গঢ়ি তুলিছিল। গতিকে ব্যক্তিগত খণ্ডৰ বিদ্যালয়তহে শিশুৰ বিকাশ সম্ভৱপৰ হ'ব বুলি গ্ৰহণ কৰা ভ্ৰান্ত ধাৰণাটোও সন্মানীয় অভিভাৱক/অভিভাৱিকাসকলে পৰিত্যাগ কৰাটো বাঞ্ছনীয়। শিশুৰ সৰ্বাঙ্গীণ বিকাশ প্ৰধানতঃ নৈতিক আৰু সামাজিক মূল্যবোধৰ বিকাশৰ ক্ষেত্ৰত চৰকাৰী প্ৰাথমিক বিদ্যালয়ৰ আদৰ্শনীয় মজিয়াখনৰ বিকল্প নাই। সমাজৰ বিভিন্ন শ্ৰেণীৰ শিশুৰ সমাৱেশ ঘটা চৰকাৰী বিদ্যালয় এখনতহে শিশুৰ ব্যক্তিত্ব বিকাশৰ এক সন্তুলিত মঞ্চ লাভ কৰা যায়। অন্যহাতেদি চৰকাৰী প্ৰাথমিক বিদ্যালয়সমূহক ধ্বংসৰ গৰাহলৈ লৈ যোৱা মানে ৰাজ্যৰ উন্নয়ন আৰু সংস্থাপনৰ সুবৃহৎ ক্ষেত্ৰখনকো নিঃশেষ কৰা হ'ব। আমাৰ দৃষ্টিৰে ৰাজহুৱা তথা চৰকাৰী প্ৰাথমিক শিক্ষা ব্যৱস্থাৰ যথাৰ্থ উত্তৰণৰ দ্বাৰাহে জাতীয় জীৱনৰ এটি শক্তিশালী বহুমুখী বুনিয়াদ গঢ় লৈ উঠিব।

*লেখকৰ ঠিকনা ঃ কুৱালগুৰি, দেৰগাঁও*

# বিশ্বকাপ ক্ৰিকেট আৰু অসমৰ খেলুৱৈৰ ভৱিষ্যৎ

**কমলেশ কাঞ্চন**

বিশ্বৰ সকলো ক্ৰিকেট অনুৰাগী লোক সম্প্ৰতি ক্ৰিকেট জ্বৰত আক্ৰান্ত। ক্ৰিকেটৰ চমু সংস্কৰণ টি-২০ বিশ্বকাপ ভাৰত উপ মহাদেশ আৰু দ্বীপ ৰাষ্ট্ৰ শ্ৰীলংকাত চলিত মাহৰ ৭ ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ হৈছে। এইবাৰৰ বিশ্বকাপত মুঠ ২০খন দেশে অংশগ্ৰহণ কৰিছে। বাংলাদেশৰ দলটোৱে এইবাৰৰ প্ৰতিযোগিতাৰ পৰা নাম প্ৰত্যাহাৰ কৰিছে। বাংলাদেশৰ সমৰ্থনত প্ৰথমতে পাকিস্তান দলটোৱে বিশ্বকাপৰ মেচত ভাৰতৰ বিৰুদ্ধে অৱতীৰ্ণ নোহোৱাৰ কথা কৈছিল যদিও শেষত আইচিচিৰ কঠোৰ সিদ্ধান্তৰ সন্মুখীন হোৱাৰ ভয়ত অৱতীৰ্ণ হোৱাৰ বাবে সন্মতি প্ৰদান কৰে। এইবাৰৰ টি-২০ বিশ্বকাপত ভাৰত, অষ্ট্ৰেলিয়া, দক্ষিণ আফ্ৰিকা, ইংলেণ্ড, নিউজিলেণ্ড আদি দল সমূহ তুলনামূলকভাৱে শক্তিশালী যদিও ভাৰতকে খিতাপৰ প্ৰবল দাবীদাৰ বুলি ইতিমধ্যে ক্ৰিকেট বিশেষজ্ঞ সকলে মন্তব্য আগবঢ়াইছে। ২০২৪ চনৰ টি-২০ বিশ্বকাপ বিজয়ী দলটোৱে এইবাৰ তাৰকা খেলুৱৈ বিৰাট কোহলি, ৰোহিত শৰ্মা আৰু ৰবীন্দ্ৰ জাডেজা অবিহনে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছে। ২০২৪ চনৰ টি- ২০ বিশ্বকাপৰ পিছতে এই খেলুৱৈ কেইজনে আন্তঃৰাষ্ট্ৰীয় টি-২০ সংস্কৰণৰ পৰা অৱসৰ গ্ৰহণ কৰে। সূৰ্যকুমাৰ যাদৱ নেতৃত্বাধীন ভাৰতীয় ক্ৰিকেট দলটোত এতিয়াও তাৰকা খেলুৱৈৰ অভাৱ নাই। বহু ক্ৰিকেটাৰে এতিয়াও সুযোগৰ অপেক্ষাত ৰৈ আছে। আমাৰ অসমৰ ৰিয়ান পৰাগৰ কথা বহুবাৰ আলোচনা হৈছিল যদিও শেষ মুহূৰ্ত্তত ভাগ্য উদয় নহ'ল। অসমবাসীয়ে বহু আশাৰে ৰৈ আছিল যদিও আশা পূৰ্ণ নহ'ল! এতিয়া অসমৰ ক্ৰীড়া অনুৰাগীৰ এটাই প্ৰশ্ন ৰিয়ান পৰাগৰ দৰে আৰু আন্তঃৰাষ্ট্ৰীয় খেলুৱৈ পাবলৈ চৰকাৰে কেতিয়া ব্যৱস্থা কৰিব? গাঁৱে-ভূঞে লুকাই থকা প্ৰতিভা সমূহক উলিয়াই অনাৰ দায়িত্ব চৰকাৰৰ নাইনে?

সাম্প্ৰতিক সময়ত বিশ্বৰ ক্ৰীড়া জগতত জনপ্ৰিয়তাৰ দিশৰে চাবলৈ গ'লে ফুটবলৰ পিছতে ক্ৰিকেটৰ নাম নিশ্চিতভাৱে ল'ব লাগিব। ভাৰতত ক্ৰিকেট খেলৰ জনপ্ৰিয়তাই অন্য খেলৰ প্ৰতি প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। অসমো ইয়াৰ ব্যতিক্ৰম নহয়। কিন্তু দুখৰ বিষয় অসমত ক্ৰিকেট যথেষ্ট জনপ্ৰিয় হোৱাৰ পিছতো অসমৰ ৰিয়ান পৰাগৰ বাহিৰে ভাৰতৰ পুৰুষ ক্ৰিকেট দলটোত এতিয়া লৈকে দ্বিতীয়জন খেলুৱৈয়ে খেলাৰ সুবিধা পোৱা নাই। ৰিয়ান পৰাগো এতিয়া লৈকে ১০খন আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট মেচ খেলাৰো সুযোগ পোৱা নাই। ৰিয়ান পৰাগৰ দৰে অসমে কিয় দ্বিতীয় এজন ক্ৰিকেট খেলুৱৈ সৃষ্টি কৰিব পৰা নাই? এই বিষয়ে নিশ্চয় চিন্তা কৰাৰ সময় উপস্থিত হৈছে। যিটো সময়ত মহাৰাষ্ট্ৰ আৰু পঞ্জাৱৰ খেলুৱৈয়ে ভাৰতৰ ক্ৰিকেটত অংশ লোৱাৰ অধিক সুবিধা পাই আছে অসমৰ ক্ৰিকেটাৰে নাপাই কিয়? চৰকাৰৰ ক্ৰীড়া বিভাগত একো কৰিবলগীয়া নাই নেকি? এতিয়া অসমৰ জনগণে চৰকাৰৰ উত্তৰলৈ চাই আছে। অসমৰ মুখ্যমন্ত্ৰীয়ে ভাৰতৰ উন্নয়নৰ প্ৰথম ৫খন ৰাজ্যৰ ভিতৰত অসমো এখন হ'ব বুলি ক'লেই নহ'ব; ইয়াৰ শিক্ষা, স্বাস্থ্য, ক্ৰীড়া, সংস্কৃতি, আন্তঃগাঁথনি আদি সকলো দিশ উন্নত হ'ব লাগিব। আমি সকলোৱে জানো যে অসম এখন বানপানী প্ৰৱণ ৰাজ্য। সেয়েহে ইয়াৰ বাতাবৰণ ১২ মাহে ক্ৰিকেট খেলৰ অনুশীলন কৰাৰ বাবে উপযোগী নহয়; সেইবুলি চৰকাৰে হাত সাবতি বহি থাকিলে হ'ব জানো? অনুশীলন কৰিবৰ বাবে উন্নত মানৰ ষ্টেডিয়াম তথা খেল পথাৰৰ ব্যৱস্থা কৰিবই লাগিব। তদুপৰি সঠিক পৰিকল্পনাৰে প্ৰতিভা সমূহক চিনাক্ত কৰি ৰাষ্ট্ৰীয় পৰ্যায়ত বাছনি হোৱাৰ সুবিধা দিব লাগিব চৰকাৰে। অসমৰ যুৱ প্ৰজন্মই ৰাজ্যৰ এইফালে - সেইফালে ক্ৰিকেট খেলি ফুৰিছে যদিও উপযুক্ত সুবিধাৰ অভাৱত নিজ প্ৰতিভা ধ্বংস কৰিছে। "খেল মহাৰণ"ৰ দৰে ব্যৱস্থাই অসমৰ ক্ৰীড়া জগতত বিশেষ সফলতা লাভ কৰা নাই। তদুপৰি ক্ৰিকেটৰ দৰে জনপ্ৰিয় এবিধ খেল "খেল মহাৰণ"ত অন্তৰ্ভুক্ত নকৰাটো চৰকাৰৰ ভুল সিদ্ধান্ত। সময় থাকোঁতে চৰকাৰে অসমৰ ক্ৰীড়াৰ ক্ষেত্ৰত বিশেষ কৈ ক্ৰিকেট খেলৰ ক্ষেত্ৰত উদ্যোগ লোৱাৰ প্ৰয়োজন; অন্যথা বিশ্বত ডাঙৰ ডাঙৰ ক্ৰিকেট প্ৰতিযোগিতা হৈ থাকিব আৰু অসমীয়াই অন্য ৰাজ্যৰ খেলুৱৈক চায়ে সময় পাৰ কৰিব লাগিব।

# নৱগঠিত মাকুম সমষ্টিত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীন

**অসম বাৰ্তা, মাকুম, ২০ ফেব্ৰুৱাৰী ঃ** ভাৰতীয় জনতা পাৰ্টীৰ ৰাষ্ট্ৰীয় সভাপতিৰ দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছতে ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলালৈ দুদিনীয়া ভ্ৰমণ কাৰ্যসূচীৰে অহা নীতিন নবীনে আজি নৱগঠিত ৮৫ নং মাকুম বিধানসভা সমষ্টিত উপস্থিত হয়। ভ্ৰমণ কাৰ্যসূচী অনুসৰি সভাপতি গৰাকীয়ে ভাৰত চৰকাৰৰ বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰালয়ৰ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়া, ৰাজ্যিক কেবিনেট মন্ত্ৰী বিমল বৰা, ৰূপেশ গোৱালা, বিধায়ক সঞ্জয় কিষাণ, সুৰেন ফুকন, বিজেপিৰ ৰাজ্যিক উপ-সভাপতি পুলক গোহাঁই সহিতে পুৱাৰ ভাগত মাকুম বাৰেকুৰি বৰগাঁও শ্ৰীশ্ৰী অষ্টভুজ দেৱৰ বৰ নামঘৰত উপস্থিত হয়। উপস্থিত হোৱাৰ লগে লগে মৰাণ স্বায়ত্ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য অৰুণজ্যোতি মৰাণ, জিলা বিজেপিৰ সভাপতি কুশকান্ত বড়া, মনোজ ধানোৱাৰ, ত্ৰিদীপ জ্যোতি মৰাণ, জীমদাৰ তাঁতী, বিজেপি দলৰ সকলো স্তৰৰ দলীয় কৰ্মী সকল প্ৰমুখ্যে বৰগাঁওবাসী ৰাইজে গায়ন-বায়ন আৰু ঢোলে-দগৰে আদৰি আনে। তাৰ পাছতে বৰ নামঘটোৰ ভকত বৃন্দ সকল আৰু আইমাতৃ সকলৰ আগত মূৰ দোৱাই আশিস গ্ৰহণ কৰে ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীন, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু ৰাজ্যিক বিজেপিৰ দিলীপ শইকীয়া প্ৰমুখ্যে সকলোৱে। আশীৰ্বাদ গ্ৰহণ কৰাৰ পাছতে ম'হৰ গাখীৰ দৈৰ সৈতে কোমল চাউল জলপানৰ সোৱাদ লয় ৰাষ্ট্ৰীয় সভাপতি সহিতে দলটোৱে। জলপান গ্ৰহণ কৰাৰ পাছত মৰাণ জনগোষ্ঠীৰ কেইবাগৰাকী গণ্য-মান্য ব্যক্তি সকলৰ সৈতে সাক্ষাৎ কৰে সভাপতি গৰাকীয়ে। দেশ তথা ৰাজ্য খনৰ মংগলৰ অৰ্থে প্ৰভু ঈশ্বৰৰ আশিস গ্ৰহণ কৰিবলৈ বাৰেকুৰিলৈ আহিছোঁ বুলি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে সংবাদ মাধ্যমক অৱগত কৰে। পৰৱৰ্তী সময়ত মাকুম বেতজান ৰ'ডস্থিত নীতিন নবীনৰ একালৰ সহপাঠী তথা দিল্লী উচ্চতম ন্যায়ালয়ৰ অধিবক্তা বিশ্বজিৎ ডুবেৰ পিতৃ তথা তিনিচুকীয়াৰ জ্যেষ্ঠ অধিবক্তা বদ্ৰীনাথ নাথ ডুবেৰ বাসগৃহত উপস্থিত হৈ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু দিলীপ শইকীয়া, মাকুম পৌৰসভাৰ ৱাৰ্ড আয়ুক্ত অমৰ জ্যোতি কাকতিৰ সহিতে জ্যেষ্ঠ অধিবক্তাৰ লগতে তেখেতৰ পত্নীক সাক্ষাৎ কৰি মাকুম সমষ্টিৰ অন্তৰ্গত গুইজানত অৱস্থিত মটক ৰজা স্বৰ্গদেউ সৰ্বানন্দ সিংহ মৈদামত উপস্থিত হৈ আশীৰ্বাদ লয় ৰাষ্ট্ৰীয় সভাপতি গৰাকীৰ লগতে দলটোৱে।

## অসম লোকসেৱা আয়োগৰ ফলাফলত উজ্জ্বলিল নিকেতনৰ তিনিগৰাকী প্ৰাক্তন শিক্ষাৰ্থী

# হাজো পঞ্চতীৰ্থ শিশু শংকৰদেৱ বিদ্যা নিকেতনত উচবমুখৰ পৰিৱেশ



**অসম বাৰ্তা, হাজো, ২০ ফেব্ৰুৱাৰী ঃ** সদ্যঘোষিত অসম লোকসেৱা আয়োগৰ পৰীক্ষাৰ ফলাফল ঘোষণাৰ পিছতে হাজোত বিৰাজ কৰিছে উচবমুখৰ পৰিৱেশে। বিশেষকৈ হাজো পঞ্চতীৰ্থ শিশু শংকৰদেৱ বিদ্যা নিকেতনৰ লগত জড়িত সকলোৱে আনন্দিত হৈ পৰা পৰিলক্ষিত হৈছে। কিয়নো এইবেলি ঘোষণা হোৱা অসম লোকসেৱা আয়োগৰ ফলাফলত পঞ্চতীৰ্থ শিশু শংকৰদেৱ বিদ্যা নিকেতনৰ তিনিগৰাকী প্ৰাক্তন শিক্ষাৰ্থী উজ্জ্বলি উঠিছে। ২৯ নং স্থানত পাৰ্থপ্ৰতিম ঠাকুৰীয়া, ৩৬ নং স্থানত নিৰজ দাস আৰু সহকাৰী হিচাপ পৰিদৰ্শক হিচাপে ৬নং স্থানত উত্তীৰ্ণ হৈছে নেহা কলিতা। এই খবৰে উৎফুল্ল কৰি তুলিছে পঞ্চতীৰ্থ শিশু শংকৰদেৱ বিদ্যা নিকেতন কৰ্তৃপক্ষৰ লগতে ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলক। কালি বিয়লি নিকেতন পৰিচালনা সমিতিৰ সভাপতি হৰেন চন্দ্ৰ দাস, উপ সভাপতি শৰৎ নায়ক, সম্পাদক ভৱানন্দ আঠপৰীয়া, প্ৰধান আচাৰ্য টংকেশ্বৰ তালুকদাৰ, সহ প্ৰধান আচাৰ্য মণ্টু দাস, কোষাধ্যক্ষ অনিপ চন্দ্ৰ ভৰালীৰ নেতৃত্বত এটা দলে পাৰ্থপ্ৰতিম ঠাকুৰীয়া, নিৰজ দাস আৰু নেহা কলিতাৰ বাসগৃহলৈ গৈ শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰে। অসম লোকসেৱা আয়োগৰ পৰীক্ষা তথা ফলাফল স্বচ্ছ আৰু নিকাভাৱে হোৱাত উত্তীৰ্ণ শিক্ষাৰ্থীসকলৰ লগতে নিকেতন কৰ্তৃপক্ষই অসম চৰকাৰক ধন্যবাদ জ্ঞাপন কৰে।

# নগাঁৱত কবি দেৱকান্ত বৰুৱাৰ জন্মদিনৰ আয়োজন

**অসম বাৰ্তা, নগাঁও, ২০ ফেব্ৰুৱাৰী ঃ** ২২ ফেব্ৰুৱাৰী তাৰিখ দেওবাৰে কলংপৰীয়া কবি দেৱকান্ত বৰুৱা আৰু কলংপৰীয়া চিত্ৰকৰ প্ৰনৱ বৰুৱাৰ জন্ম দিন। সেইদিনা সাগৰ দেখিছা কবিতা পুথিৰ লেখক দেৱকান্ত বৰুৱাৰ জীৱন আৰু কৰ্মৰাজিক স্মৰণ কৰাৰ উদেশ্যৰে সাঁকো আলোচনা চক্ৰই নগাঁও ভোটাইগাঁৱৰ জ্যোতি লাইব্ৰেৰী আৰু তৰুণ সংঘত এখনি আলোচনা চক্ৰৰ আয়োজন কৰিছে বুলি সম্পাদক বসন্ত কৌশিক ভাগৱতীয়ে জনাইছে। আলোচনা চক্ৰৰ বক্তা হিচাপে উপস্থিত থাকিব কৰৈৱনী উচ্চত্তৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ শিশু সাহিত্যিক ৰিণ্টু দাস গোস্বামীয়ে। উক্ত দিনায়েই 'কলংপৰীয়া আলোচনা চক্ৰ'ই ৰামানুজন উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কবিতা পাঠ আৰু 'ভাৰত বিভাজনৰ উল্লিখনেৰে অসমীয়া সাহিত্য' শীৰ্ষক এটি বক্তৃতাৰো আয়োজন কৰিছে বুলি কলংপৰীয়া আলোচনা চক্ৰৰ সভাপতি প্ৰদীপ কুমাৰ শইকীয়া আৰু সম্পাদক বিচিত্ৰ নাৰায়ণ বৰাই জনাইছে। বক্তৃতা প্ৰদান কৰিব নগাঁও বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ বিশিষ্ট লেখক ড° দিলীপ শৰ্মাই। ২১ তাৰিখ শনিবাৰ আন্তাজাতিক মাতৃভাষা দিৱস। সেইদিনা নগাঁও সদৰ শাখা কবি সন্মিলনে মহেন্দ্ৰ বৰুৱা প্ৰাথমিক বিদ্যালয়ত কবি সন্মিলনৰ কেন্দ্ৰীয় কাৰ্য্যসূচী "কাব্য দিন" আৰু "কাব্যালোচনা"ৰ আয়োজন কৰিছে বুলি নগাঁও সদৰ শাখা কবি সন্মিলনৰ সভাপতি কবিতা বৰা আৰু সম্পাদক দিগন্ত ভাগৱতীয়ে জনাইছে।

# হোজাইত নিচামুক্ত সজাগতা সভা




**অসম বাৰ্তা, ডবকা, ২০ ফেব্ৰুৱাৰী ঃ** নিচামুক্ত এখন সমাজ গঢ়াৰ উদ্দেশ্যৰে এদল প্ৰশিক্ষাৰ্থীৰ প্ৰচেষ্টাত হোজাই জিলাৰ লংকাৰ মণিপুৰী কলাকৃষ্টি কেন্দ্ৰ ১ নং পিপল পুখুৰীত অনুষ্ঠিত কৰা হয় নিচা মুক্তি সজাগতা সভা। আজি অনুষ্ঠিত হোৱা এই সজাগতা সভাত কৃষ্ণ বৰা বি এড কলেজৰ দ্বিতীয় বৰ্ষৰ শিক্ষাৰ্থীসকলে লয় এই পদক্ষেপ। বিশেষকৈ দেৱী একাডেমী ইংলিচ স্কুল আৰু পি এম গাৰ্লছ স্কুলত শিক্ষা প্ৰদান কৰি থকা প্ৰশিক্ষাৰ্থীৰ প্ৰচেষ্টাত নিচাযুক্ত দ্ৰব্যই কেনেদৰে এখন সমাজ ধ্বংস কৰে, এটা পৰিয়াললৈ বিপৰ্যয় মাতি আনে এনে সমাজৰ স্পৰ্শকাতৰ বিষয়টোৰ পৰা সমাজখনক কিছু সকাহ দিয়াৰ মানসিকতাৰে এই প্ৰশিক্ষাৰ্থী সকলে অনুষ্ঠিত কৰে সজাগতা সভা। লংকা হাইস্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষক জয়বাবু ৱাহেংবামৰ সভাপতিত্বত অনুষ্ঠিত হোৱা এই সজাগতা সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে কৃষ্ণ বৰা বি এড কলেজৰ অধ্যক্ষ ড° মুস্তাফিজুৰ ৰহমান। বিশিষ্ট অতিথি হিচাপে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান লংকাৰ ব্লক প্ৰগেম বিষয়া নমিতা বৰা, পি এম গাৰ্লছ হাইস্কুলৰ প্ৰধান শিক্ষক সজন্তা চন্দ, কৃষ্ণ বৰা বি এড কলেজৰ সহকাৰী অধ্যাপিকা ড° সুৱপ্ৰভা দেৱৰয়, ছেহনাজ পাৰবিন চুলতানা, দেৱী একাডেমী ইংলিচ স্কুলৰ উপাধ্যক্ষ হৃষীকেষ দাস, মহিলা সমিতিৰ সভানেত্ৰী ইন্দিৰা দেৱী, গাঁও প্ৰধান সিংগাবা সিংহ উপস্থিত থকাৰ উপৰিও ব্ৰহ্মাকুমাৰী লংকা আৰু নগাঁও শাখাৰ সদস্যসকল আৰু স্থানীয় শতাধিক লোক উপস্থিত থাকে। শিক্ষাৰ্থী পিংকী শৰ্মা আৰু প্ৰিয়ংকা বিশ্বাসে আঁত ধৰা সজাগতা সভাত মুখ্য অতিথি ৰহমানে সমাজত নিচাজাতীয় সামগ্ৰীৰ ধ্বংসাত্মক প্ৰভাৱ বিষয়ে ব্যাখ্যা কৰাৰ লগতে উপস্থিত মাতৃসকলক সন্তানক নৈতিক শিক্ষা আৰু নিচাৰ অপকাৰিতা বিষয়ে ঘৰতে সজাগ কৰি ৰাখিব লাগিব বুলি উল্লেখ কৰে। ইফালে পি এম গাৰ্লছ হাইস্কুলৰ অধ্যক্ষ সজন্তা চন্দাই প্ৰত্যেক অভিভাৱকে নিজৰ সন্তানক সঠিক দিশত আগুৱাই নিয়াৰ দায়িত্ব নিজে ল'ব লাগিব বুলি উল্লেখ কৰে। এন এইচ এমৰ বিষয়া নমিতা বৰাই ভাষণ প্ৰসংগত নিচা আসক্তিৰ ক্ষতিকাৰক দিশসমূহ ব্যাখ্যা কৰি এই দিশত অভিযোগ দিবলৈ টোল ফ্ৰী নম্বৰ ১৪৪৪৬ ব্যৱহাৰ কৰিবলৈ আহ্বান জনায়। সজাগতা সভাৰ মাজতে প্ৰশিক্ষাৰ্থী সকলে "নিচা মুক্তি" শীৰ্ষক এখন সজাগতামূলক নাটক মঞ্চস্থ কৰি উপস্থিত দৰ্শক ৰাইজক সজাগ কৰাৰ প্ৰয়াস কৰে। কৃষ্ণ বৰা বি এড কলেজৰ প্ৰশিক্ষাৰ্থী সকলৰ এনে এক মহৎ পদক্ষেপে সমাজলৈ এক ইতিবাচক বাৰ্তা কঢ়িয়াই আনিছে।

**অৰুণাচলত সোণোৱাল কছাৰী সাহিত্য সভাৰ ইতিহাসবিদ, লেখক ৰজনীকান্ত হাজৰিকাক স্মৰণ**

# বিশিষ্ট লেখক জীৱকান্ত বড়াক ৰজনীকান্ত হাজৰিকা সোঁৱৰণী বঁটা প্ৰদান

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২০ ফেব্ৰুৱাৰী ঃঃ** সোণোৱাল কছাৰী সাহিত্য সভাৰ এগৰাকী বিশিষ্ট চিন্তাবিদ, ইতিহাসবিদ, লেখক আৰু বিখ্যাত গ্ৰন্থ 'মংগোল কছাৰীৰ গুপ্ত ইতিহাস'ৰ প্ৰণেতা ৰজনীকান্ত হাজৰিকাৰ সোঁৱৰণত পোনপ্ৰথম বাৰৰ বাবে প্ৰৱৰ্তন কৰা 'ৰজনীকান্ত হাজৰিকা সোঁৱৰণী বঁটা' প্ৰদান কৰা হৈছে এগৰাকী ঔপন্যাসিক, লেখক, সমাজকৰ্মী তথা অৰুণাচল প্ৰদেশৰ নামচাইৰ কুমাৰী কছাৰী গাঁৱৰ নিৱাসী জীৱকান্ত বড়াক। বৃহস্পতিবাৰে অৰুণাচল প্ৰদেশৰ নামচাই জিলা সমিতিৰ সহযোগত কুমাৰী কছাৰী গাঁৱৰ মিলনজ্যোতি যুৱক সংঘৰ প্ৰেক্ষাগৃহত সোণোৱাল কছাৰী সাহিত্য সভাই আয়োজন কৰা ৰজনীকান্ত হাজৰিকা স্মৃতি দিৱসৰ মুকলি সভাত 'ডালাই ভেলীৰ ঢৌ, কুমাৰী কছাৰীৰ ইতিহাস' আদিকে ধৰি কেইবাখনো গ্ৰন্থৰ স্ৰষ্টা জীৱকান্তবড়াক এইবঁটা প্ৰদান কৰা হয়। এই উপলক্ষ্যে সভাৰ সভাপতি মোহন সোণোৱালৰ পৌৰোহিত্যত অনুষ্ঠিত 'ৰজনীকান্ত হাজৰিকাৰ জীৱন আৰু কৃতী' শীৰ্ষক গাম্ভীৰ্যপূৰ্ণ সভাত সোণোৱাল জনজাতিৰ এগৰাকী গৱেষক, লেখক, সমাজকৰ্মী তথা মুখ্য অতিথি ডাঃ জীতেন বড়াই ভাষণ প্ৰদান কৰি ৰজনীকান্ত হাজৰিকাৰ জীৱন-কৃতী সম্পৰ্কে চমুকৈ আলোকপাত কৰাৰ লগতে তেখেতৰ অমূল্য সৃষ্টি 'মংগোল কছাৰীৰ গুপ্ত ইতিহাস' সোণোৱাল কছাৰী তথা অসমীয়া ভাষা-সাহিত্যৰ এক অমূল্য সম্পদ বুলি উল্লেখ কৰে আৰু এই গ্ৰন্থখনিৰ সম্পৰ্কে গৱেষণা কৰাৰ পোষকতা কৰি ৰজনীকান্ত হাজৰিকাৰ দৰে ব্যক্তিক নতুন প্ৰজন্মৰ মাজত, জনজীৱনৰ মাজত জীয়াই ৰখাৰ বাবে স্মৃতিচাৰণ কাৰ্যসূচী গ্ৰহণ কৰাৰ বাবে সাহিত্য সভাৰ শলাগ লয়। সভাৰ পত্ৰিকা সম্পাদক কল্পজিত সোণোৱালে আঁতধৰা আৰু নামচাই জিলা সমিতিৰ সম্পাদক ৰতন সোণোৱালে আদৰণী ভাষণ প্ৰদান কৰা কাৰ্যসূচীত আমন্ত্ৰিত অতিথি হিচাপে অংশগ্ৰহণ কৰি 'সোণোৱাল বাৰ্তা'ৰ সম্পাদক ৰতন হাজৰিকাই ভাষণ প্ৰসংগত এইগৰাকী ব্যক্তিৰ নামত বঁটা প্ৰৱৰ্তন কৰি বিশেষভাৱে সন্মান প্ৰদান কৰা হৈছে বুলি মন্তব্য কৰাৰ লগতে বঁটাপ্ৰাপ্ত ব্যক্তিগৰাকীও সন্মানিত হোৱাৰ কথাই সোণোৱাল জনজাতিয়ে দায়বদ্ধতা স্বীকাৰ কৰা জাতি বুলি পৰিচয় প্ৰদান কৰিলে বুলি উল্লেখ কৰে। সভাত উপস্থিত থাকি সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য বসন্ত সোণোৱালে অৰুণাচল প্ৰদেশত বসবাস কৰা সোণোৱাল লোক সকলৰ বাবে অহা বিত্তীয় বৰ্ষত বিশেষভাৱে পুঁজিৰ আৱণ্টনৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি ভাষণত উল্লেখ কৰে। সভাত সদৌ অৰুণাচল সোণোৱাল কছাৰী ছাত্ৰ সন্থাৰ সভাপতি বিক্ৰম সোণোৱাল, অৰুণাচল প্ৰদেশ কছাৰী জাতি উন্নয়ন পৰিষদৰ সভাপতি মোহন চন্দ্ৰ ফাটোৱালী, অৰুণাচল প্ৰদেশৰ সদৌ সোণোৱাল কছাৰী নাৰী সন্থাৰ সভানেত্ৰী অজন্তা সোণোৱালে অৰুণাচল প্ৰদেশৰ বসবাস কৰা সোণোৱাল জনজাতিৰ ৰাইজৰ ৰাজনৈতিক, সামাজিক আৰু সাংস্কৃতিক সমস্যাসমূহৰ ওপৰত আলোকপাত কৰি ইয়াক নিৰাময়ৰ বাবে অসমস্থিত সোণোৱাল জনজাতিৰ সকলো সংগঠন তথা ৰাইজৰ লগতে স্বায়ত্তশাসিত পৰিষদক সহযোগিতাৰ বাবে আহ্বান জনায়। আনহাতে মুখ্য সম্পাদক মৃদুল সোণোৱালে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি সভাৰ দ্বাৰা 'সোণোৱালৰ পূৰ্ণাংগ শব্দকোষ' প্ৰণয়নৰ কাম সমাপ্ত হোৱাৰ লগতে ২০২৭ বৰ্ষৰ ভিতৰত সোণোৱাল কছাৰী ইতিহাস প্ৰণয়নৰ কাম সমাপ্ত কৰাৰ বাবেচেষ্টা চলাই থকা হৈছে বুলি উল্লেখ কৰে। সভাত বঁটাপ্ৰাপক জীৱকান্ত বড়াই অত্যন্ত আৱেগিক হৈ নিজৰ অনুভৱ ব্যক্ত কৰে। সভাৰ অন্যতম সম্পাদক জয়া বড়াই শলাগ জ্ঞাপন কৰা সভাত সোণোৱাল কছাৰী সাহিত্য সভাৰ উপদেষ্টা মহেন্দ্ৰনাথ সোণোৱাল, উপসভাপতি সুমন্ত বড়া, মণিদীপা লালোৱাৰী, সাংস্কৃতিক সম্পাদক প্ৰশান্ত বড়া, সাংগঠনিক সম্পাদক নেত্ৰ সোণোৱাল, ৰঞ্জিত সোণোৱাল, ৰঞ্জন সোণোৱাল, কাৰ্যালয় সম্পাদক ভৱেন সোণোৱাল, সদস্য লনেন সোণোৱাল, অৰুণাচল প্ৰদেশৰ সদৌ সোণোৱাল কছাৰী জাতীয় পৰিষদৰ সভাপতি যতীন সোণোৱাল, সোণোৱাল সাহিত্য সভাৰ প্ৰাক্তন উপসভাপতি অৰবিন্দ বড়া, প্ৰাক্তন সাংগঠনিক সম্পাদক দেৱানন্দ সোণোৱাল, শ্যামল সোণোৱালকে ধৰি অৰুণাচল প্ৰদেশৰ চাংলাং আৰু নামচাই জিলাৰ ২৮খন গাঁৱৰ তিনি শতাধিক ৰাইজ উপস্থিত থাকে। ইয়াৰ পূৰ্বে সভাৰ পতাকা উন্মোচন কৰে ক্ৰমে কেন্দ্ৰীয় সমিতিৰ সভাপতি মোহন সোণোৱাল আৰু নামচাই জিলা সমিতিৰ সভাপতি পূৰ্ণকান্ত সোণোৱালে। ৰজনীকান্ত হাজৰিকাৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাৰ্ঘ নিবেদন কাৰ্যসূচী মুকলি কৰে সভাৰ মুখ্য সম্পাদক মৃদুল সোণোৱালে।

# ছৈবাৰী বিদ্যাপীঠ হাইস্কুলৰ শিক্ষক নিৰঞ্জন দৈমাৰীৰ পৰলোক

**ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ২০ ফেব্ৰুৱাৰী ঃ** ওদালগুৰি জিলাৰ টংলাৰ সমীপৰ ছৈবাৰী বিদ্যাপীঠ হাইস্কুলৰ বড়ো মাধ্যমৰ শিক্ষক নিৰঞ্জন দৈমাৰীৰ কালি গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত ৫৬ বছৰ বয়সত মৃত্যু ঘটে। তেওঁ যোৱা ১৬ ফেব্ৰুৱাৰীত ঘৰতে এক দুৰ্ঘটনাত পতিত হৈ চিকিৎসালয়খনত চিকিৎসাধীন হৈ আছিল। পানেৰী থানাৰ অন্তৰ্গত তৰাবাৰী গাঁৱত ১৯৭০ চনৰ ১ফেব্ৰুৱাৰীত জন্ম গ্ৰহণ কৰা দৈমাৰীয়ে স্নাতক ডিগ্ৰী লাভ কৰাৰ পিছত ২০ এপ্ৰিল ১৯৯৬ তাৰিখে ছৈবাৰী বিদ্যাপীঠ হাইস্কুলত সহকাৰী শিক্ষক পদত যোগদান কৰে আৰু সুদীৰ্ঘ ৩০ বছৰ শিক্ষকতা কৰাৰ অন্তত কালি তেওঁৰ মৃত্যু ঘটে। তেওঁ মৃত্যুৰ সময়ত পত্নী আৰু দুটি পুত্ৰ-কন্যা সন্তান এৰি থৈ যায়। তেওঁৰ মৃত্যুত ছৈবাৰী বিদ্যাপীঠ হাইস্কুল, টংলা আঞ্চলিক কৰ্মচাৰী পৰিষদ, পুৰন্দিয়া সাহিত্য সভা, টংলা প্ৰেছ ক্লাৱ আদিয়ে শোক প্ৰকাশ কৰিছে।

## শিৱসাগৰত সদৌ অসম অনুসূচীত জাতি ছাত্ৰ সন্থাৰ সংবাদমেল

**অসম বাৰ্তা, জয়সাগৰ, ২০ ফেব্ৰুৱাৰী ঃ** শিৱসাগৰৰ প্ৰেছ ক্লাৱত এই সংবাদ মেল অনুসূচিত জাতি ছাত্ৰ সন্থাই। বিধানসভা বাজেটত প্ৰতিবাৰেই অনুসূচীত জাতিক অপমান কৰা অভিযোগ সংগঠনটোৰ। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু মন্ত্ৰী পিযুষ হাজৰিকা অনুসূচীত জাতিৰ শত্ৰু বুলি আখ্যা কৰে সংগঠনটোৱে। অনুসূচীত জাতিৰ ভূমি পাত্তা নাই, জাতিটোক ৰাজনৈতিক, অৰ্থনৈতিক ভাৱে উপেক্ষিত কৰা অভিযোগ। প্ৰলোভনৰ ৰাজনীতিৰে প্ৰতিবাদ মষিমূৰ কৰাৰ ষড়যন্ত্ৰ। শেহতীয়া বাজেটত পুনৰ অনুসূচিত জাতিক প্ৰতাৰণা। অনুসূচিত জাতিৰ সংৰক্ষিত সমষ্টিৰ মন্ত্ৰী বিধায়কেও ছদ্মবেশী অনুসূচিত জাতিৰ লোকে ভুৱা প্ৰমাণপত্ৰ লৈ অনুসূচিত জাতিৰ সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক অধিকাৰ কাঢ়ি অনা অভিযোগ। অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু মন্ত্ৰী পিযুষ হাজৰিকাক অনুসূচিত জাতিৰ প্ৰধান শত্ৰু বুলি অভিহিত কৰে বিগত ১০টা বছৰে অনুসূচিত জাতিটোৰ প্ৰতি কিঞ্চিৎ মনো সহমৰ্মিতা নেদেখুৱা এই চৰকাৰৰ হিমন্ত-পিযুষে নিৰ্বাচনলৈ এক মাহ সময় থাকোঁতে অসমৰ বিভিন্ন ঠাইত ধাৰাবাহিক ভাৱে চলি থকা এখন আন্দোলনক মষিমূৰ কৰিবলৈ কিছুমান তৈলমৰ্দনকাৰীক ততাতৈয়াকৈ মাতি নি আলোচনাত মিলিত হোৱাৰ নাটকৰে টুপী দিয়া ৰাজনীতি কৰিছে। অহা ২৩ ফেব্ৰুৱাৰীত ধেমাজি জিলাত, ২৪ ফেব্ৰুৱাৰীত নগাঁও জিলাত, ২৫ ফেব্ৰুৱাৰীত বিশ্বনাথ জিলাত আৰু ২৮ ফেব্ৰুৱাৰীত তিনিচুকীয়া জিলাত পুনৰ "অগ্নিশিখা সমদল" কাৰ্য্যসূচী ৰূপায়ণ কৰা হ'ব বুলি ঘোষণা কৰিলে সন্থাই।

## পুৰণা আমোলাপট্টি নামঘৰৰ প্ৰেক্ষাগৃহ উদ্বোধনী অনুষ্ঠানত সত্ৰাধিকাৰ ননীগোপাল দেৱগোস্বামী

# "ধৰ্মৰ অৰ্থ হৈছে উপায়, যি উপায়েৰে মানুহ আৰু ঈশ্বৰৰ মাজৰ সম্পৰ্ক সুদৃঢ় হ্য় সেয়াই হৈছে ধৰ্ম"



**ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ২০ ফেব্ৰুৱাৰী ঃ** শিৱসাগৰ নগৰৰ পুৰণা আমোলাপট্টি নামঘৰৰ প্ৰাংগণত শিৱসাগৰৰ বিশিষ্ট সমাজকৰ্মী দেৱজিৎ কাকতিয়ে তেখেতৰ প্ৰয়াত পিতৃ মাণিক চন্দ্ৰ কাকতিৰ স্মৃতিত এটা অত্যাধুনিক প্ৰেক্ষাগৃহ নিৰ্মাণ কৰি আজি নামঘৰ সমাজৰ হাতত অৰ্পণ কৰে। সমাজকৰ্মী দেৱজিৎ কাকতি আৰু তেখেতৰ সহধৰ্মিনী ডাঃ কবিতা শৰ্মা কাকতিয়ে যুগ্ম ভাৱে ১০ লক্ষাধিক টকাৰে নিৰ্মাণ কৰা এই অত্যাধুনিক প্ৰেক্ষাগৃহটি আজি আনুষ্ঠানিকভাৱে ভাৱে উদ্বোধন কৰে দক্ষিণপাট সত্ৰৰ সত্ৰাধিকাৰ ননীগোপাল দেৱগোস্বামীয়ে। পুৰণা আমোলাপট্টি নামঘৰ সমাজৰ কাৰ্যকৰী সভাপতি নিপন বৰদলৈয়ে পৰিচালনা কৰা এই সভাত নামঘৰৰ চৌহদত অতি সুন্দৰ ভাৱে এই প্ৰেক্ষাগৃহটি নিৰ্মাণ কৰি দিয়াৰ বাবে সত্ৰাধিকাৰ ননীগোপাল দেৱগোস্বামীয়ে দাতা পৰিয়ালৰ দেৱজিৎ কাকতি আৰু ডাঃ কবিতা শৰ্মা কাকতিক তেওঁলোকে আগবঢ়োৱা বদান্যতাৰ শলাগ লৈ এখন কৃতজ্ঞতা পত্ৰ প্ৰদান কৰে। তাৰ পিছতেই এই অত্যাধুনিক প্ৰেক্ষাগৃহটি আনুষ্ঠানিক ভাৱে উদ্বোধন কৰি দক্ষিনপাট সত্ৰৰ সত্ৰাধিকাৰ ননীগোপাল দেৱগোস্বামীয়ে কয় যে, পিতৃৰ বাবে তৰ্পণ শ্ৰদ্ধা সহকাৰে তৰ্পণ কৰাটোকেই শ্ৰাদ্ধ বুলি কোৱা হয়। পুত্ৰই পিতৃৰ উদ্দেশ্যে যি দ্ৰব্য শ্ৰদ্ধা সহকাৰে প্ৰদান কৰে তাকেই শ্ৰাদ্ধ বুলি কোৱা হয়। পিতৃৰ স্থান সকলো দেৱতাতকৈ উচ্চ। পিতৃ সেৱাৰ জৰিয়তে আমি সকলো দেৱতাৰ আশীৰ্বাদ লাভ কৰিব পাৰোঁ। সেইবাবে পিতা স্বৰ্গ আৰু পিতা ধৰ্ম বুলি উল্লেখ কৰা হ্য়। আনহাতে, ধৰ্ম হৈছে এটা উপায়। যি উপায়েৰে আমি সমাজখনক ওপৰলৈ তুলি ধৰোঁ। যি উপায়েৰে মানুহৰ মাজত সমন্বয়ৰ সেতু নিৰ্মাণ কৰা হয় আৰু যি উপায়েৰে মানুহ আৰু ঈশ্বৰৰ মাজৰ সম্পৰ্ক সুদৃঢ় হ্য়। তাকেই প্ৰকৃতাৰ্থত ধৰ্ম বুলি কোৱা হয়। পুত্ৰৰ বাবে পিতৃ হ'ল ধৰ্মস্বৰূপ। পিতৃয়েহে পুত্ৰক জীৱনৰ সঠিক পথৰ সন্ধান দিয়ে। ধৰ্মই যিদৰে মানৱ জাতিক সুৰক্ষিত কৰি ৰাখিছে। ঠিক তেনেদৰে একোজন পিতৃয়ে নিজৰ পুত্ৰক সততা আৰু নিষ্ঠাৰে মানৱ সম্পদ হিচাপে গঢ়াৰ বাবে মৃত্যু পৰ্যন্ত প্ৰয়াস কৰে। এগৰাকী সফল পুত্ৰ হিচাপে দেৱজিৎ কাকতিয়ে এই দেৱগৃহ আগবঢ়াই নামঘৰ সমাজক উপকৃত কৰিলে বুলি সত্ৰাধিকাৰ ননীগোপাল দেৱগোস্বামীয়ে মন্তব্য কৰে। এই উদ্বোধনী অনুষ্ঠানত বিশিষ্ট শিক্ষাবিদ দীপালী চলিহা, ডাঃ ৰাজীৱ বৰুৱা, বাবুল বৰদলৈ, যতীন্দ্ৰ নাৰায়ণ শৰ্মা আৰু ৰজনী চাংকাকতিকে ধৰি বিশিষ্ট ব্যক্তি সকল উপস্থিত থাকে।

**ধোৱাৰগাঁৱত অসম দৰ্শন আঁচনিৰ জৰিয়তে শিৱ মন্দিৰৰ লাইখুঁটা স্থাপন**

# নিজৰ গাঠিৰ ধনেৰে ঠাকুৰপাৰাত ৰাজহুৱা শ্মশান উপহাৰ দিলে গুৱাহাটীৰ মেয়ৰ মৃগেন শৰণীয়াই

**অসম বাৰ্তা, ছয়গাঁও, ২০ ফেব্ৰুৱাৰী ঃ** দক্ষিণ কামৰূপৰ বকো ছয়গাঁও সমষ্টিৰ অন্তৰ্গত ঠাকুৰপাৰাত আজি দুপৰীয়া গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেণ শৰণীয়া উপস্থিত হৈ মুকলি কৰিলে এখন ৰাজহুৱা শ্মসান। পূৰ্বে ৰাইজক প্ৰতিশ্ৰুতি দি কথা দি কথা ৰাখিলে গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াই। বকো ছয়গাঁও সমষ্টিৰ অন্তৰ্গত ঠাকুৰপাৰা সত্ৰ ৰাইজৰ সুবিধাৰ্থে নিজৰ প্ৰায় ৩ লাখ টকা ধনেৰে নিৰ্মাণ কৰে এই আটকধুনীয়া স্মসানখন। সমাগত বিধানসভা নিৰ্বাচনৰ পূৰ্বে প্ৰতিটো ৰাজনৈতিক দল তথা প্ৰাৰ্থীত্ব প্ৰত্যাশীয়ে প্ৰচাৰ চলাই থকাৰ মাজতে আজি এবছৰ ধৰি বকো ছয়গাঁৱৰ বিভিন্ন অঞ্চলত প্ৰচাৰ চলাই আছে বিজেপি দলৰ প্ৰাৰ্থীত্ব প্ৰত্যাশী তথা গুৱাহাটীৰ মেয়ৰ মৃগেন শৰণীয়াই। আজি দিনজোৱা কাৰ্যসূচীৰে প্ৰথমে ধোৱাৰগাঁও শিৱ মন্দিৰ ৰাইজ গয়ৰহে লাভ কৰা অসম দৰ্শন আঁচনিৰ ডেৰ লাখ টকাৰে নিৰ্মাণ কৰিবলগীয়া এটি গৃহৰ লাইখুঁটা স্থাপন কৰে মৃগেন শৰণীয়াই। ইয়াৰ পিছতে তেওঁ নতুন জাৰাবাৰীৰ শিৱ মন্দিৰত উপস্থিত হয়। তাৰ পিছতে সাতগাঁও আঞ্চলিক মধ্য আৰু উচ্চ মাধ্যমিক বিদ্যালয়ত উপস্থিত হয়। উল্লেখযোগ্য যে শ্ৰী শ্ৰীঠাকুৰপাৰা সত্ৰত উপস্থিত হোৱাৰ লগে লগে সহস্ৰাধিক ৰাইজে মৃগেন শৰণীয়াক গায়ণ



বায়নেৰে সত্ৰলৈ আদৰি আনি ফুলাম গামোচা, জাপি, অভিনন্দন পত্ৰৰে উষ্ম আদৰণি জনায়। আনহাতে প্ৰতিটো অনুষ্ঠানতে মেয়ৰ মৃগেন শৰণীয়াক সংগ দিয়ে দক্ষিণ কামৰূপ জিলা বিজেপিৰ উপ সভাপতি প্ৰফুল্ল মেধি, কৃষাণ মৰ্চাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য ধীৰাজ ঠাকুৰীয়া, দক্ষিণ কামৰূপ জিলা বিজেপিৰ যুৱ মৰ্চাৰ সম্পাদক খনিন্দ্ৰ কলিতা, মণ্ডলৰ উপ সভাপতি হেমন্ত দাস, পঞ্চায়ত প্ৰতিনিধি দেৱজিৎ কলিতা প্ৰমুখ্যে ভালেমান বিশিষ্ট ব্যক্তি।

## এ আই শীৰ্ষ সন্মিলনত

লৈ ৰাজনৈতিক বিতৰ্ক তীব্ৰতৰ হৈ পৰিছে। কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজুৱে এই কাৰ্যক "ৰাষ্ট্ৰীয় লজ্জাজনক" বুলি অভিহিত কৰি কংগ্ৰেছক তীব্ৰ সমালোচনা কৰিছে। দিল্লী আৰক্ষীয়ে এই ঘটনা সন্দৰ্ভত যুৱ কংগ্ৰেছ কৰ্মীৰ বিৰুদ্ধে গোচৰ ৰুজু কৰি কেইজনমানক গ্ৰেপ্তাৰ কৰিছে। শুকুৰবাৰে দিল্লী আৰক্ষীৰ অতিৰিক্ত আয়ুক্ত দেৱেশ কুমাৰ মাহলাই জনোৱা মতে, ভাৰতীয় ন্যায় সংহিতাৰ বিভিন্ন ধাৰাত (৬১(২), ১২১(১), ১৩২, ১৯৫(১), ২২১, ২২৩(এ), ১৯০, ১৯৬, ১৮৭, ৩(৫)) গোচৰ ৰুজু কৰা হৈছে। এই ধাৰাসমূহৰ ভিতৰত ৰাজহুৱা সেৱকক আঘাত কৰা, আজ্ঞা অমান্য কৰা, অবৈধ সমাৱেশ আৰু ষড়যন্ত্ৰৰ অভিযোগ অন্তৰ্ভুক্ত। চাৰিজন প্ৰতিবাদকাৰীক ইতিমধ্যে গ্ৰেপ্তাৰ কৰা হৈছে বুলি আৰক্ষী সূত্ৰে জানিবলৈ দিছে। ভাৰতীয় যুৱ কংগ্ৰেছে প্ৰতিবাদক "প্ৰধানমন্ত্ৰীৰ দ্বাৰা দেশৰ পৰিচয়ৰ সৈতে আপোচ কৰা"ৰ বিৰুদ্ধে বুলি দাবী কৰিছে। দলটোৱে অভিযোগ কৰিছে যে সন্মিলনত ভাৰতৰ পৰিচয়ৰ সৈতে আপোচ কৰা হৈছে। প্ৰতিবাদকাৰীসকলে প্ৰথমে ক'লা ছাতিৰে প্ৰৱেশৰ পৰিকল্পনা কৰিছিল যদিও নিৰাপত্তা পৰীক্ষাত ধৰা পৰাৰ ভয়ত টি-চাৰ্টত ছপা বাৰ্তা লিখি প্ৰতিবাদ কৰে। বিহাৰ আৰু তেলেংগানাৰ পৰা দুদিন আগতে আহি প্ৰতিবাদকাৰীসকলে এই কাৰ্যসূচী ৰূপায়িত কৰে। কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে সন্মিলনক সমালোচনা কৰি কয় যে "ভাৰতৰ প্ৰতিভা আৰু তথ্যৰ লাভ উঠোৱাৰ পৰিৱৰ্তে এই অনুষ্ঠান এটা অসংগঠিত জনসংযোগৰ দৃশ্য হৈ পৰিছে। ভাৰতীয় তথ্য বিক্ৰীৰ বাবে চীনৰ সামগ্ৰী প্ৰদৰ্শন কৰা হৈছে।" এই ঘটনাক লৈ বিজেপিৰ পক্ষৰ পৰা তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ পাইছে। কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে কয় যে "এ আই শীৰ্ষ সন্মিলন বিশ্বব্যাপী অনুষ্ঠান, বিজেপিৰ ৰেলী নহয়। কংগ্ৰেছে দেশক লজ্জিত কৰিছে।" প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে প্ৰতিবাদক "লজ্জাজনক" আৰু "ভাৰত বিৰোধী" বুলি অভিহিত কৰি কয় যে "কংগ্ৰেছে বিশ্বৰ আগত ভাৰতৰ ভাবমূৰ্তি কলংকিত কৰিছে। ছোনিয়া গান্ধী আৰু মল্লিকাৰ্জুন খৰ্গেক সুধিব বিচাৰোঁ যে তেওঁলোকৰ বাবে ৰাজনীতি দেশতকৈ ডাঙৰ নেকি?" প্ৰতিবাদৰ পিছতে বিজেপি যুৱ মৰ্চাই ৰাহুল গান্ধীৰ বাসগৃহৰ সন্মুখত বিক্ষোভ প্ৰদৰ্শন কৰে যদিও আৰক্ষীয়ে কেইজনমানক আটক কৰে। এই ঘটনাই ২০২৬ৰ অসম বিধানসভা নিৰ্বাচনৰ প্ৰেক্ষাপটত ৰাজনৈতিক উত্তাপ বৃদ্ধি কৰিছে। বিজেপিয়ে ইয়াক কংগ্ৰেছৰ "দেশবিৰোধী" মনোভাৱৰ প্ৰমাণ বুলি প্ৰচাৰ কৰিবলৈ আৰম্ভ কৰিছে, আনহাতে কংগ্ৰেছে ইয়াক চৰকাৰৰ বিৰুদ্ধে প্ৰতিবাদ বুলি দাবী কৰিছে।

## বিলুপ্তিৰ মুখত উত্তৰ-পূবৰ

ফলত বহুতো ভাষাৰ অস্তিত্ব সংকটাপন্ন হৈ পৰিছে। গাঁৱৰ পৰা চহৰলৈকে ভাষাৰ ব্যৱহাৰ ক্ৰমান্বয়ে হ্ৰাস পাই আহিছে আৰু কিছুমান ভাষা সম্পূৰ্ণৰূপে বিলুপ্ত হোৱাৰ দুৱাৰদলিত উপনীত হৈছে। ভাৰত চৰকাৰৰ প্ৰেছ ইনফৰ্মেচন ব্যুৰ'ৰ তথ্য অনুসৰি ১৮৯৪ চনত জৰ্জ আব্ৰাহাম গ্ৰিয়াৰ্ছনে ভাৰতীয় ভাষাৰ প্ৰথম সমীক্ষা আৰম্ভ কৰিছিল। তাৰ পিছত ১৯৬১ চনৰ লোকপিয়লত ৫০টাৰো অধিক ভাষাক বিলুপ্তিৰ দুৱাৰদলিত চিনাক্ত কৰা হৈছিল। সেই সময়ত দেশত ১, ৬৫২টা মাতৃভাষা প্ৰচলিত আছিল। বৰ্তমান এই সংখ্যা যথেষ্ট বৃদ্ধি পাইছে যদিও বহুতো ভাষাৰ অস্তিত্ব বিপন্ন হৈ পৰিছে। শেহতীয়া প্ৰতিবেদন অনুসৰি ভাৰতত ১১৭টাৰো অধিক ভাষা অস্তিত্বৰ সংকটত আছে। বিগত পাঁচ দশকত ভাৰতে প্ৰায় বিশ শতাংশ ভাষা হেৰুৱাইছে। পিপল'ছ লিংগুইষ্টিক ছাৰ্ভে অব ইণ্ডিয়াৰ সমীক্ষাত উল্লেখ কৰা হৈছে যে দেশত প্ৰায় ২২০টা ভাষা বিলুপ্ত হৈ গৈছে। ইউনেস্কোৱে ১৯৯৯ চনত ২১ ফেব্ৰুৱাৰীক আন্তঃৰাষ্ট্ৰীয় মাতৃভাষা দিৱস হিচাপে ঘোষণা কৰিছিল। এই বছৰৰ বিষয়বস্তু "বহুভাষিক শিক্ষাত যুৱ কণ্ঠ।" অসমকে ধৰি উত্তৰ-পূবৰ আঠখন ৰাজ্যত মুঠ ৪৩টা ভাষা বিলুপ্তিৰ পথত আছে। এমোল, টাংগম, শেৰডুকপেন, চিংফৌ, তাৰাঅ' আদি ভাষাৰ ওপৰত বিশেষকৈ সংকটৰ ক'লীয়া ডাৱৰ পৰিছে। এই ভাষাবোৰ কোৱা লোকৰ সংখ্যা ক্ৰমান্বয়ে হ্ৰাস পাই আহিছে। উত্তৰ ভাৰতত স্পীতি, জাড়, দৰমিয়া, গৈহৰী, কনাশী আদি প্ৰায় ২৫টা ভাষা বিপন্ন। গুজৰাট, মহাৰাষ্ট্ৰ, ৰাজস্থান অঞ্চলত নিহালী, বৰাডী, ভৰৰাড়, দিবেহী, ভালা আদি পাঁচটা ভাষা সংকটাপন্ন। দক্ষিণ ভাৰতত ছোলিগা, জেনু, কুৰুম্বা, সিদ্ধি, উৰালী, টোড়া আদি বিশটা ভাষা বিপন্ন। আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জত ছেণ্টিনলীজ, অংগে, ছোম্পেন, লৈমোংছে, লুৰী ভাষা সাংঘাতিকভাৱে সংকটত পৰিছে। আন্দামানৰ 'ছাৰে' ভাষা বৰ্তমান পাহৰণিৰ গৰ্ভত। এই ভাষা জনা একমাত্ৰ এগৰাকী মহিলা বাচি আছে। ২০১০ চনত মহান আন্দামানী ভাষা খোৰা আৰু বৌ সম্পূৰ্ণৰূপে বিলুপ্ত হৈছে। ইউনেস্কোৰ প্ৰতিবেদন অনুসৰি আহোম, আণ্ড্ৰো, ৰাংকাছ, ছেংমৈ আৰু তোলচাৰ দৰে ভাষাও নোহোৱা হৈ গৈছে। ইউনেস্কোৰ Atlas of the World's Languages in Danger প্ৰতিবেদন অনুসৰি ১৯৫০ চনৰ পৰা এতিয়ালৈকে বিশ্বত শতাধিক ভাষা বিলুপ্ত হৈছে। ২০১৭ চনত ২, ৪৬৪টা ভাষা সংকটাপন্ন আছিল। এই শতিকাৰ শেষলৈকে বিশ্বৰ প্ৰায় আধা ভাষা বিলুপ্ত হ'ব পাৰে। ভাৰতত ভাষা বিলুপ্তিৰ সংখ্যা সৰ্বাধিক। ২০২৬ লৈকে ভাৰতৰ অষ্টম অনুসূচীত ২২টা ভাষা অন্তৰ্ভুক্ত হৈ আছে। ২০১১ চনৰ লোকপিয়লত ২, ৮৪৩টা কথিত মাতৃভাষা চিনাক্ত হৈছিল। বিশ্বৰ সৰ্বাধিক ব্যৱহৃত ভাষাৰ তালিকাত ইংৰাজী শীৰ্ষত আছে, তাৰ পিছত চীনা (মান্দাৰিন), হিন্দী, স্পেনিচ, আৰবী, ফৰাচী, বাংলা, পৰ্তুগীজ, ৰাছিয়ান আৰু উৰ্দু। ভাৰতত হিন্দী সৰ্বাধিক প্ৰচলিত, তাৰ পিছত বাংলা আৰু মাৰাঠী। আজিৰ আন্তঃৰাষ্ট্ৰীয় মাতৃভাষা দিৱসত ভাষা সংৰক্ষণৰ প্ৰয়োজনীয়তা আৰু অধিক স্পষ্ট হৈ পৰিছে। ভাষা হেৰালে সংস্কৃতি, জ্ঞান, পৰম্পৰা আৰু পৰিচয়ৰ এক অমূল্য অংশ হেৰায়। সকলোৱে মিলি মাতৃভাষা আৰু স্থানীয় ভাষাসমূহৰ সংৰক্ষণ আৰু প্ৰচাৰত অগ্ৰণী ভূমিকা ল'ব লাগিব যাতে ভৱিষ্যত প্ৰজন্মই নিজৰ ভাষাৰ সৌন্দৰ্য আৰু গভীৰতা অনুভৱ কৰিব পাৰে।

## আৰু কি বাকী আছেগৈ?

বাবে এক আৱেগিক তীৰ্থস্থান। ইয়াত প্ৰতিদিনে অসংখ্য অনুৰাগীয়ে উপস্থিত হৈ ফুল, চাকি, সংগীত আৰু শ্ৰদ্ধাঞ্জলিৰে প্ৰাণৰ শিল্পীগৰাকীক স্মৰণ কৰে। কিন্তু বিদ্যুৎ বিচ্ছিন্ন হোৱাৰ ফলত গভীৰ অন্ধকাৰত নিমজ্জিত হৈ পৰিছে এই পবিত্ৰ স্থান — জুবিনৰ শেষ বিশ্ৰামভূমি। কেৱল মাটিৰ চাকিৰ মৃদু পোহৰেৰে জুবিনক্ষেত্ৰৰ পৰিৱেশ আলোকিত হৈ আছে, যিয়ে অনুৰাগীসকলৰ মনত গভীৰ হতাশা আৰু ক্ষোভৰ সৃষ্টি কৰিছে। সামাজিক মাধ্যমত এই ঘটনাৰ খবৰ বিয়পি পৰাৰ লগে লগে জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। ফেচবুকত এটা আক্ষেপ আৰু বেদনাভৰা পোষ্টত তেওঁ লিখিছে — "সোণাপুৰৰ জুবিন ক্ষেত্ৰত বিচ্ছিন্ন বিদ্যুৎ সংযোগ। আৰু কি বাকী আছেগৈ? কি ইমান অপকাৰ কৰিছে জুবিন গাৰ্গ নামৰ নিষ্পাপ মানুহজনে যে তেওঁক এনেদৰে অন্ধকাৰৰ গহ্বৰলৈ ঠেলি নি আছে?" গৰিমা শইকীয়া গাৰ্গৰ এই মন্তব্যই জুবিন অনুৰাগীসকলৰ মাজত নতুনকৈ প্ৰশ্নৰ সৃষ্টি কৰিছে। বহুতে দীৰ্ঘদিন ধৰি সামাজিক মাধ্যমত জুবিনক্ষেত্ৰৰ সৌন্দৰ্যবৰ্ধন, সু-পৰিচালনা আৰু যথাযথ ৰক্ষণাবেক্ষণৰ দাবী উত্থাপন কৰি আহিছে। এই ঘটনাই সেই দাবীসমূহক আৰু অধিক জোৰদাৰ কৰি তুলিছে। স্থানীয় বাসিন্দা আৰু অনুৰাগীসকলে এই বিদ্যুৎ বিচ্ছিন্নতাক "দুৰ্ভাগ্যজনক" বুলি অভিহিত কৰিছে। সকলোৱে একমত যে সংগীত, শ্ৰদ্ধা আৰু স্মৃতিৰ এই মহান ক্ষেত্ৰখনত সদায়ে পোহৰৰ সুব্যৱস্থা থকা অতি জৰুৰী। যাতে দৰ্শনাৰ্থীসকলে জুবিন গাৰ্গৰ সত্তা আৰু তেওঁৰ সৃষ্টিক সহজে অনুভৱ কৰিব পাৰে। এই ঘটনাই সমগ্ৰ অসমৰ জুবিন অনুৰাগীসকলৰ মনত গভীৰ প্ৰভাৱ পেলাইছে। অনুৰাগীসকলে দাবী কৰিছে যে শীঘ্ৰেই জুবিনক্ষেত্ৰক আকৰ্ষণীয় আৰু সুন্দৰকৈ নিৰ্মাণ কৰা হওক। যাতে প্ৰতিগৰাকী অনুৰাগীয়ে এই স্থানলৈ আহি প্ৰাণৰ শিল্পীজনক হৃদয়ৰ পৰা অনুভৱ কৰিব পাৰে আৰু শ্ৰদ্ধাৰে স্মৰণ কৰিব পাৰে। জুবিন গাৰ্গৰ স্মৃতি অসমৰ সাংস্কৃতিক ঐতিহ্যৰ এক অবিচ্ছেদ্য অংশ। এনে এক পবিত্ৰ স্থানৰ অৱহেলা অসমীয়া ৰাইজৰ বাবে অগ্ৰহণযোগ্য। সকলোৱে আশা কৰিছে যে সংশ্লিষ্ট কৰ্তৃপক্ষই অতি শীঘ্ৰে বিদ্যুৎ সংযোগ পুনৰ স্থাপন কৰি জুবিনক্ষেত্ৰক পূৰ্বৰ দৰে আলোকিত আৰু সুন্দৰ কৰি তুলিব।

## কংগ্ৰেছে মাত্ৰ ৪খন

উত্তেজনা বাঢ়ি গৈছে। শাসকীয় বিজেপি দলক পৰাজিত কৰাৰ সংকল্প লোৱা বিৰোধী ঐক্যৰ মাজত এতিয়াও সৰ্বসন্মত সিদ্ধান্ত গ্ৰহণ কৰা সম্ভৱ হোৱা নাই। বিশেষকৈ প্ৰধান বিৰোধী দল ভাৰতীয় জাতীয় কংগ্ৰেছৰ সৈতে আসন বুজাবুজিৰ ক্ষেত্ৰত ৰাইজৰ দলে তীব্ৰ অসন্তোষ প্ৰকাশ কৰিছে। আজি গুৱাহাটীৰ মঠঘৰীয়াস্থিত ৰাইজৰ দলৰ মুখ্য কাৰ্যালয়ত দলটোৰ নিৰ্বাচন সম্পৰ্কীয় এক জৰুৰী বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত দলৰ নেতা অখিল গগৈ, শ্বেৰমান আলি আহমেদ, আব্দুল ৰচিদ মণ্ডলকে ধৰি কেইবাগৰাকী নেতা-কৰ্মী উপস্থিত থাকে। বৈঠকৰ আগতে সংবাদ মাধ্যমৰ আগত অখিল গগৈয়ে তীব্ৰ ক্ষোভ প্ৰকাশ কৰি কয় যে, ৰাইজৰ দলে কংগ্ৰেছৰ পৰা ১৫খন আসন বিচাৰিছে, কিন্তু কংগ্ৰেছে মাত্ৰ ৪খনহে দিছে। অখিল গগৈয়ে লগতে কয়, "কংগ্ৰেছে আমাক বিচৰা ১৫খন আসনৰ মাত্ৰ ৪খনহে দিছে। দিলেও-নিদিলেও আমি বিচৰা আসনত আমি জিকিম। পাব্লিক ছাৰ্ভেত আমি আগুৱাই আছো। কংগ্ৰেছৰ নেতাসকলৰ নিজা নিজা প্ৰাৰ্থী আছে। আজিৰ বৈঠকত মিত্ৰতা সন্দৰ্ভত চূড়ান্ত সিদ্ধান্ত হ'ব।" তেওঁ উজনি অসমৰ কেইবাখনো গুৰুত্বপূৰ্ণ সমষ্টিৰ নাম উল্লেখ কৰি কয় যে ধেমাজি, ডিমৌ, মৰিয়নী আৰু চিচিবৰগাঁও সমষ্টি ৰাইজৰ দলক লাগিবই। "উজনিত আমাক নিদিলে দিগদাৰ হ'ব। খেলিব নোৱৰা ছীট দি লাভ নাই"— তেওঁ এইদৰে মন্তব্য কৰে। অখিল গগৈয়ে স্পষ্ট কৰি দিয়ে যে, আজিৰ বৈঠকত যি সিদ্ধান্ত গ্ৰহণ কৰা হ'ব, সেই সিদ্ধান্ত কংগ্ৰেছ দলক জনোৱা হ'ব। "মানিলে মানিব, নামানিলে আমি নিজৰ সিদ্ধান্ত ল'ম।" তেওঁ আৰু কয় যে বিৰোধী মিত্ৰতা এতিয়াও সম্পূৰ্ণৰূপে ছেদ হোৱা নাই, আৰু বৈঠকৰ পিছতহে চূড়ান্ত অৱস্থান স্পষ্ট হ'ব। দলটোত যোগদানৰ পিছত প্ৰথমবাৰৰ বাবে ৰাইজৰ দলৰ কেন্দ্ৰীয় কাৰ্যালয়ত উপস্থিত হোৱা নেতা শ্বেৰমান আলি আহমেদে বৈঠকৰ আগতে সংবাদ মাধ্যমক কয়, "বিজেপিক পৰাভূত কৰিবলৈ হ'লে মিত্ৰতা লাগিব। আকোঁৱগোজ স্থিতি কংগ্ৰেছে কৰি থাকিলে নহ'ব। এৰা-ধৰা মাজেৰে মিত্ৰতা কৰিব লাগিব।" এই জৰুৰী বৈঠকৰ ফলাফলৰ ওপৰত বিৰোধী ঐক্যৰ ভৱিষ্যত নিৰ্ভৰ কৰিব। যদি আসন ভাগ-বাটোৱাত সন্তোষজনক সমাধান নহয়, তেন্তে ৰাইজৰ দলে স্বতন্ত্ৰভাৱে নিৰ্বাচনত অৱতীৰ্ণ হোৱাৰ সম্ভাৱনাও উড়াই দিব নোৱাৰি। বিৰোধী দলসমূহৰ মাজত এই অসন্তোষে শাসকীয় বিজেপি আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বাবে সুবিধাজনক পৰিস্থিতি সৃষ্টি কৰিব পাৰে।

## বিৰোধীৰ মিত্ৰতা পাতৰ

বিজেপিৰ পক্ষৰ পৰা তীব্ৰ সমালোচনা অব্যাহত আছে। শনিবাৰে মৰাণৰ চেপন তিনিআলিত পূৰ্বাঞ্চল তাই সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয় আৰু অতিথিশালাৰ আধাৰশিলা স্থাপন তথা ভূমি পূজন অনুষ্ঠানত উপস্থিত থকা ৰাজ্য চৰকাৰৰ দুগৰাকী কেবিনেট মন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু যোগেন মহনে বিৰোধীৰ মিত্ৰতাক লৈ তীক্ষ্ণ মন্তব্য কৰি বিজেপিৰ শক্তিশালী অৱস্থানৰ সংকেত দিছে। শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে অনুষ্ঠান শেষত সংবাদ মাধ্যমক কয় যে বিৰোধী দলসমূহৰ মিত্ৰতা কেৱল ৰাজনৈতিক সুবিধাবাদৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠিছে। তেওঁ কয়, "বিকশিত অসমৰ বাবে বিৰোধীৰ কোনো স্পষ্ট পৰিকল্পনা নাই। অসমলৈ হৈ থকা প্ৰব্ৰজনৰ সমস্যাক লৈ কোনো নীতি-নিৰ্দেশনা তৈয়াৰ কৰিব পৰা নাই। খিলঞ্জীয়া জনগোষ্ঠীৰ সুৰক্ষা আৰু উন্নয়নৰ বাবে কি পলিচি আছে তেওঁলোকৰ? এই মিত্ৰতা কেৱল ব্যক্তিগত স্বাৰ্থ আৰু ক্ষমতাৰ লোভত গঢ়ি উঠা সুবিধাবাদী মিত্ৰতা।" মন্ত্ৰীগৰাকীয়ে আৰু কয় যে এন ডি এৰ মিত্ৰতা ৰামধেনুৰ দৰে বৈচিত্ৰ্যময় আৰু বিকশিত অসমৰ লক্ষ্যত জাতি-জনগোষ্ঠীৰ দলসমূহে একেলগে কাম কৰি আছে। কিন্তু বিৰোধীৰ মিত্ৰতা কেৱল বিজেপিক পৰাজিত কৰাৰ উদ্দেশ্যে গঠিত হৈছে, যাৰ ফলত ইয়াৰ ভিতৰত কোনো দীৰ্ঘম্যাদী দৃষ্টিভংগী নাই। তেওঁ দৃঢ়তাৰে কয়, "বিৰোধী একত্ৰিত হ'লেও আকৌ বিজেপি চৰকাৰ গঠন হ'ব। ৰাইজে সকলো কথা চাই আছে।" একেটা অনুষ্ঠানতে উপস্থিত থকা পৰিবহণ মন্ত্ৰী যোগেন মহনে বিৰোধীৰ মিত্ৰতাক "পাতৰ সূতাত আউল লগাৰ দৰে" বুলি বৰ্ণনা কৰি কয় যে এই আউল ভাঙিব নোৱাৰা। তেওঁ কয়, "আমি আগৰ পৰাই কৈ আহিছোঁ যে বিৰোধীৰ মিত্ৰতা কোনোমতে স্থায়ী হ'ব নোৱাৰে। তেওঁলোকৰ কোনো উন্নয়নৰ পৰিকল্পনা নাই, অসমক কেনেকৈ সুৰক্ষিত কৰিব লাগে সেই বিষয়তো কোনো গুৰুত্ব নাই। কেৱল বিজেপিক প্ৰতিহত কৰাৰ চিন্তাত ব্যস্ত। তেনেকৈ হ'লে কোনে ভোট দিব? অসমৰ ৰাইজে সকলো বুজি পাইছে। বহু সমষ্টিত বিৰোধীৰ অস্তিত্বহে নাথাকিব।" উল্লেখ্য যে মৰাণৰ চেপন তিনিআলিত নিৰ্মাণ হ'বলগীয়া পূৰ্বাঞ্চল তাই সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয় আৰু অতিথিশালাৰ নিৰ্মাণৰ বাবে অসম চৰকাৰে ১ কোটি ৭ লাখ ৪৭ হাজাৰ ৫০০ টকা ব্যয় কৰিব। এই প্ৰকল্পত টাই আহোম উন্নয়ন পৰিষদে সহযোগিতা কৰিব বুলি জানিবলৈ দিয়ে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে। তাই ভাষাৰ উন্নয়নৰ ক্ষেত্ৰত চৰকাৰৰ পদক্ষেপৰ কথা উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে তাই ভাষাক মাধ্যমিক শিক্ষাত বিষয় হিচাপে আৰু ঐচ্ছিক বিষয় হিচাপে অন্তৰ্ভুক্ত কৰাৰ প্ৰক্ৰিয়া আগবাঢ়ি আছে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ত তাই ভাষাৰ গৱেষণা আৰু শিক্ষাৰ বাবে বিশেষ ব্যৱস্থা গঢ়ি তোলাৰ কামো চলি আছে। পূৰ্বাঞ্চল তাই সাহিত্য সভা আৰু টাই আহোম উন্নয়ন পৰিষদৰ সৈতে চুক্তিৰ ভিত্তিত সহযোগিতা অব্যাহত থাকিব। অনুষ্ঠানত পূৰ্বাঞ্চল তাই সাহিত্য সভাৰ সভাপতি অতুল ফুকনকে ধৰি বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে। এই অনুষ্ঠানৰ জৰিয়তে বিজেপিয়ে জনজাতীয় সংস্কৃতি আৰু ভাষাৰ সংৰক্ষণত দায়বদ্ধতা প্ৰদৰ্শন কৰাৰ লগতে বিৰোধীৰ ঐক্যক লৈ আক্ৰমণাত্মক অৱস্থান অব্যাহত ৰাখিছে।

## ৰাজীৱ ভৱনত উত্তপ্ত

গুৱাহাটীৰ ৰাজীৱ ভৱনৰ সন্মুখত বিজেপি আৰু কংগ্ৰেছৰ পৃথক প্ৰতিবাদে সমগ্ৰ এলেকাটো উত্তপ্ত কৰি তুলিছে। দিল্লীৰ ইণ্ডিয়া এ আই ইমপেক্ট সন্মিলনত যুৱ কংগ্ৰেছৰ সদস্যসকলে কৰা 'চাৰ্টলেছ' প্ৰতিবাদক লৈ বিজেপিয়ে তীব্ৰ সমালোচনা কৰি প্ৰতিবাদ সাব্যস্ত কৰে, আনহাতে কংগ্ৰেছে পাল্টা প্ৰত্যুত্তৰ দি পৰিস্থিতি অধিক উত্তপ্ত কৰি তোলে। দিনটোৰ আৰম্ভণিতে বিজেপিৰ যুৱ মৰ্চা আৰু অসম যুৱ পৰিষদৰ প্ৰায় দুই শতাধিক কৰ্মী ৰাজীৱ ভৱনৰ সন্মুখত জমায়েত হয়। তেওঁলোকে বিজেপি আৰু অসম গণ পৰিষদৰ পতাকা লৈ ৰাহুল গান্ধী আৰু গৌৰৱ গগৈৰ বেনাৰ জ্বলাই কংগ্ৰেছ মুৰ্দাবাদ শ্ল'গান দিয়ে। যুৱ মৰ্চাৰ এজন নেতাই কয় যে, বিশ্বৰ বিভিন্ন দেশৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰা গ্ল'বেল এ আই সন্মিলনত যুৱ কংগ্ৰেছে দেশক লজ্জানত কৰিছে। ৰাহুল গান্ধী আৰু গৌৰৱ গগৈৰ চিন্তাধাৰাক ভাৰতৰ সাৰ্বভৌমত্বৰ বিৰুদ্ধে বুলি অভিহিত কৰি তেওঁলোকে প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে কংগ্ৰেছৰ নিৰ্বাচনী প্ৰচাৰ বাহনত কলা ৰং সানি ধ্বংসাত্মক কাৰ্যকলাপ চলায়। এই প্ৰতিবাদৰ প্ৰত্যুত্তৰ দিবলৈ প্ৰায় শতাধিক কংগ্ৰেছ কৰ্মী ৰাজপথত ওলাই আহে। তেওঁলোকে 'বিজেপি মাটি চোৰ', 'গৰু চোৰ' বুলি শ্ল'গান দি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প'ষ্টাৰ জ্বলাই প্ৰতিবাদ কৰে। কংগ্ৰেছ কৰ্মীসকলে অভিযোগ কৰে যে, আৰক্ষীয়ে বিজেপি কৰ্মীসকলক বাধা নিদি কেৱল তেওঁলোকৰ ওপৰতহে আক্ৰমণাত্মকভাৱে বাধা দিছে। আৰক্ষীয়ে কংগ্ৰেছ কৰ্মীসকলক চৰ মাৰি লাঠিচাৰ্জ কৰাৰ অভিযোগ উত্থাপিত হৈছে। কংগ্ৰেছে এই কাৰ্যক আৰক্ষীৰ পক্ষপাতিত্ব বুলি অভিহিত কৰি তীব্ৰ নিন্দা কৰিছে। এই ঘটনাই ২০২৬ৰ বিধানসভা নিৰ্বাচনৰ আগতে ৰাজনৈতিক উত্তাপ বৃদ্ধি কৰিছে। দিল্লীৰ AI সন্মিলনত যুৱ কংগ্ৰেছৰ প্ৰতিবাদক লৈ অসম বিজেপিয়ে ইয়াক 'দেশৰ লজ্জা' বুলি অভিহিত কৰি ৰাহুল গান্ধীৰ নিৰ্দেশত হোৱা বুলি দাবী কৰিছে। এই প্ৰতিবাদৰ প্ৰতিক্ৰিয়াত অসমত বিজেপিৰ যুৱ শাখাসমূহে ৰাজ্যজুৰি প্ৰতিবাদৰ কাৰ্যসূচী ঘোষণা কৰিছে। অসমত বিৰোধী ঐক্য গঠনৰ প্ৰচেষ্টা চলি থকাৰ মাজতে এনে ঘটনাই ৰাজনৈতিক মেৰুকৰণক অধিক তীব্ৰ কৰি তুলিছে। কংগ্ৰেছ আৰু বিজেপিৰ মাজত প্ৰতিযোগিতা তীব্ৰ হৈ পৰিছে, আৰু নিৰ্বাচনৰ দিন যিমানেই চমু চাপি আহিছে সিমানেই ৰাজপথত উত্তেজনা বাঢ়ি গৈ আছে।

## ফাষ্টট্ৰেক আদালত আৰু

চৰকাৰে ইচ্ছাকৃতভাৱে ফাষ্টট্ৰেক আদালত গঠন কৰা নাই আৰু বিচাৰ প্ৰক্ৰিয়াক জটিল কৰি ৰাখিছে যাতে নিৰ্বাচনৰ পিছত অভিযুক্তসকলে সহজে মুক্তি পায়। শনিবাৰে গুৱাহাটীৰ দলীয় মুখ্য কাৰ্যালয়ত অনুষ্ঠিত সংবাদমেলত অজাপৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে কয় যে চৰকাৰে ন্যায় প্ৰদানৰ ক্ষেত্ৰত ভেঁকোভাওনা কৰি নিৰ্বাচন পাৰ কৰি দিব বিচাৰিছে। তেওঁ কয়, "জুবিন গাৰ্গৰ মৃত্যুৰ পিছত মুখ্যমন্ত্ৰীয়ে হত্যা বুলি ঘোষণা কৰিছিল, ফাষ্টট্ৰেক আদালত গঠনৰ কথা কৈছিল, কিন্তু আজিলৈকে একো কৰা নাই। এই গতিত বিচাৰ চলিলে কমেও ২০ বছৰ লাগিব। নিৰ্বাচনৰ পিছত শ্যামকানু মহন্তকে ধৰি অভিযুক্তসকল জেলৰ পৰা ওলাই আহিব আৰু জুবিনৰ ন্যায় চিৰদিনৰ বাবে অন্ত পৰিব।" জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাক্ৰম দাঙি ধৰি সভাপতি গগৈয়ে কয় যে ১৯ ছেপ্তেম্বৰ ২০২৫ ত জুবিন গাৰ্গৰ মৃত্যু হয়। ২০ ছেপ্তেম্বৰত মুখ্যমন্ত্ৰীয়ে এছ আই টি তদন্তৰ ঘোষণা কৰে আৰু ২৪ ছেপ্তেম্বৰত এছ আই টি গঠন কৰা হয়। ৩ অক্টোবৰত অৱসৰপ্ৰাপ্ত ন্যায়াধীশ সৌমিত্ৰ শইকীয়াৰ নেতৃত্বত তদন্ত আয়োগ গঠন হয়। ৩ নৱেম্বৰত মুখ্যমন্ত্ৰীয়ে ফেচবুক লাইভত জুবিনক হত্যা কৰা বুলি প্ৰকাশ কৰে। অভিযুক্তসকলক অক্টোবৰৰ প্ৰথম সপ্তাহত গ্ৰেপ্তাৰ কৰা হয় আৰু ১২ ডিচেম্বৰত অভিযোগনামা দাখিল কৰা হয়। সেইদিনাই মুখ্যমন্ত্ৰীয়ে ফাষ্টট্ৰেক আদালত গঠনৰ ঘোষণা কৰে। কিন্তু আজি ৭১ দিন পাৰ হোৱাৰ পিছতো ফাষ্টট্ৰেক আদালত গঠন কৰা হোৱা নাই। তেওঁ প্ৰশ্ন কৰে, "ফাষ্টট্ৰেক আদালত গঠন নকৰাৰ ৰহস্য কি? জুবিন গাৰ্গৰ ন্যায় হোৱাটো মুখ্যমন্ত্ৰীয়ে বিচৰা নাই নেকি? নহ'লে আন কি কাৰণ থাকিব পাৰে?" অজাপৰ সাধাৰণ সম্পাদক জগদীশ ভূঞাই অভিযোগ কৰে যে চৰকাৰে জুবিন গাৰ্গক উপেক্ষা কৰিছে। প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰী অসমলৈ কেইবাবাৰো আহিল যদিও জুবিন ক্ষেত্ৰ পৰিদৰ্শন কৰা নাই বা কোনো ভাষণত তেওঁৰ নাম উচ্চাৰণ কৰা নাই। মুখ্যমন্ত্ৰীয়ে জুবিনৰ অন্তিম সংকাৰৰ পিছত জুবিন ক্ষেত্ৰত ভৰি দিয়া নাই। জুবিনৰ শেষ চিনেমা 'ৰৈ ৰৈ বিনালে' চাবলৈ নগ'ল, কিন্তু 'কাশ্মীৰ ফাইল' চাই টেঁ' ফ্ৰী ঘোষণা কৰিলে। জুবিন ক্ষেত্ৰৰ নিৰ্মাণ আৰম্ভ কৰা নাই, পৰিচ্ছন্নতাৰ ব্যৱস্থা কৰা নাই। ৰাজ্যিক চলচ্চিত্ৰ বঁটা প্ৰদান অনুষ্ঠানতো জুবিনৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠিত হোৱা নাই। ভূঞাই লগতে কয় যে অভিযুক্তসকলে জামিন আৱেদন দাখিল কৰি পিছত প্ৰত্যাহাৰ কৰাটো ৰহস্যজনক। তেওঁৰ মতে, "জামিন লৈ ওলাই আহিলে চৰকাৰ সংকটত পৰিব। সেইবাবে বুজাবুজিৰ জৰিয়তে জামিন আৱেদন প্ৰত্যাহাৰ কৰোৱা হৈছে।" তেওঁ আৰু কয় যে তদন্ত চি আই ডিৰ পৰিৱৰ্তে চি বি আইক দিয়া উচিত আছিল কাৰণ বিদেশত হোৱা ঘটনাৰ তদন্তৰ ক্ষমতা চি আই ডিৰ নাই। লগতে ১৫ জনৰ ভিতৰত মাত্ৰ ৭ জনকহে গ্ৰেপ্তাৰ কৰা হৈছে, বাকীসকলক ৰেহাই দিয়া হৈছে। অজাপে অভিযোগ কৰে যে চৰকাৰে ফাষ্টট্ৰেক আদালত গঠন নকৰাৰ এটা কাৰণ হ'ব পাৰে যে তেনেকৈ কৰিলে অভিযোগনামাৰ দুৰ্বলতাৰ বাবে অভিযুক্তসকল মুক্তি পাব আৰু চৰকাৰৰ ভেঁকোভাওনা ধৰা পৰিব। সেয়েহে নিৰ্বাচনৰ ঠিক আগতে ফাষ্টট্ৰেক আদালত গঠন কৰি ৰাইজৰ চকুত ধূলি দিয়াৰ চেষ্টা কৰিব পাৰে। সংবাদমেলত অজাপে ঘোষণা কৰে যে জুবিন গাৰ্গৰ ন্যায়ৰ দাবীত অহা ২৭ ফেব্ৰুৱাৰীত অৱস্থান ধৰ্মঘট পালন কৰা হ'ব। সংবাদমেলত দলৰ সাধাৰণ সম্পাদক জগদীশ ভূঞাৰ লগতে সম্পাদক চিত্তৰঞ্জন বসুমতাৰী, ৰাজু ফুকন, জিয়াউৰ ৰহমান আৰু মাণিক গগৈ উপস্থিত থাকে। অজাপৰ এই তীব্ৰ অভিযোগে ২০২৬ৰ বিধানসভা নিৰ্বাচনৰ প্ৰেক্ষাপটত জুবিন গাৰ্গৰ মৃত্যুক লৈ ৰাজনৈতিক বিতৰ্কক আৰু তীব্ৰতৰ কৰি তুলিছে।

## কংগ্ৰেছে আই এ.আই.

কয় যে নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত আন্তৰ্জাতিক এ আই ইমপেক্ট সন্মিলনত কংগ্ৰেছে প্ৰতিবাদ সাব্যস্ত কৰি ভাৰতবৰ্ষৰ আত্মসন্মান আৰু গৌৰৱক লাঘৱ কৰাৰ চেষ্টা কৰিছে। শনিবাৰে বশিষ্ঠস্থিত দলীয় মুখ্য কাৰ্যালয়ত অনুষ্ঠিত সংবাদমেলত তেওঁ এই মন্তব্য কৰে। দিলীপ শইকীয়াই কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বলিষ্ঠ নেতৃত্বত ১০০খন দেশৰ প্ৰতিনিধি, য'ত ৪০খন দেশৰ ৰাষ্ট্ৰপ্ৰধান আৰু ৬০খন দেশৰ মন্ত্ৰীসহ এ আই ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তিসকল উপস্থিত থকা এই সন্মিলনত মানৱ কল্যাণ, জেন-জি প্ৰযুক্তিৰ সম্ভাৱনা আৰু বিশ্বৰ সৃজনশীল উন্নয়নৰ বিষয়ে গুৰুত্বপূৰ্ণ আলোচনা চলি আছিল। ঠিক সেই সময়তে কংগ্ৰেছে "অসুৰ শক্তি"ৰ দৰে আচৰণ কৰি এই যজ্ঞ-সদৃশ অনুষ্ঠানত বাধা দিবলৈ কুৎসিত, অসভ্য আৰু বৰ্বৰ প্ৰয়াস কৰিছে। তেওঁ আকৌ কয় যে পূৰ্বপুৰুষ আৰু ঋষি-মুনিসকলে মানৱ জাতিৰ কল্যাণৰ বাবে যাগ-যজ্ঞ অনুষ্ঠান পাতিছিল, য'ত অশুভ শক্তিৰ বিৰুদ্ধে যুঁজ দিয়া হৈছিল। কিন্তু কংগ্ৰেছে সেই যজ্ঞ ভংগ কৰিবলৈ চেষ্টা কৰি দেশৰ যুৱ প্ৰজন্মৰ সম্ভাৱনা, সৃজনশীলতা আৰু আধুনিক বিজ্ঞান-প্ৰযুক্তিৰ বিৰোধিতা কৰিছে। এই কাণ্ডক তেওঁ ভাৰত বিৰোধী, দেশ বিৰোধী আৰু যুৱ-মহিলা-এছ চি-এছ টি বিৰোধী বুলি অভিহিত কৰে। শইকীয়াই উল্লেখ কৰে যে প্ৰধানমন্ত্ৰী মোদীৰ দূৰদৰ্শী নেতৃত্বত ভাৰতে বিজ্ঞান, প্ৰযুক্তি আৰু মহাকাশ ক্ষেত্ৰত শক্তিশালী স্থান লাভ কৰিছে। দোকলাম, ছাৰ্জিকেল ষ্ট্ৰাইক, এয়াৰ ষ্ট্ৰাইক আৰু অপাৰেশ্যন সিন্দুৰৰ দৰে ঘটনাৰ জৰিয়তে দেশৰ সাহস আৰু স্বাভিমান বিশ্বৰ আগত প্ৰতিষ্ঠিত হৈছে। সন্ত্ৰাসবাদৰ বিৰুদ্ধে শূন্য সহনশীলতা নীতিৰে পাকিস্তানৰ দৰে দেশসমূহক উচিত প্ৰত্যুত্তৰ দিয়া হৈছে। কিন্তু কংগ্ৰেছে সংসদৰ ভিতৰত-বাহিৰত, দেশৰ মাটিত-বাহিৰত ভাৰতৰ মান-সন্মান আৰু গৌৰৱক অপমান কৰাৰ চেষ্টা কৰি আহিছে। তেওঁ অভিযোগ কৰে যে এই প্ৰতিবাদ কোনো হঠাতে হোৱা ঘটনা নহয়। ই পূৰ্বপৰিকল্পিত আৰু ঘৃণনীয় মানসিকতাৰ পৰিচয়। ছোনীয়া গান্ধী, ৰাহুল গান্ধী আৰু প্ৰিয়ংকা গান্ধী বাদ্ৰাৰ ঘৰত এই ষড়যন্ত্ৰ ৰচনা কৰা হৈছিল। হয়তো গৌৰৱ গগৈয়ো তাত উপস্থিত আছিল বুলি তেওঁ মন্তব্য কৰে। এই নীচ কাৰ্যই প্ৰমাণ কৰে যে কংগ্ৰেছে ভাৰতৰ উন্নয়নত সহযোগিতা নকৰে আৰু দেশৰ সফলতাত সন্তুষ্ট নহয়। একেখন সংবাদমেলতে শইকীয়াই সদ্য কংগ্ৰেছ ত্যাগ কৰা অসম প্ৰদেশ কংগ্ৰেছৰ প্ৰাক্তন সভাপতি ভূপেন বৰাৰ ৰাজনৈতিক অৱস্থানৰ বিষয়েও মন্তব্য কৰে। তেওঁ কয় যে ভূপেন বৰাই কংগ্ৰেছৰ নীতি আৰু স্থিতিৰ বিৰুদ্ধে গৈ পদত্যাগ কৰিছে, কাৰণ দলত খিলঞ্জীয়া লোকৰ আত্মসন্মান আৰু স্বাভিমানক আঘাত দিয়া হৈছে। তেওঁৰ ৰাজনৈতিক জীৱন উজ্জ্বল কৰাত বিজেপিয়ে সদায় তেওঁৰ লগত থাকিব। এই ঘটনাক লৈ বিজেপিৰ অন্যান্য নেতাসকলেও তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱ আৰু কিৰেণ ৰিজিজুৱে কংগ্ৰেছে ভাৰতক লজ্জিত কৰা বুলি সমালোচনা কৰিছে।

## জুই লগাৰ ফলত

স্থাপিত 'জুবিনক্ষেত্ৰ'ত (সোণাপুৰত অৱস্থিত সমাধিক্ষেত্ৰ) বিদ্যুৎ সংযোগ বিচ্ছিন্ন হোৱাৰ খবৰ সামাজিক মাধ্যমত ব্যাপকভাৱে প্ৰচাৰ হোৱাৰ পাছতে বিষয়টোত স্পষ্টীকৰণ দিছে মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ে। কিছু সংবাদ মাধ্যম আৰু ব্যক্তিয়ে এই ঘটনাক লৈ বিপথে পৰিচালিত কৰা বাতৰি প্ৰচাৰ কৰি থকা বুলি অভিযোগ কৰি মুখ্যমন্ত্ৰী কাৰ্যালয়ে সামাজিক মাধ্যমৰ জৰিয়তে জনসাধাৰণক অৱগত কৰাইছে যে, আজি সন্ধিয়া প্ৰায় ৫: ২০ বজাত জুবিনক্ষেত্ৰৰ সমীপৰ কৈনাধাৰাৰ বিপৰীতে কোনো ব্যক্তিয়ে অসাৱধানতাৰে জ্বলোৱা আৱৰ্জনাৰ জুইৰ ফলত জুবিনক্ষেত্ৰৰ সৈতে সংযুক্ত এডাল আণ্ডাৰগ্ৰাউণ্ড কেবলত অগ্নি সংযোগ হৈছিল। নিৰাপত্তাৰ নিয়ম অনুসৰি জুই নিয়ন্ত্ৰণ কৰিবলৈ ফিডাৰসমূহ সাময়িকভাৱে বন্ধ কৰা হৈছিল। বিদ্যুৎ বিভাগে তৎপৰতাৰে কাম কৰি জুই নুমুৱাই ৫: ৫৮ বজাতেই পুনৰ বিদ্যুৎ সংযোগ পুনঃস্থাপন কৰিছে। অৰ্থাৎ মাত্ৰ প্ৰায় ৩৫-৩৮ মিনিটৰ বাবেহে বিদ্যুৎ সংযোগ বিচ্ছিন্ন হৈ আছিল। এই ঘটনাৰ পাছতে জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গেও সামাজিক মাধ্যমত ক্ষোভ প্ৰকাশ কৰিছিল। বিষয়টোক লৈ ৰাইজৰ মাজতো ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। কিন্তু মুখ্যমন্ত্ৰী কাৰ্যালয়ে স্পষ্ট কৰিছে যে, বিদ্যুৎ বিভাগে প্ৰয়োজনীয় নিৰাপত্তা প্ৰট'কল অনুসৰণ কৰি তৎক্ষণাত সমস্যাৰ সমাধান কৰিছে আৰু ইয়াক ইচ্ছাকৃতভাৱে বিচ্ছিন্ন কৰা বুলি প্ৰচাৰিত দাবীসমূহ সম্পূৰ্ণ ভিত্তিহীন। বিদ্যুৎ বিভাগৰ তৎপৰতাক লৈ মুখ্যমন্ত্ৰী কাৰ্যালয়ে প্ৰশংসা কৰিছে আৰু ৰাইজক এনে বিভ্ৰান্তিকৰ তথ্যৰ পৰা আঁতৰি থাকিবলৈ অনুৰোধ জনাইছে। জুবিনক্ষেত্ৰ অসমৰ সাংস্কৃতিক ঐতিহ্যৰ এক গুৰুত্বপূৰ্ণ অংশ হিচাপে ৰক্ষণাবেক্ষণ কৰা হৈ আছে বুলিও উল্লেখ কৰা হৈছে।

## বিজেপিক পৰাভূত কৰিবলৈ

গঠনৰ প্ৰক্ৰিয়া সৰল গণিতৰ দৰে নহয়, বৰঞ্চ অতি জটিল অংক বুলি মন্তব্য কৰিছে অসম জাতীয় পৰিষদৰ (অজাপ) সভাপতি লুৰীণজ্যোতি গগৈয়ে। শনিবাৰে গুৱাহাটীস্থিত দলীয় কাৰ্যালয়ত অনুষ্ঠিত সংবাদমেলত তেওঁ এই কথা স্পষ্ট কৰি কয় যে নিৰ্বাচনৰ সময় সন্নিকট হৈ অহাৰ লগে-লগে মিত্ৰতাৰ বিষয়টো অতি শীঘ্ৰে চূড়ান্ত কৰাৰ প্ৰয়োজন। লুৰীণজ্যোতি গগৈয়ে কয়, "বিৰোধীৰ মিত্ৰতা বিষয়টো ক্ষিপ্ৰতাৰে সমাপন কৰিব লাগে। নিৰ্বাচনৰ প্ৰক্ৰিয়াৰ লগত মিত্ৰতাৰ কথা আহিলে ভোট ট্ৰান্সফাৰৰ বিষয়টো অত্যন্ত গুৰুত্বপূৰ্ণ হৈ পৰে। প্ৰতিটো সমষ্টিতে প্ৰতিটো দলৰ কিছু প্ৰাৰ্থী থাকে আৰু সকলোৰে আশা থাকে। চৰকাৰী পক্ষত মিত্ৰতা সহজ কাৰণ তেওঁলোকৰ চৰকাৰ থাকে, কিন্তু বিৰোধী দলসমূহৰ মাজত জটিলতা থাকেই। নিৰ্বাচনলৈ বেছি দিন নাই, গতিকে প্ৰথমে মিত্ৰতা চূড়ান্ত হ'ব লাগিব, ঘোষণা হ'ব লাগিব। তাৰ পিছতহে ইছ্যুবেছ মানুহৰ ওচৰলৈ যাব লাগিব। নেতৃত্ব দি থকাসকলক জনগণে সন্মুখত দেখা পাব লাগিব। বিৰোধীৰ ঐক্যবদ্ধতা দেখা পাব লাগিব।" তেওঁ আৰু কয় যে ভোট বিভাজন ৰোধ কৰিবলৈ অজাপে আগৰ পৰাই আহ্বান জনাই আহিছে আৰু এতিয়াও পুনৰবাৰ কৈছে যে দেৰি কৰিব নালাগে। শীঘ্ৰে এই কাম সম্পন্ন কৰিব লাগে। আসন বুজাবুজিৰ ক্ষেত্ৰত জটিলতা থাকিবই বুলি স্বীকাৰ কৰি তেওঁ কয়, "শাসকীয় দলৰ লগত অগপৰ আসন বুজাবুজি আজিলৈকে চূড়ান্ত হোৱা নাই। আমাৰ বিৰোধী দলৰ মাজতো জটিলতা থাকিব। কিন্তু জটিলতা থকাৰ পিছতো বিষয়টো সোনকালে সম্পন্ন কৰাৰ পৰিৱেশ আছে আৰু এইটো হ'ব। আমি বিশ্বাসী যে গোটেই প্ৰক্ৰিয়াটো শীঘ্ৰে সম্পন্ন হ'ব।" অজাপৰ সভাপতিয়ে স্পষ্ট কৰে যে দলটোৱে বিজেপি বিৰোধী সকলো সংগঠনকে লৈ আগবাঢ়িব বিচাৰে। "আমাৰ যুঁজখন জনগণৰ অন্যায়ৰ বিৰুদ্ধে। আমি সকলোকে লৈ আগবাঢ়িব বিচাৰোঁ। আমাৰ ৰাজনীতিত কোনো ধৰ্ম নাই, কোনো জাত-পাত আৰু বৰ্ণ নাই। আমি সকলোকে লৈ আগবাঢ়ি যাব বিচাৰোঁ। বিজেপিক পৰাভূত কৰাটো আমাৰ সকলোৰে লক্ষ্য আৰু তাৰ বাবে এৰা-ধৰা, বুজাবুজি, সন্মান, স্বাভিমান আৰু আত্মসন্মানলৈ সকলো আগবাঢ়িব লাগিব। আমাৰ চিন্তা ক্ষমতাকেন্দ্ৰিক বা দলকেন্দ্ৰিক নহয়, জনগণৰ চিন্তাক লৈ আমি চিন্তিত"— তেওঁ কয়। দলৰ সাধাৰণ সম্পাদক জগদীশ ভূঞাই কয় যে ৰাজনৈতিক মিত্ৰতা সৰল অংক নহয়, জটিল অংক। "চৰকাৰৰ অংশীদাৰ দলবোৰৰ মিত্ৰতা আজিলৈকে ঘোষণা কৰিব পৰা নাই। আমি কোনো অংশীদাৰিত্বত নাই। ভিন্ন দলৰ চিন্তাধাৰাক একত্ৰিত কৰাৰ ক্ষেত্ৰত কিছু জটিলতা থাকে। যিখিনি আগবাঢ়ি আছে সেইখিনি যোগাত্মকভাৱে আগবাঢ়ি আছে। যি হ'ব ৰাইজে বিচৰা ধৰণে হ'ব। আমি সংখ্যালঘুৰ ৰাজনীতি নকৰোঁ। আমি সকলোকে লৈ আগবাঢ়ি যোৱাৰ পক্ষত আছোঁ। আলোচনা চলি আছে। সোনকালে নিষ্পত্তি হ'ব।" এই সংবাদমেলত অজাপে বাৰে বাৰে বিৰোধী ঐক্যৰ ওপৰত গুৰুত্ব আৰোপ কৰি কয় যে ভোট বিভাজন ৰোধ কৰি বিজেপিৰ বিৰুদ্ধে একত্ৰিত হৈ যুঁজ দিয়াটোৱেই এতিয়াৰ প্ৰধান প্ৰয়োজন। নিৰ্বাচনৰ পূৰ্বে এই মিত্ৰতাৰ চূড়ান্ত ৰূপ জনসমক্ষত আহিব বুলি দলটোৱে আশা প্ৰকাশ কৰিছে।

## আজি গেৰুৱা বসন পিন্ধিব ভূপেন বৰাই

ভাৰতীয় জনতা পাৰ্টিত (বিজেপি) যোগদান কৰিব। এই যোগদান অনুষ্ঠান পুৱা ১০ বজাত গুৱাহাটীৰ বশিষ্ঠস্থিত ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয় (অটল বিহাৰী বাজপেয়ী ভৱন)ত অনুষ্ঠিত হ'ব। আগন্তুক ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনৰ মাজতে মাত্ৰ এটা মাহৰ ব্যৱধান থকাৰ সময়ত এই ঘটনাক ৰাজ্যৰ ৰাজনীতিৰ এক যথেষ্ট তাৎপৰ্যপূৰ্ণ পৰিঘটনা হিচাপে গণ্য কৰা হৈছে। বিধানসভাৰ ১২৬টা সমষ্টিত এপ্ৰিল মাহত নিৰ্বাচন অনুষ্ঠিত হ'বলৈ সম্ভাৱনা থকাৰ প্ৰেক্ষাপটত ৰাজ্যৰ সকলো ৰাজনৈতিক দলে নিৰ্বাচনী প্ৰস্তুতিত ব্যস্ত হৈ পৰিছে। ইয়াৰ মাজতে প্ৰধান বিৰোধী দল কংগ্ৰেছে পদত্যাগৰ জোৱাৰৰ সন্মুখীন হৈছে, যিয়ে দলটোক নিৰ্বাচনৰ পূৰ্বে শলঠেকত পেলাইছে। যোগদান অনুষ্ঠানত ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকিব বুলি নিশ্চিত কৰা হৈছে। ইয়াৰ উপৰিও বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া আৰু দলৰ জ্যেষ্ঠ নেতা বৈজয়ন্ত পাণ্ডাৰ দৰে বিশিষ্ট নেতৃবৰ্গও এই কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। ভূপেন কুমাৰ বৰাই পূৰ্বতে ঘোষণা কৰিছিল যে ভাৰতীয় জাতীয় কংগ্ৰেছত ৩২ বছৰ সময় কটোৱাৰ পিছত তেওঁ বিজেপিত যোগদান কৰি এক নতুন ৰাজনৈতিক অধ্যায় আৰম্ভ কৰিব। তেওঁ এই সিদ্ধান্তক দৃঢ়তা আৰু স্পষ্টতাৰে লোৱা এক পদক্ষেপ বুলি বৰ্ণনা কৰিছে। কংগ্ৰেছ ত্যাগ কৰাৰ পিছত তেওঁ দলৰ ৰাষ্ট্ৰীয় নেতৃত্বলৈ পদত্যাগপত্ৰ প্ৰেৰণ কৰিছিল আৰু নিজৰ সামাজিক মাধ্যমতো কংগ্ৰেছ সম্পৰ্কীয় পদবীসমূহ আঁতৰাই দিছিল। চৰ্চা অনুসৰি আগন্তুক বিধানসভা নিৰ্বাচনত ভূপেন কুমাৰ বৰাই লখিমপুৰ জিলাৰ বিহপুৰীয়া সমষ্টিৰ পৰা বিজেপিৰ টিকেটত প্ৰতিদ্বন্দ্বিতা কৰাৰ সম্ভাৱনা আছে। দলীয় সূত্ৰত এই কথা প্ৰকাশ পাইছে যদিও এতিয়ালৈকে তেওঁৰ প্ৰাৰ্থিত্ব সন্দৰ্ভত কোনো আনুষ্ঠানিক ঘোষণা কৰা হোৱা নাই। পূৰ্বতে ২০০৬ৰ পৰা ২০১৬ চনলৈকে তেওঁ বিহপুৰীয়া সমষ্টিৰ কংগ্ৰেছৰ বিধায়ক আছিল। এই যোগদানৰ লগতে আন কেইবাজনো কংগ্ৰেছী নেতা-কৰ্মীও বিজেপিত যোগদান কৰিব বুলি জানিব পৰা গৈছে। লখিমপুৰতো ভূপেন বৰাৰ উদ্যোগত এক বিশাল যোগদান সমাৰোহ অনুষ্ঠিত হ'ব বুলি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰিছে। এই ঘটনাই কংগ্ৰেছ দলক নিৰ্বাচনৰ পূৰ্বে এক ডাঙৰ ধাক্কা দিয়াৰ দিশে ইংগিত কৰিছে আৰু ৰাজ্যৰ ৰাজনৈতিক সমীকৰণত নতুন মোৰোচা সৃষ্টি কৰিব পাৰে।

## দুদিনীয়া কাৰ্যসূচীৰে ১৩

গুৰুত্বপূৰ্ণ ঘোষণা কৰিছে। লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ নতুন সমন্বিত টাৰ্মিনেল-২ৰ পৰা আৰম্ভ কৰি বিভিন্ন উৰণ সেতু, এক্সপ্ৰেছ হাইৱে আৰু অন্যান্য প্ৰকল্পৰ সময়সূচী ঘোষণা কৰি ৰাইজক আশাৰ বাৰ্তা দিছে। মুখ্যমন্ত্ৰীয়ে জনোৱা মতে, কাইলৈৰ পৰা (২২ ফেব্ৰুৱাৰীৰ পৰা) গুৱাহাটী বিমানবন্দৰৰ নতুন টাৰ্মিনেল যাত্ৰীৰ বাবে মুকলি হ'ব। পৰ্যায়ক্ৰমে নতুন নতুন বিমানৰ চলাচল আৰম্ভ কৰা হ'ব আৰু এপ্ৰিল মাহত পুৰণি টাৰ্মিনেলটো বন্ধ কৰি দিয়া হ'ব। এই টাৰ্মিনেল নিৰ্মাণত প্ৰায় ১৪০ মেট্ৰিক টন স্থানীয় বাঁহ ব্যৱহাৰ কৰা হৈছে, যিয়ে অসমৰ সাংস্কৃতিক আৰু পৰিৱেশগত পৰিচয়ক প্ৰতিফলিত কৰিছে। বিমানবন্দৰত নতুনকৈ সংযোজন হ'ব এমআৰঅ' (Maintenance, Repair and Overhaul) সুবিধা, য'ত বিমানসমূহৰ মেৰামতি আৰু ৰক্ষণাবেক্ষণ কৰা হ'ব। গুৱাহাটীক উত্তৰ-পূৰ্বাঞ্চলৰ এমআৰঅ' হাব হিচাপে গঢ়ি তোলাৰ প্ৰচেষ্টা চলি আছে। লগতে বিমানবন্দৰৰ সন্মুখত দুখন নতুন হোটেল নিৰ্মাণ কৰা হ'ব বুলিও উল্লেখ কৰে। মাৰ্চ মাহত ৰাজ্যত কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্প উদ্বোধন কৰা হ'ব। চানমাৰিৰ মহাৰাজ পৃথু উৰণ সেতু ১০ মাৰ্চত মুকলি কৰা হ'ব। ১১ মাৰ্চত ডিফুৰ উৰণ সেতুৰ উদ্বোধন কৰা হ'ব আৰু সন্ধিয়া যোৰহাটত নিৰ্মিত উৰণ সেতুৰো উদ্বোধন হ'ব। একেদিনাই যোৰহাট কাৰাগাৰত নিৰ্মিত উদ্যানো ৰাইজৰ বাবে মুকলি কৰা হ'ব। অৰ্থনৈতিক আৰু সামাজিক ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ ঘোষণা কৰি মুখ্যমন্ত্ৰীয়ে জনায় যে ১০ মাৰ্চত প্ৰায় ৪০ লাখ মহিলাৰ বেংক একাউণ্টলৈ ৯ হাজাৰ টকাকৈ হস্তান্তৰ কৰা হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ১৩ মাৰ্চত অসমত উপস্থিত হ'ব। কোকৰাঝাৰত কেইবাটাও অনুষ্ঠানত ভাগ ল'ব আৰু সন্ধিয়া অসমৰ চাহ শ্ৰমিকসকলক ভূমিপট্টা প্ৰদান কৰা হ'ব। ১৪ মাৰ্চৰ পুৱা প্ৰধানমন্ত্ৰী শিলচৰলৈ যাব আৰু শিলচৰ-গুৱাহাটীৰ মাজৰ এক্সপ্ৰেছ হাইৱে'ৰ আধাৰশিলা স্থাপন কৰিব। মুম্বাই-পুনে এক্সপ্ৰেছ হাইৱে'ৰ আৰ্হিত নিৰ্মাণ কৰা এই ঘাইপথে বৰাক উপত্যকা আৰু ৰাজ্যৰ অন্যান্য অঞ্চলৰ মাজত যাতায়াত সময়ক বহু পৰিমাণে হ্ৰাস কৰিব। একেদিনাই শিলচৰ চহৰৰ বাবে নিৰ্মাণ কৰিবলগীয়া উৰণ সেতুৰো আধাৰশিলা স্থাপন কৰিব। মুখ্যমন্ত্ৰীয়ে এই ঘোষণাসমূহক অসমৰ অৱকাঠামো উন্নয়নৰ এক নতুন অধ্যায় বুলি অভিহিত কৰি ৰাইজক এই প্ৰকল্পসমূহৰ সফলতাৰ বাবে সহযোগিতা আগবঢ়াবলৈ আহ্বান জনাইছে।

# শিৱসাগৰত পৰম্পৰাগত মুখাশিল্পৰ কৰ্মশালাৰ শুভাৰম্ভণি

**ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ, ২০ ফেব্ৰুৱাৰী ঃ** অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ পৃষ্ঠপোষকতাত, অসম টাই যাদুঘৰ, শিৱসাগৰৰ উদ্যোগত আৰু শিৱসাগৰ জিলা প্ৰশাসনৰ সহযোগত ১০ দিনীয়া পৰম্পৰাগত মুখাশিল্পৰ কৰ্মশালাৰ শুভাৰম্ভণি অনুষ্ঠান যোৱা ১৮ ফেব্ৰুৱাৰী, ২০২৬ তাৰিখে শিৱসাগৰ আৰ্ট গেলাৰীত অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত উপস্থিত থাকে শিৱসাগৰ জিলা প্ৰশাসনৰ অতিৰিক্ত জিলা আয়ুক্ত গৌৰীপ্ৰিয়া দেউৰী, সহকাৰী আয়ুক্ত তথা কাৰ্যবাহী দণ্ডাধীশ গণেশ চন্দ্ৰ বড়ো, কৰ্মশালাৰ মুখ্য প্ৰশিক্ষক সুজিত বৰুৱা, সহকাৰী প্ৰশিক্ষক ধৰ্মা ৰাজখোৱাৰ লগতে স্থানীয় কেইবাগৰাকী বিশিষ্ট ব্যক্তি আৰু ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক অভিভাৱিকাসকল। অনুষ্ঠানত শিৱসাগৰৰ অতিৰিক্ত জিলা আয়ুক্ত গৌৰীপ্ৰিয়া দেউৰীয়ে বন্তি প্ৰজ্জ্বলন কৰে আৰু আদৰণী ভাষণ প্ৰদান কৰে। ইয়াৰ পিছতে সহকাৰী আয়ুক্ত গণেশ চন্দ্ৰ বড়ো আৰু কৰ্মশালাৰ মুখ্য প্ৰশিক্ষক সুজিত বৰুৱাই বক্তব্য প্ৰদান কৰে। অনুষ্ঠানটিত অতিৰিক্ত জিলা আয়ুক্ত, সহকাৰী আয়ুক্ত আৰু মুখ্য প্ৰশিক্ষকে কৰ্মশালাৰ অংশগ্ৰহণকাৰী সকলক উদ্দেশ্য কৰি বহু উপযোগী আৰু প্ৰেৰণাদায়ক বক্তব্য প্ৰদান কৰে। শেষত সাংস্কৃতিক উন্নয়ন বিষয়া নিলোৎপল ৰাজকোঁৱৰে সকলো অংশগ্ৰহণকাৰীক কৰ্মশালালৈ আদৰণি জনায়।

# বাক্সাৰ শিমলাবাৰী কস্তুৰবা সেৱা কেন্দ্ৰত মাতৃ দিৱস উদ্‌যাপনৰ আয়োজন

**অসম বাৰ্তা, বাগানপাৰা, ২০ ফেব্ৰুৱাৰী ঃ** কস্তুৰবা গান্ধী ৰাষ্ট্ৰীয় স্মাৰক ষ্ট্ৰাষ্টৰ অধীনৰ শিমলাবাৰী কস্তুৰবা সেৱা কেন্দ্ৰত অহা ২২ ফেব্ৰুৱাৰীত মাতৃ দিৱস পালন কৰা হ'ব। জাতিৰ পিতা মহাত্মা গান্ধীৰ সহধৰ্মিনী কস্তুৰবা গান্ধীয়ে ১৯৪৪ চনৰ ২২ ফেব্ৰুৱাৰীৰ দিনা পুণাৰ আগাখাঁ মহলত বন্দীনী অৱস্থাত দেশমাতৃ কস্তুৰবাই মৃত্যু বৰণ কৰিছিল। এই দিনটো কস্তুৰবা গান্ধী ৰাষ্ট্ৰীয় স্মাৰক ষ্ট্ৰাষ্টৰ, অসম শাখাই মাতৃদিৱস হিচাপে পালন কৰি আহিছে। বাক্সা জিলাৰ শিমলাবাৰীস্থিত কস্তুৰবা সেৱা কেন্দ্ৰত মাতৃ দিৱস পালন কৰা হ'ব বুলি জানিবলৈ দিয়ে। মাতৃ দিৱসৰ দিনা ২৫ নং বাগানপাৰা পৰিষদীয় সমষ্টিৰ এম চি এল এ ৰেখাৰাণী দাস বড়ো, কস্তুৰবা গান্ধী ৰাষ্ট্ৰীয় স্মাৰক ষ্ট্ৰাষ্টৰ অসম শাখাৰ প্ৰাক্তন প্ৰতিনিধি দময়ন্তী দেৱী, প্ৰতিনিধি বিউটী দাস, কস্তুৰবা গান্ধী ৰাষ্ট্ৰীয় স্মাৰক ষ্ট্ৰাষ্টৰ উপ-প্ৰতিনিধি ভানু কাকতি আৰু লোকপ্ৰিয় এম ই স্কুলৰ শিক্ষক ভূষণ চন্দ্ৰ ৰয় অতিথি হিচাপে অংশগ্ৰহণ কৰিব।

বিজনী বিধানসভা সমষ্টিৰ কাৰ্যালয় মুকলি

# বিজনীত এ আই ইউ ডি এফৰ যোগদান কাৰ্যসূচী

**অসম বাৰ্তা, বিজনী, ২০ ফেব্ৰুৱাৰী ঃ** চিৰাং জিলাৰ বিজনীৰ পুৰণি বিজনীত শুকুৰবাৰে সৰ্বভাৰতীয় সংযুক্ত গণতান্ত্ৰিক মৰ্চা চুমুকৈ এআইইউডিএফৰ ২০ নং বিজনী বিধানসভা সমষ্টি কমিটিৰ কাৰ্যালয় মুকলি কৰা হয়। কাৰ্যালয়টো মুকলি কৰে এআইইউডিএফৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি আৱাল মজিদে। ইয়াৰ পিছতে কাৰ্যালয়টোত অনুষ্ঠিত এখন সভাত ১৫জন লোকে আনুষ্ঠানিক ভাৱে এআইইউডিএফ দলত যোগদান কৰে। ইফালে শেষত এআইইউডিএফৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি আৱাল মজিদে এখন সংবাদমেল সম্বোধন কৰে। সংবাদমেল সম্বোধন কৰি এআইইউডিএফৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি আৱাল মজিদে কয় যে আগন্তুক ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত সৰ্বভাৰতীয় সংযুক্ত গণতান্ত্ৰিক মৰ্চা চুমুকৈ এআইইউডিএফ দলে অসমৰ ৩০ৰ পৰা ৩৫খন বিধানসভা সমষ্টিত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ চিন্তা চৰ্চা কৰি আছে তাৰে ভিতৰতে বিজনী বিধানসভা সমষ্টিত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ কথাও চিন্তা-চৰ্চা কৰি আছে। কিন্তু ইতিমধ্যেই চূড়ান্ত হোৱা নাই যে এআইইউডিএফ দলে অসমৰ কেইটা সমষ্টিত প্ৰতদ্বন্দ্বিতা কৰিব।

জেছিবিৰ চালকৰ আসনত বহিল মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস

# বৰপেটাৰোড-মানাহ সংযোগী পথৰ মেৰামতি কামৰ শুভাৰম্ভ

**অসম বাৰ্তা, বৰপেটাৰোড, ২০ ফেব্ৰুৱাৰী ঃ** অসম মালাৰ ৩.০ অধীনত নিৰ্মাণ হব লগা বৰপেটাৰোড মানাহ সংযোগী পথটো নিৰ্মাণৰ শুভাৰম্ভ অহা মাৰ্চ মাহত প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কেন্দ্ৰীয় ভাৱে শুভউদ্ধোন কৰিব। এই পথটোৰ শুভাৰম্ভনীৰ পূৰ্বেই জেষ্ঠ কেবিনেট মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে আজি জেছিবিৰ চালকৰ আসনত বহি মেৰামতিৰ কাম আৰম্ভ কৰে। উল্লেখ্য ৭১ কৌটি টকা ব্যয়সাপেক্ষে নিৰ্মাণৰ হবলগা এই পথটো জৰাজীৰ্ণ অৱস্থাত আছিল আনকি স্থানীয় বিধায়ক মনোৰঞ্জন তালুকদাৰে এই পথটো নিৰ্মাণ বা মেৰামতিৰ বাবে কোনো দায়িত্ব লোৱা নাছিল ইয়াৰ বিপৰীতে পথটো নিৰ্মাণৰ ক্ষেত্ৰত মন্ত্ৰী ৰঞ্জিত দাসে বাধাদিয়া বুলি দোষাৰোপ কৰি আহিছিল কিন্তু মনোৰঞ্জন তালুকদাৰৰ এই ভাষ্যৰ বিপৰীতে মন্ত্ৰী ৰঞ্জিত দাসে ২০২৪চনৰ পৰাই এই পথটো নিৰ্মাণৰ বাবে বিভাগীয় ভাৱে লাগি ভাগি আছিল। আনকি কালিও মুখ্যমন্ত্ৰীক সাক্ষাৎকৰি মন্ত্ৰী ৰঞ্জিত দাসে এই পথটোৰ মেৰামটিৰ বাবে বিভাগীয়ভাৱে অনুমতি আনে আৰু আজি নিজেই জেচিবি চলাই কামৰ তদাৰক কৰে।

# লখিমপুৰত অচিনাকি মৃতদেহ উদ্ধাৰ, পৰিকল্পিত হত্যাৰ সন্দেহ

**অসম বাৰ্তা, লীলাবাৰী, ২০ ফেব্ৰুৱাৰী ঃ** লখিমপুৰ বাইপাছৰ ৰে'লৰে' উৰণীয়া সেতুৰ তলত অচিনাকি যুৱকৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই লীলাবাৰী অঞ্চলত তীব্ৰ চাঞ্চল্য। প্ৰাপ্ত খবৰ অনুসৰি, আজি পুৱা প্ৰায় আঠ বজাত অচিনাকি মৃতদেহটো স্থানীয় এজন ব্যক্তিয়ে প্ৰত্যক্ষ কৰি লীলাবাৰী আৰক্ষী চকী আৰু সদৰ থানাত খবৰ দিয়ে। আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটোত সুস্পষ্ট আঘাতৰ চিন দেখি পৰিকল্পিত হত্যাকাণ্ড বুলি প্ৰাথমিক অনুসন্ধানত প্ৰকাশ কৰিছে। যুৱকজন চতিয়াৰ শৰৎ শইকীয়া বুলি মৃতদেহৰ লগত থকা নথিপত্ৰৰ পৰা চিনাক্ত কৰি আৰক্ষীয়ে জানিবলৈ দিয়ে। নথি-পত্ৰৰ মাজতে পোৱা পত্নীৰ ফোন নম্বৰত যুৱকগৰাকীৰ পত্নীৰ সৈতে যোগাযোগ কৰাত বিগত পাঁচ মাহে দুয়োজন পৃথককৈ থকাৰ কথা আৰক্ষীয়ে জানিব পাৰে। উল্লেখ্য যে, বিগত পাঁচ মাহে পত্নীৰ সৈতে বিবাদ চলি থকা যুৱকজন চতিয়াৰ ঘৰৰ পৰা গোগামুখৰ শহুৰেকৰ ঘৰলৈ পত্নীক নিবলৈ অহা সময়তে পৰিকল্পিতভাৱে মূৰত আৰু পিঠিত হাতুৰী জাতীয় গধুৰ বস্তুৰে কোব মৰাত যুৱকজনৰ মৃত্যু হৈছে বুলি সন্দেহ কৰিছে আৰক্ষীয়ে।

# জালুকবাৰীৰ মোৱামৰীয়া হৰি মন্দিৰত চুৰি

**অসম বাৰ্তা, মঙলদৈ, ২০ ফেব্ৰুৱাৰী ঃ** মোৱামৰীয়া সৰ্বজনীন হৰি মন্দিৰত মঙ্গলবাৰে নিশা চুৰি হয়। এই সন্দৰ্ভত মোৱামৰীয়া সৰ্বজনীন হৰি মন্দিৰ পৰিচালনা সমিতিয়ে মঙলদৈ থানাত এজাহাৰ দাখিল কৰে। মন্দিৰটোৰ চিচি ফুটেজত স্পষ্ট হৈছে ক'লা পোচাক পৰিহিত দুটাকৈ পাষণ্ডই মন্দিৰটোৰ চুৰি কৰে। পোনতে দানপাত্ৰৰ প্ৰায় ১৫ হাজাৰ টকা লুট কৰি মন্দিৰৰ খিৰিকী খুলি চোৰে মূল মণিকূটত প্ৰৱেশ কৰে। চোৰে থাপনাৰ তলৰ পৰা সোণ-ৰূপৰ বেলপত্ৰ, তুলসীপাত চুৰি কৰে। লগতে প্ৰণামীৰ আইনাৰ বাকচৰ পৰা প্ৰায় ৫০ হাজাৰ টকা লুট কৰে। বিগত কাতি মাহৰ পৰা প্ৰণামী আৰু দানপাত্ৰৰ ধন বেংকত জমা কৰা নাছিল। সেয়ে কমেও দুই লাখ টকা লুটি নিয়াৰ আশংকা কৰা হৈছে। মন্দিৰ চুৰিৰ পাছতে ঘটনাস্থলীত বিজেপি নেতা জোনজ্যোতি কাশ্যপ, মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাস, জিলা বিজেপিৰ উপ-সভাপতি তথা হিন্দুত্ববাদী নেতা গৌৰৱ কুমাৰ ডেকাৰাজাই মন্দিৰ চুৰি সন্দৰ্ভত স্থানীয় ৰাইজৰে আলোচনা কৰে। চোৰৰ প্ৰকোপৰ পৰা ৰক্ষা কৰিবলৈ গাঁৱত ফেৰিৱালাৰ প্ৰৱেশ নিষিদ্ধ কৰাৰ লগতে নিশা পালপাতি গাঁৱত পহৰা দিবলৈ আহ্বান জনায়।

'২৬ৰ বিধানসভা নিৰ্বাচনত ব্ৰহ্মপুত্ৰ উপত্যকাত অন্ততঃ ১০ গৰাকী বাঙালী প্ৰাৰ্থী দিয়াৰ দাবী

# বিজনীত সদৌ অসম বাঙালী যুৱ ছাত্ৰ ফেডাৰেচনৰ সংবাদমেল

**অসমবাৰ্তা, বিজনী, ২০ ফেব্ৰুৱাৰী ঃ** চিৰাং জিলাৰ বিজনীৰ আম্বেদকাৰ হলৰ প্ৰেক্ষাগৃহত শুকুৰবাৰে সদৌ অসম বাঙালী যুৱ ছাত্ৰ ফেডাৰেচনৰ এক গুৰুত্বপূৰ্ণ সংবাদ মেল অনুষ্ঠিত হয়। সংবাদ মেলত সংগঠনটোৰ কেন্দ্ৰীয় কমিটিৰ উপ-সভাপতি বিশ্বজিৎ ৰজত দাস উপস্থিত থাকি সংবাদ মাধ্যমৰ আগত বিভিন্ন গুৰুত্বপূৰ্ণ বিষয় অৱগত কৰে। তেওঁ কয় যে ২০ নং বিজনী বিধানসভা সমষ্টিৰ পৰা আনুমানিক ৭ হাজাৰ ভোটাৰৰ নাম কৰ্তন কৰা হৈছে বুলি অভিযোগ উত্থাপন কৰি ইয়াৰ তীব্ৰ ক্ষোভ প্ৰকাশ কৰে। লগতে আগন্তুক অসম বিধানসভা নিৰ্বাচনৰ প্ৰসংগত তেওঁ সকলো ৰাজনৈতিক দলক আহ্বান জনাই কয় যে যিসমূহ বিধানসভা সমষ্টি বাঙালী জনগোষ্ঠীৰ অধ্যুষিত, সেইসমূহ সমষ্টিত বাঙালী জনগোষ্ঠীৰ যোগ্য প্ৰাৰ্থীক টিকট প্ৰদান কৰিব লাগে বুলি সংগঠনটোৱে দাবী কৰে। সংবাদ মেলত সংগঠনটোৰ আন কেইবাজনো বিষয়ববীয়া উপস্থিত থাকে।




# কলিয়াবৰৰ কলঙত এটা ছাগলী পহু উদ্ধাৰ

**অসম বাৰ্তা, কলিয়াবৰ, ২১ ফেব্ৰুৱাৰী ঃ** কলিয়াবৰত আজি কলঙৰ পৰা এটা ছাগলী পহু স্থানীয় লোকে বন বিভাগৰ সহযোগত উদ্ধাৰ কৰিবলৈ সক্ষম হয়। কলিয়াবৰৰ ঢেকীয়াল গাঁৱত কলঙত আজি দিনৰ ভাগত সংঘটিত হৈছে এই ঘটনা। জনা মতে খাদ্যৰ সন্ধানত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা ওলাই অহা পহুটো মানুহৰ হৈ-চৈত দিশহাৰা হয়। পাছত পহুটোৱে জাপ দিয়ে কলঙত। ইয়াৰ পিছত স্থানীয় লোকে বন বিভাগৰ সহযোগত পহুটো উদ্ধাৰ কৰিবলৈ সক্ষম হয়। পহুটো উদ্ধাৰ কৰি হাটবৰৰ পশু চিকিৎসালয়ত প্ৰাথমিক চিকিৎসা প্ৰদান কৰাৰ পাছত পহুটো কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত বন বিভাগে মুকলি কৰি দিয়ে বুলি জানিব পৰা গৈছে।

# লখিমপুৰ জিলাৰ পোৱাবিল নিবাসী শব্দযন্ত্ৰী মুনিন্দ্ৰ ভেটিধৰাৰ পৰলোক

**অসম বাৰ্তা, বান্দৰদেৱা, ২০ ফেব্ৰুৱাৰী ঃ** লখিমপুৰ জিলাৰ বিহপুৰীয়া সমষ্টিৰ অন্তৰ্গত পোৱাবিল গাঁৱৰ নিবাসী শব্দযন্ত্ৰী হিচাপে খ্যাত ৩৫ বছৰীয়া যুৱক মুনিন্দ্ৰ ভেটিধৰা যোৱা ১৮ ফেব্ৰুৱাৰী তাৰিখে পুৱতি নিশা আকস্মিক ভাৱে মৃত্যুক আঁকোৱালি ল'ব লগা হয়। উল্লেখ্য যে জিলাখনৰ পথালিপাহাৰৰ অংকুৰ ইলেক্ট্ৰনিকৰ স্বত্বাধিকাৰী ৰঞ্জিত বৰাৰ পোহৰ আৰু শব্দৰ ব্যৱস্থাৰ লগত প্ৰায় ১৩ বছৰো অধিক দিন কাম কৰি আছিল। জানিব পৰা মতে কামৰ বিনিময়ত যুৱক জনে কোনোদিন স্বত্বাধিকাৰী জনৰ পৰা মজুৰি লোৱা নাছিল। জিলা খনৰ লগতে চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশৰ বিভিন্ন ঠাইত অনুষ্ঠিত হোৱা কাৰ্যসূচী সমূহত শব্দ আৰু পোহৰৰ সুন্দৰ সু নিপুণ পৰিচালনাৰ বাবে বহুতৰে প্ৰশংসা বুটলিবলৈ সক্ষম হৈছিল। যুৱকজনৰ এনে আকস্মিক মৃত্যুত এতিয়া নিজা গাঁওখনৰ লগতে সমগ্ৰ পথালিপাহাৰ অঞ্চলটোত শোকৰ ছাঁ বিয়পি পৰিছে। আজি সন্ধিয়া পথালিপাহাৰ তিনিআলিত শতাধিক গুণমুগ্ধ শুভাকাংক্ষী সমবেত হৈ তেওঁৰ প্ৰতিচ্ছবিত চাকি বন্তি জ্বলাই বিদেহী আত্মাৰ সদগতিৰ বাবে এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা পৰিলক্ষিত হয়।

# অসম-অৰুণাচল সীমান্তৱৰ্তী ৰঙা ডি ৰিজাৰ্ভত প্ৰতিবাদী সভা

**অসম বাৰ্তা, বান্দৰদেৱা, ২১ ফেব্ৰুৱাৰী ঃ** লখিমপুৰ জিলাৰ অসম অৰুণাচল সীমান্তৱৰ্তী বান্দৰদেৱাৰ সমীপৰ ৰঙা ডি ৰিজাৰ্ভ উন্নয়ন সমিতি আৰু ৰঙা ডি ৰিজাৰ্ভৰ সমূহ ৰাইজৰ সহযোগত আজি দুঘণ্টীয়া অৱস্থান ধৰ্মঘট আয়োজন কৰে ৰঙা ডি ৰিজাৰ্ভত। স্থানীয় ৰাইজৰ পৰা জানিব পৰা মতে প্ৰায় ১৯৬৫ চনতে হাবি জংঘল কাটি বসবাস কৰি আহিছে থলুৱা লোকসকলে। চৰকাৰে পাছত এই লোক সকলক ভূমি পট্টা দি সংস্থাপন দিছিল। এই ৰিজাৰ্ভটোত বৰ্তমান কেইবাখনো চৰকাৰী বিদ্যালয় স্থাপন কৰা হ'ল। বছৰ বছৰ ধৰি এইসকল থলুৱা ৰাইজে মাটিৰ খাজানা আদায় দি আহিছিল যদিও প্ৰতিবাদকাৰীয়ে জানিব দিয়া মতে বৰ্তমান ইয়াৰ সকলো ৰেকৰ্ড ইণ্টাৰনেটৰ পৰা নাইকিয়া হৈ পৰা দেখা গৈছে। উপায়বিহীন হৈ ৰঙা ডি ৰিজাৰ্ভৰ ৰাইজে আজি প্ৰতিবাদী কাৰ্যসূচী হাতত ল'বলৈ বাধ্য হয়। ৰাইজৰ দাবী আমাক ভূমি পট্টা প্ৰদান কৰিব লাগিব, আমাৰ ৰাস্তাঘাট নিৰ্মাণ কৰি দিব লাগিব, লগতে ৰঙা ডী ৰিজাৰ্ভত বসবাস কৰা ৰাইজৰ জৰীপ কৰি চৰকাৰে ন্যায় প্ৰদানৰ দাবীত হাতে হাতে প্লে' কাৰ্ড লৈ ৰাইজ ওলাই আহি ৰাজপথত হিমন্ত মামাৰ কাম নাই, আমাৰ অধিকাৰ আমাক লাগিবই, খিলঞ্জীয়াক ৰক্ষা কৰক, ভূমি পট্টা প্ৰদান কৰক, অসম চৰকাৰ হায় হায় ইত্যাদি শ্ল'গানেৰে সমগ্ৰ পৰিবেশ উত্তাল কৰি তোলে। প্ৰতিবাদকাৰীৰ দাবী ১৫ দিনৰ ভিতৰত যদি চৰকাৰে ৰঙা ডি ৰিজাৰ্ভৰ ৰাইজৰ দাবী সমূহ মানি নলয় তেন্তে আগন্তুক ২৬ৰ বিধানসভা নিৰ্বাচন বৰ্জন কৰাৰ লগতে বৃহৎ প্ৰতিবাদী কাৰ্যসূচী হাতত লোৱাৰ হুংকাৰ প্ৰদান কৰে। আজিৰ প্ৰতিবাদী কাৰ্যসূচীত বিভিন্ন দল সংগঠনে সহযোগ কৰা পৰিলক্ষিত হয়। প্ৰতিবাদৰ মাজভাগতে প্ৰতিবাদস্থলীত উপস্থিত হয় বিহপুৰীয়াৰ ৰাজহ চক্ৰ বিষয়া জয়প্ৰকাশ মহন্ত। চক্ৰ বিষয়া গৰাকীৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ এখন স্মাৰক পত্ৰ প্ৰদান কৰে প্ৰতিবাদকাৰীসকলে।



সম-জিলা আয়ুক্তক স্মাৰক পত্ৰ প্ৰদান ৰাইজৰ

# নাজিৰাত পথ নিৰ্মাণত লেহেমীয়া গতি

**অসম বাৰ্তা, গেলেকী, ২১ ফেব্ৰুৱাৰী ঃ** নাজিৰাৰ সংযোগী ঐতিহাসিক বৰআলিৰ নিৰ্মাণ কাৰ্য চলি থকাৰ সময়তে নাজিৰাৰ নগৰৰ ৭ নং ৱাৰ্ডৰ অংশত লেহেমীয়া গতিত কাম কৰাৰ অভিযোগ তুলিছে স্থানীয় ৰাইজে। উক্ত অঞ্চলৰ ৰাইজে জানিবলৈ দিয়া মতে, বৰআলিৰ নিৰ্মাণ কাৰ্যৰ লগত জড়িত ঠিকাদাৰজনৰ বৰ্তমানৰ কাম কৰাৰ পদ্ধতিয়ে স্থানীয় লোকসকলক সমস্যাত পেলাইছে। বিশেষকৈ ঠিকাদাৰজনে এসপ্তাহ দিন পূৰ্বে পথটোৰ ওপৰৰ কাৰ্পেটিঙক তৰপটো আঁতৰাই দিছিল আৰু তেতিয়াৰে পৰা কামৰ কোনো অগ্ৰগতি হোৱা নাই, যাৰ ফলত পথটো ভঙা আৰু ধূলিময় অৱস্থা হৈছে। পথৰ ধূলিৰ ফলত স্থানীয় ৰাইজে তথা পথচাৰীসকলে যমৰ যান্ত্ৰণা ভুগিবলগীয়া হৈছে। ৱাৰ্ডটোৰ শিশু আৰু বৃদ্ধসকলৰ বাবে গুৰুতৰ স্বাস্থ্যৰ বিপদ মাতি আনিছে উক্ত পথচোৱাৰ পৰা উৎপন্ন হোৱা ধূলিয়ে। উক্ত নিৰ্মাণ কাৰ্য চলি থকাৰ সময়ত নিয়মীয়াকৈ পানী ছটিয়াই ধূলি নিয়ন্ত্ৰণ কৰাৰ ঠিকাদাৰৰে হেমাহী কৰাহে দেখা গৈছে। সোনকালে পথটো সম্পূৰ্ণ কৰাৰ লগতে নিৰ্মাণ কাৰ্য সম্পূৰ্ণ নোহোৱালৈকে ঠিকাদাৰক দিনটোত কমেও দুবাৰকৈ পানী ছটিয়াবৰ বাবে ব্যৱস্থা কৰিবলৈ নাজিৰা সম-জিলা আয়ুক্তক এখনি ৰাজহুৱা স্মাৰকপত্ৰ প্ৰদান কৰাৰ লগতে লোক নিৰ্মাণ বিভাগলৈ প্ৰতিলিপি প্ৰেৰণ কৰে ৰাইজে। অতি সোনকালে এই কাম নকৰিলে গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলাৰ হুংকাৰ দিছে ৰাইজে।

# কামৰূপ জিলাৰ উন্নয়ন সমিতিৰ বৈঠক

**অসম বাৰ্তা, কমলপুৰ, ২১ ফেব্ৰুৱাৰী ঃ** কামৰূপ জিলাৰ চলিত মাহৰ উন্নয়ন সমিতিৰ বৈঠকখন আজি জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰৰ সভাপতিত্বত ঔদ্যোগীক কেন্দ্ৰ, ছয়গাঁৱৰ সভাকক্ষত অনুষ্ঠিত হয়। আজিৰ বৈঠকত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, কৃষি, লোক নিৰ্মাণ পথ আৰু গৃহ, মীন, উদ্যোগ আৰু বাণিজ্য, পশুপালন আৰু পশু চিকিৎসা, এপিডিচিএল, শিক্ষা, সমাজ কল্যাণ, জনস্বাস্থ্য কাৰিকৰী, ভূমি সংৰক্ষণ, আদি বিভিন্ন বিভাগৰ অধীনত চলি থকা আঁচনি সমূহৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰা হয়। ইয়াৰ উপৰিও জিলাখনত চলি থকা কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰৰ বিভিন্ন উন্নয়নমূলক আঁচনি আৰু ধ্বজাবাহী আঁচনিসমূহৰ অগ্ৰগতি সম্পৰ্কে বিস্তৃত পৰ্যালোচনা কৰে। জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই আজিৰ বৈঠকতে বিভিন্ন বিভাগৰ জিলা পৰ্যায়ৰ মুৰব্বী বিষয়াসকলক তেওঁলোকৰ বিভাগৰ অধীনত চলি থকা বিভিন্ন উন্নয়নমূলক আঁচনি তথা প্ৰকল্পৰ কাম সমূহ খৰটকীয়কৈ ৰূপায়ণ কৰাৰ উপৰিও সময়মতে আঁচনি তথা প্ৰকল্পবোৰৰ ৰূপায়ণ কৰিবলৈ সংশ্লিষ্ট বিভাগ সমূহক নিৰ্দেশ দিয়ে। ইয়াৰ উপৰিও আয়ুক্ত গৰাকীয়ে আন্তঃবিভাগীয় সমন্বয় শক্তিশালী কৰি উন্নয়নমূলক কামত থকা বাধাসমূহ দূৰ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ লগতে অগ্ৰাধিকাৰভুক্ত আঁচনিসমূহ সুচাৰুৰূপে ৰূপায়ণ কৰি দৃশ্যমান উন্নয়ন নিশ্চিত কৰাৰ ওপৰতো বিশেষ গুৰুত্ব আৰোপ কৰিবলৈ নিৰ্দেশ দিয়ে। বৈঠকৰ আৰম্ভণিতে আন্তঃবিভাগীয় আৰু যোৱা মাহৰ বৈঠকত প্ৰদান কৰা নিৰ্দেশনা সমূহৰ খতিয়ান গ্ৰহণ কৰে। বৈঠকত কামৰূপ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া সিদ্ধাৰ্থ গোস্বামী, কামৰূপৰ জিলা উন্নয়ন আয়ুক্ত সুশান্ত কুমাৰ দত্ত, অতিৰিক্ত জিলা আয়ুক্তসকল, সম-জিলা আয়ুক্তসকলৰ লগতে বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকল উপস্থিত থাকে।

# অষ্ট্ৰেলিয়াৰ ঘৰুৱা মাটিত শৃংখলা জয় ভাৰতীয় মহিলা ক্ৰিকেট দলৰ

খেলখনত ভাৰতে অষ্ট্ৰেলিয়াক ১৭ ৰাণত পৰাজিত কৰি সমগ্ৰ শৃংখলা ২-১ অনুপাতত নিজৰ দখলত লৈ লয়। হৰমনপ্ৰীত কৌৰৰ নেতৃত্বত থকা ভাৰতীয় দলে টছ জিকি প্ৰথমে বেটিং কৰাৰ সিদ্ধান্ত লয়। আৰম্ভণিতে শ্বেফালি বাৰ্মা মাত্ৰ ৭ ৰাণতে আউট হ'লেও স্মৃতি মান্ধনা আৰু জেমিমা ৰড্ৰিগেছে দায়িত্ব লৈ দলৰ ইনিংছক মজবুত কৰি তোলে। স্মৃতি মান্ধনাই ৩৮টা বল খেলি ৮২ ৰাণৰ এক দৃঢ় ইনিংছ খেলে য'ত ৬টা চাৰি আৰু ২টা ছয় আছিল। জেমিমা ৰড্ৰিগেছে ৪৬টা বলত ৫৯ ৰাণ যোগ কৰি মধ্যভাগত স্থিৰতা আনে। ৰিচা ঘোষে শেষৰ ফালে দ্ৰুত ১৮ ৰাণৰ যোগ দি দলক ভাল স্ক'ৰলৈ লৈ যায়। শেষ অভাৰত কিছু উইকেটৰ পতন ঘটিল যদিও ভাৰতে ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ১৭৬ ৰাণ সংগ্ৰহ কৰে। অষ্ট্ৰেলিয়াৰ এনাবেল চাথাৰলেণ্ডে দুটা উইকেট লৈ সৰ্বাধিক সফলতা দেখুৱায়। ১৭৭ ৰাণৰ লক্ষ্যৰ সন্মুখীন হৈ অষ্ট্ৰেলিয়াৰ বেটিং ভংগুৰ হৈ পৰে। এছলি গাৰ্ডনাৰে ৫৭ ৰাণৰ এক সাহসী ইনিংছ খেলি দলক যুঁজ দিয়াৰ চেষ্টা কৰে আৰু ফিবি লিচফিল্ডে ২৬ ৰাণ যোগ কৰে। কিন্তু ভাৰতীয় বলাৰসকলে নিয়মীয়াকৈ উইকেট লৈ অষ্ট্ৰেলিয়াক চাপত ৰাখে। স্পিনাৰ শ্ৰেয়াংকা পাটিল আৰু শ্ৰী চৰাণীয়ে প্ৰত্যেকে তিনিটাকৈ উইকেট লৈ মেচৰ মূল ব্যক্তিত্ব হৈ পৰে। অৰুন্ধতী ৰেড্ডীয়ে দুটা আৰু ৰেনুকা সিং ঠাকুৰে এটা উইকেট লৈ সম্পূৰ্ণ বলিং আক্ৰমণক শক্তিশালী কৰি তোলে। শেষত অষ্ট্ৰেলিয়াই ২০ অভাৰত ৯ উইকেট হেৰুৱাই মাত্ৰ ১৫৯ ৰাণহে সংগ্ৰহ কৰিবলৈ সক্ষম হয়। এই মেচৰ বাবে ভাৰতে এটা পৰিৱৰ্তন কৰি ক্ৰান্তি গৌড়ৰ ঠাইত শ্ৰেয়াংকা পাটিলক অন্তৰ্ভুক্ত কৰে আৰু এই সিদ্ধান্তই ফল দিয়ে। অষ্ট্ৰেলিয়াই নিক কেৰীৰ ঠাইত গ্ৰেচ হেৰিছক সুযোগ দিয়ে। এই জয়ৰ জৰিয়তে ভাৰতীয় মহিলা দলে অষ্ট্ৰেলিয়াৰ ঘৰুৱা খেলপথাৰত টি-২০ শৃংখলা জয় কৰাৰ এক দীৰ্ঘদিনীয়া অপেক্ষাৰ অৱসান ঘটাইছে। দশকৰো অধিক সময়ৰ পিছত এনে এক সফলতাই দলৰ আত্মবিশ্বাসক নতুন উচ্চতালৈ লৈ গৈছে আৰু বিশ্ব ক্ৰিকেটত ভাৰতীয় মহিলা ক্ৰিকেটৰ শক্তি পুনৰ প্ৰতিষ্ঠা কৰিছে।

# আগন্তুক ৫ বছৰত বানপানীমুক্ত হ'ব অসম

অন্যান্য গুৰুজনসকলক স্মৰণ কৰে। তেওঁ কয় যে কেন্দ্ৰীয় চৰকাৰে অসমত ১৫ লাখ কোটি টকাৰ উন্নয়নমূলক কাম-কাজ সম্পন্ন কৰিছে। আগন্তুক পাঁচ বছৰৰ ভিতৰত অসমক উত্তৰ-পূবৰ ঔদ্যোগিক কেন্দ্ৰ হিচাপে গঢ়ি তোলা হ'ব বুলিও তেওঁ আশা প্ৰকাশ কৰে। অনুপ্ৰৱেশৰ প্ৰসংগত কংগ্ৰেছক তীব্ৰ সমালোচনা কৰি গৃহমন্ত্ৰীয়ে অভিযোগ তোলে যে কংগ্ৰেছৰ শাসনকালত অনুপ্ৰৱেশকাৰীয়ে ৰাজ্যৰ জনগাঁথনিক সলনি কৰি পেলাইছিল। ধুবুৰী, বৰপেটা, নগাঁও আদি কেইবাখনো জিলা অনুপ্ৰৱেশকাৰীৰ কবলত পৰিছিল বুলি উল্লেখ কৰি তেওঁ কংগ্ৰেছক প্ৰত্যাহ্বান জনায়— অনুপ্ৰৱেশকাৰীৰ বিৰুদ্ধে স্পষ্ট ব্যৱস্থা লোৱাৰ প্ৰতিশ্ৰুতি ঘোষণা কৰক। একেদৰে, অমিত শ্বাহে কয় যে কংগ্ৰেছৰ শাসনকালত ৭খন জিলাত হিন্দু জনসংখ্যা ৪৮ লাখৰ পৰা ৩৬ লাখলৈ হ্ৰাস পাইছিল। এই "পাপ"ৰ পৰা অসমবাসীক মুক্ত কৰিবলৈ বিজেপি চৰকাৰে দৃঢ় সংকল্পবদ্ধ বুলি তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰতিশ্ৰুতিসমূহ পূৰণত কেন্দ্ৰীয় চৰকাৰ সহায় কৰিব বুলি আশ্বাস দি তেওঁ ৰাইজক পুনৰ পাঁচ বছৰৰ বাবে বিজেপি চৰকাৰ গঠন কৰিবলৈ আহ্বান জনায়। বান নিয়ন্ত্ৰণৰ ক্ষেত্ৰতো গুৰুত্ব আৰোপ কৰি গৃহমন্ত্ৰী গৰাকীয়ে কয় যে ব্ৰহ্মপুত্ৰ অসমৰ বাবে আশীৰ্বাদস্বৰূপ হ'লেও বাৰিষাত ই ধ্বংসলীলা মাতি আনে। আগন্তুক ৮ বছৰৰ ভিতৰত অসমক সম্পূৰ্ণ বানমুক্ত কৰাৰ লক্ষ্য লোৱা হৈছে। বৃহৎ পুখুৰীত পানী সংৰক্ষণ, ছেটেলাইটৰ জৰিয়তে অধ্যয়ন আৰু অন্যান্য আধুনিক ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলিও তেওঁ জানিবলৈ দিয়ে। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত অসম আৰক্ষীৰ উচ্চপদস্থ বিষয়াসকল, বিজেপিৰ নেতৃত্ব আৰু স্থানীয় ৰাইজৰ বহুল অংশগ্ৰহণ আছিল। এই শিলান্যাস অসমৰ সুৰক্ষা আৰু উন্নয়নৰ ক্ষেত্ৰত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ যৌথ প্ৰচেষ্টাৰ এক উদাহৰণ হিচাপে দেখা গৈছে।

# অসম সাহিত্য সভাৰ উদ্যোগত আন্তৰ্জাতিক মাতৃভাষা দিৱস উদ্‌যাপন

**অসম বাৰ্তা, সোণাপুৰ, ২১ ফেব্ৰুৱাৰী ঃ** অসম সাহিত্য সভাৰ গুৱাহাটী কাৰ্যালয়ৰ নেহা আগৰৱালা সভাকক্ষত আজি আন্তৰ্জাতিক মাতৃভাষা দিৱস উদ্‌যাপন কৰা হয়। উক্ত অনুষ্ঠানত অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই ভাষণ প্ৰদান কৰি কয়- মাতৃভাষাই শিক্ষাৰ ভেটি দৃঢ় কৰে আৰু মনৰ ভাব-বিনিময়ৰ ক্ষেত্ৰত ই এক উৎকৃষ্ট মাধ্যম হিচাপে কাম কৰে। লগতে প্ৰধান সম্পাদক বৰাই সকলোকে মাতৃভাষাক শ্ৰদ্ধা জনাবলৈ দিয়াৰ লগতে ইয়াৰ সংৰক্ষণ আৰু প্ৰচাৰত মনোনিৱেশ কৰিবলৈ আহ্বান জনায়। উল্লেখ্য যে মাতৃভাষা দিৱস উপলক্ষে আজি অসম সাহিত্য সভাৰ প্ৰতিখন জিলাৰ প্ৰতিনিধিয়ে জিলা আয়ুক্তৰ হাতত চৰকাৰী ৰাজ্যভাষা আইন অনুসৰি মাতৃভাষাৰ যথাযথ ব্যৱহাৰ নিশ্চিত কৰাৰ দাবীৰে স্মাৰক পত্ৰ প্ৰদান কৰে। অসম সাহিত্য সভাৰ গুৱাহাটী কাৰ্যালয়ৰ সম্পাদক সঞ্জীৱ শৰ্মাই আঁত ধৰা আজিৰ অনুষ্ঠানত বিশেষভাৱে উপস্থিত থাকে তথ্য-প্ৰযুক্তিৰ আহ্বায়ক স্বৰ্গজ্যোতি চেতিয়া, মধ্য গুৱাহাটী স্বৰ্ণ শাখাৰ সভাপতি প্ৰমোদ চন্দ্ৰ ঠাকুৰীয়া, কমলচন্দ্ৰ লহকৰ, মিঠু দাস, সুব্ৰত চৰকাৰকে আদিকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি আৰু অসম সাহিত্য সভাৰ গুৱাহাটী কাৰ্যালয়ৰ বিষয়া কৰ্মচাৰীয়ে।



# শালমৰাত পূব মাজুলী মহাবিদ্যালয়ৰ এন.এছ.এছ.ৰ বিশেষ শিবিৰ

**অসম বাৰ্তা, উজনী মাজুলী, ২১ ফেব্ৰুৱাৰী ঃ** "মইনহয়, তুমি"— এই মূলমন্ত্ৰৰে উদ্বুদ্ধ হৈ পূব মাজুলী মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি (NSS) গোটৰ উদ্যোগত আজিৰে পৰা মাজুলীৰ বানাক্ৰান্ত শালমৰা অঞ্চলত সাতদিনীয়া এক বিশেষ শিবিৰ আৰম্ভ হৈছে। শালমৰা যুৱক বিজয় মিলন সংঘত অনুষ্ঠিত এই শিবিৰৰ উদ্বোধনী সভাত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ দীপক বৰাই। পুৱা ১০ঃ৩০ বজাত বিশিষ্ট সমাজকৰ্মী তথা জিলা বন বিভাগৰ বিষয়া অতুল দাস, অধক্ষ দিপক বৰা আৰু জেষ্ঠ সাংবাদিক দিবাকৰ শইকীয়াই বন্তিপ্ৰজ্বলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে আৰু বন্তি প্ৰজ্বলনৰ সময়ত এন. এছ. এছ. লক্ষ্য গীতৰ সুৰৰ ধ্বনিয়ে এক গম্ভীৰ পৰিৱেশৰ সৃষ্টি কৰে। উদ্বোধক দাসে সাৰুৱা বক্তব্যৰে সভা উদ্বোধন কৰাৰ পাছতেই এন. এছ. এছ. কাৰ্যক্ৰম বিষয়া উত্তম শইকীয়াই আদৰণি ভাষণ প্ৰদান কৰি শিবিৰৰ লক্ষ্য আৰু উদ্দেশ্য ব্যাখ্যা কৰে। উদ্বোধনী সভাত মূল বক্তা হিচাপে উপস্থিত থাকি মহাবিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ সহকাৰী অধ্যাপক বিপিন চন্দ্ৰ বৰাই "দুৰ্যোগ প্ৰশমন আৰু যুৱশক্তি"ৰ ওপৰত এক সাৰুৱা ভাষণ আগবঢ়ায়। লগতে মুখ্য অতিথি দিবাকৰ শইকীয়াই স্বেচ্ছাসেৱকসকলক সমাজ সেৱাৰ প্ৰতি অনুপ্ৰাণিত কৰে। সভাত সন্মানীয় অতিথি হিচাপে উপস্থিত থাকি মাজুলী জিলা কুমাৰ সন্মিলনৰ সভাপতি ডিম্বেশ্বৰ কলিতা, শান্তিপুৰ এল.পি. স্কুলৰ প্ৰধান শিক্ষক মুহিধৰ হাজৰিকা আৰু শালমৰা হাইস্কুলৰ সহকাৰী শিক্ষক লোহিত শইকীয়াই মূল্যবান ভাষণ প্ৰদান কৰে। বক্তাসকলে শালমৰাৰ ঐতিহাসিক মৃৎশিল্পৰ সুৰক্ষা আৰু বান-খহনীয়াৰ সৈতে মোকাবিলা কৰাত যুৱ প্ৰজন্মৰ দায়িত্বৰ বিষয়ে আলোকপাত কৰে। বিশেষকৈ, শালমৰা হাইস্কুলৰ সহকাৰী শিক্ষক লোহিত শইকীয়াই তেওঁৰ ভাষণত বৰ্তমান সময়ৰ এক জ্বলন্ত সমস্যাৰ বিষয়ে আলোকপাত কৰে। তেওঁ শিশু আৰু কিশোৰ-কিশোৰীসকলৰ মাজত ক্ৰমান্বয়ে বৃদ্ধি পোৱা ম'বাইল ফোনৰ আসক্তিৰ ভয়াবহতা সম্পৰ্কে উপস্থিত ৰাইজক অৱগত কৰে। ম'বাইল ফোনৰ অতিমাত্ৰা ব্যৱহাৰে কিদৰে ছাত্ৰ-ছাত্ৰীৰ মানসিক আৰু শাৰীৰিক বিকাশত বাধাৰ সৃষ্টি কৰিছে সেই বিষয়ে উল্লেখ কৰি তেওঁ এন. এছ. এছ. স্বেচ্ছাসেৱকসকলক গাঁৱে গাঁৱে গৈ অভিভাৱক আৰু শিশুসকলক এই বিষয়ে সজাগ কৰিবলৈ আহ্বান জনায়। সভাত মহাবিদ্যালয়ৰ শিক্ষক কৰ্মচাৰী গোটৰ ক্ৰমে মানস জ্যোতি বৰা, অমূল্য ভূএগা, দিলীপ বৰুৱা, গৌতম শইকীয়া, অমৰজ্যোতি গায়ন, দন্দি ৰাম শইকীয়া অজিত বৰা আৰু শালমৰা গাঁৱৰ আইসকল উপস্থিত থাকে। সভাৰ শেষত সহকাৰী অধ্যাপক সূৰ্য কুমাৰ দলেয়ে শলাগৰ শৰাই আগবঢ়ায়। মধ্যাহ্ন ভোজনৰ পাছতেই শিবিৰৰ প্ৰথম দিনাৰ কাৰ্যসূচী হিচাপে স্বেচ্ছাসেৱকসকলে এক বিশেষ অভিযানত নামি পৰে। শিবিৰ পৰিচালক তথা প্ৰাক্তন স্বেচ্ছাসেৱক খগেন চমুৱাৰ নেতৃত্বত অৰ্ধশতাধিক স্বেচ্ছাসেৱকে বানাক্ৰান্ত শালমৰা গাঁৱত এক 'দুৰ্যোগ সম্ভাৱনীয়তা জৰীপ' (Village Vulnerability Survey) সম্পন্ন কৰে। এই জৰীপৰ জৰিয়তে স্বেচ্ছাসেৱকসকলে বানপীড়িত ৰাইজৰ সমস্যা আৰু প্ৰয়োজনীয়তাৰ তথ্য সংগ্ৰহ কৰে। অনাগত ৬ দিনত এই এন. এছ. এছ. গোটটোৱে অঞ্চলটোত স্বাস্থ্য সজাগতা, চাফাই অভিযান আৰু বিভিন্ন গঠনমূলক কাম-কাজ চলাই নিব বুলি এন এছ এছ কাৰ্যক্ৰম বিষয়াই জানিবলৈ দিয়ে।

# মাজুলীত থলুৱা মাছ পালন আৰু সংৰক্ষণ বিষয়ক কৰ্মশালা সম্পন্ন

**অসম বাৰ্তা, মাজুলী, ২১ ফেব্ৰুৱাৰী ঃ** মাজুলী জিলাত থলুৱা মাছ মাগুৰ, শিঙি, কাৱৈ আদিৰ পালন আৰু সংৰক্ষণ শীৰ্ষক এক দিনজোৰা কৰ্মশালা আজি খাৰজানপাৰস্থিত বি আৰ আম্বেদকাৰ ভৱনত অনুষ্ঠিত হয়। উক্ত প্ৰশিক্ষণ কাৰ্য্যসূচী আনুষ্ঠানিক ভাৱে উদ্বোধন কৰে জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে। জিলা আয়ুক্ত গৰাকীয়ে প্ৰশিক্ষণ কাৰ্যসূচী উদ্বোধন কৰি নিজৰ ভাষণত কয়- থলুৱা মাছৰ পালন আৰু সংৰক্ষণ কৰিলে মীন পালক সকলৰ আয় বৃদ্ধিৰ লগতে পৰিৱেশৰ সমতা ৰক্ষা হ'ব। এই দিনজোৰা প্ৰশিক্ষণ কাৰ্য্যসূচী মিচিং স্বায়ত্ত্ব শাসিত পৰিষদৰ সাধাৰণ সদস্য ত্ৰৈলোক্য পামেগাম তথা দ: ব্ৰিঙ প: ল সংহত ফাৰ্মৰ উদ্যোগত অনুষ্ঠিত হয়। অনুষ্ঠানত এম এম কেৰ জিলা সভাপতি অৰুণ গামে মীন পালক সকলক আধুনিক প্ৰযুক্তি গ্ৰহণ কৰি অধিক লাভান্বিত হ'বলৈ আহ্বান জনায়। প্ৰশিক্ষণ কাৰ্য্যসূচীত জিলা মীন উন্নয়ন বিষয়া ভদেশ্বৰ মিলি সমল ব্যক্তি হিচাপে উপস্থিত থাকি মাগুৰ, শিঙি, কাৱৈ আদিৰ পোনা উৎপাদন, প্ৰতিপালন আৰু স্থানীয় খাদ্য সামগ্ৰী ব্যৱহাৰ কৰি খাদ্য ব্যৱস্থাপনা আৰু ৰোগ নিয়ন্ত্ৰণ পদ্ধতিৰ ওপৰত ব্যৱহাৰিক প্ৰশিক্ষণ প্ৰদান কৰে। প্ৰশিক্ষণত মাজুলীৰ বিভিন্ন অঞ্চলৰ প্ৰায় ৩০ গৰাকী মীন পালকে অংশগ্ৰহণ কৰি এই পদ্ধতি গ্ৰহণ কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰে। কাৰ্য্যসূচীৰ শেষত আয়োজক সকলে থলুৱা মাছ পালন আৰু সংৰক্ষণ আৰু মৎস্য উৎপাদন বৃদ্ধিৰ বাবে এই ধৰণৰ প্ৰশিক্ষণ আগলৈ অব্যাহত থাকিব বুলি জনায়।

## শুকান মৰুভূমিত পৰিণত মহাবাহু ব্ৰহ্মপুত্ৰ

# অৰুণাচল প্ৰদেশত নিৰ্মীয়মাণ বৃহৎ দিবাং নদীবান্ধৰ কু-প্ৰভাৱ

**অসম বাৰ্তা, ছৈখোৱা, ২১ ফেব্ৰুৱাৰী ঃ** অৰুণাচল প্ৰদেশৰ নিৰ্মিত হৈ থকা দিবাং বৃহৎ নদীবান্ধ প্ৰকল্পই অনাগত দিনত ব্ৰহ্মপুত্ৰ নদীক আৰু অধিক শুকুৱাই পেলাব বুলি সচেতন মহলে উদ্ধীগ্ন প্ৰকাশ কৰিছে। বৰ্তমান সময়ত অসমৰ আয়োস স্বৰূপ ব্ৰহ্মপুত্ৰ নদী ভয়ানক ভাৱে শুকাই যাব ধৰিছে। উজনিৰ পৰা নামনিলৈ নদীখনৰ বুকুত কেৱল বালিচৰ। চীনৰ চাংপো বৃহৎ নদীবান্ধৰ কথা কৈ অহা হৈছে যদিও কেন্দ্ৰীয় চৰকাৰে এই ক্ষেত্ৰত কোনো প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাই। অন্যহাতে নিৰ্মিয়মান হৈ থকা বৃহৎ দিবাং নদীবান্ধ প্ৰকল্পই অনাগত দিনত ভয়াবহতা আনিব নেকি। শেহতীয়াকৈ অৰুণাচল প্ৰদেশৰ ২, ৮৮০ মেগাৱাট শক্তিৰ বৃহৎ দিবাং বহুমুখী প্ৰকল্প যোৱা ১৭ ফেব্ৰুৱাৰীত ডাইভাৰচন টানেল-৩ (ডিটি-৩)ৰ সফল জৰিয়তে এক বৃহৎ নিৰ্মাণত উপনীত হৈছে। দিবাং নদীখনক অন্য দিশলৈ লৈ যোৱা দিশত এক জটিল পদক্ষেপ হিচাপে কৰা হৈছে। যিটো মূল বান্ধ আৰু অন্যান্য মূল কাম আৰম্ভ কৰিবলৈ প্ৰয়োজনীয় হৈছিল। এন এইচ পি চিৰ সঞ্চালক প্ৰকল্পৰ সঞ্জয় কুমাৰ সিঙ, বিষয়া আৰু কাৰ্যবাহী ঠিকাদাৰ এল এণ্ড টি য়ে এই কাম কৰে। এই প্ৰকল্পত প্ৰায় ৬.৩ কিলোমিটাৰ দৈৰ্ঘ্য আৰু ১২ মিটাৰকৈ সম্পূৰ্ণ ব্যাসৰ পাঁচটা ডাইভাৰচন সুৰংগ খনন কৰা হৈছে। এই সুৰংগসমূহ সম্পূৰ্ণ হ'লে নদীৰ ডাইভাৰচনৰ হ'ব। যিটো ভাৰতবৰ্ষৰ সৰ্বোচ্চ বান্ধ নিৰ্মাণৰ কাম আগুৱাই নিয়াৰ বাবে প্ৰয়োজনীয়। নামনি দিবাং উপত্যকা জিলাত অৱস্থিত দিবাং বহুমুখী প্ৰকল্প ভাৰতৰ সৰ্ববৃহৎ জলবিদ্যুৎ প্ৰকল্প হ'বলৈ গৈ আছে। এই প্ৰকল্পৰ ক্ষমতা ২, ৮৮০ মেগাৱাট। বাৰ্ষিক উৎপাদন প্ৰায় ১১, ২২৩ মিলিয়ন ইউনিট বুলি অনুমান কৰা হৈছে। বান্ধ ২৭৮ মিটাৰ উচ্চতাত ভাৰতৰ সৰ্বোচ্চ কংক্ৰিটৰ মাধ্যাকৰ্ষণ বান্ধ। বিশ্বৰ সৰ্বোচ্চ ৰোলাৰ কম্পেক্টেড কংক্ৰিট (আৰ চি চি) বান্ধ হ'ব। শক্তি উৎপাদনৰ উপৰিও এই প্ৰকল্পই ব্ৰহ্মপুত্ৰ অৱবাহিকাত বান পৰিবৰ্তনৰ ক্ষেত্ৰত সহায় কৰিব বুলি যদিও কোৱা হৈছে ই অনাগত দিনত ভয়াবহ আনিব বুলি বিশেষজ্ঞসকলে মত প্ৰকাশ কৰিছে। ২০৩২ চনৰ ফেব্ৰুৱাৰী মাহত প্ৰকল্পটো সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে অৰুণাচল প্ৰদেশৰ মিচিমি পাহাৰৰ পৰা উৎপত্তি হোৱা দিবাং ব্ৰহ্মপুত্ৰ নদীৰ ১৯৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ উপনৈ। অসমৰ শদিয়াৰ সমীপৰ লোহিত নদীৰ লগত সংযুক্ত হোৱাৰ আগতে উজনি আৰু নামনি দিবাং উপত্যকা জিলাৰ মাজেৰে বৈ গৈছে। দিবাং নদীখন নামনি দিবাং উপত্যকা জিলাৰ মাজেৰে বৈ গৈছে। ১৩ নং ৰাষ্ট্ৰীয় ঘাইপথ পূৰ্বৰ ৫২ নং ৰাষ্ট্ৰীয় ঘাইপথৰ অংশ দিবাং নদীৰ দলংখনে এই নদীখনক আগুৰি আছে। ব্ৰহ্মপুত্ৰৰ এখন প্ৰধান উপনৈ দিবাঙত অধিক পলসৰ বোজা আৰু বাৰিষা বৰষুণৰ বাবে নদীখনে সঘনাই নিজৰ গতিপথ সলনি কৰি আহিছে। যাৰ ফলত স্থানীয় জনগোষ্ঠীসমূহৰ ওপৰত প্ৰভাৱ পৰে। দিবাং নদীখনৰ বান নিয়ন্ত্ৰণ আৰু বিদ্যুৎ উৎপাদনৰ উদ্দেশ্যে প্ৰস্তাৱিত বৃহৎ পৰিসৰৰ দিবাং বান্ধ প্ৰকল্প পৰিৱেশৰ কু-প্ৰভাৱৰ বাবে স্থানীয় জনসাধাৰণে বিৰোধিতাৰ কৰিছিল। ইদু মিছিমি, আদি, মিছিং জনগোষ্ঠীকে ধৰি থলুৱা লোকে বিৰোধিতা কৰাৰ পাছতো কেন্দ্ৰীয় চৰকাৰে উক্ত বৃহৎ নদীবান্ধ নিৰ্মাণৰ কাম আৰম্ভ কৰে। এই নদীবান্ধে অনাগত সময়ত অসমলৈও ভয়াবহ আনিব। বিশেষকৈ ব্ৰহ্মপুত্ৰ নদী শুকাই মৰুভূমিত পৰিনত হ'বলৈ গৈ আছে বুলি বিশেষজ্ঞসকলে মত প্ৰকাশ কৰিছে।

# দেৰগাঁও জাতীয় বিদ্যালয়ত আন্তঃৰাষ্ট্ৰীয় মাতৃভাষা দিৱস পালন



**অসম বাৰ্তা, দেৰগাঁও, ২১ ফেব্ৰুৱাৰী ঃ** ২১ ফেব্ৰুৱাৰী শনিবাৰে অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ আহ্বানত গোলাঘাট জিলা জাতীয় বিদ্যালয় সমন্বয়ৰক্ষী সমিতিৰ উদ্যোগ আৰু দেৰগাঁও জাতীয় বিদ্যালয়ৰ সহযোগত আন্তৰাষ্ট্ৰীয় মাতৃভাষা দিৱস পালন কৰা হয়। দেৰগাঁও জাতীয় বিদ্যালয়ৰ অধ্যক্ষ প্ৰশান্ত বৰঠাকুৰৰ সভাপতিত্বত অনুষ্ঠিত হোৱা এই অনুষ্ঠানত উপস্থিত থাকি বক্তব্য আগবাঢ়ায় গোলাঘাটৰ বিশিষ্ট শিক্ষাবিদ অনু খনিকৰ, গোলাঘাট জিলা জাতীয় বিদ্যালয় সমন্বয়ৰক্ষী সমিতিৰ সভাপতি পল্লৱ বৰবৰা, সাংস্কৃতিক সম্পাদক প্ৰবীন দাস, দেৰগাঁৱৰ বিশিষ্ট শিক্ষাবিদ প্ৰাণগোপাল বৰঠাকুৰে। উল্লেখযোগ্য যে অনুষ্ঠানত আন্তৰাষ্ট্ৰীয় মাতৃভাষা দিৱসৰ তাৎপৰ্য, মাতৃভাষাৰ অতীত, বৰ্তমান আৰু ভৱিষ্যত সম্পৰ্কে বিশিষ্ট অতিথিসকলে বক্তব্য আগবঢ়ায়। জিলা সমিতিৰ অন্তৰ্গত ১৪খন জাতীয় বিদ্যালয়ৰ লগতে আয়োজক বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ লগতে অঞ্চলটোৰ বহুকেইজন গুনীজ্ঞানী ব্যক্তিয়ে অংশগ্ৰহণ কৰা বুলি জিলা সমিতিৰ সম্পাদক সঞ্জীৱ চাৰিঙ্গীয়াই জানিবলৈ দিয়ে।

# বৰপেটা ৰোডৰ গহনা শ্ব'-ৰূমত ডকাইতি সন্দৰ্ভত গোৱালপাৰাৰ মাকৰিৰ পৰা ৪ অভিযুক্তক গ্ৰেপ্তাৰ

**অসম বাৰ্তা, গোৱালপাৰা, ২১ ফেব্ৰুৱাৰী ঃ** শুকুৰবাৰে বৰপেটা ৰোডত থকা Senco Gold গু Diamondsৰ গহনা শ্ব'ৰূমত দিনদুপৰতে সংঘটিত হোৱা চাঞ্চল্যকৰ ডকাইতি কাণ্ডত জড়িত চাৰিজন অভিযুক্তক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে বৰপেটা ৰোড আৰক্ষী। জানিব পৰা মতে, অভিযুক্তসকলে গ্ৰাহকৰ ৰূপত শ্ব'ৰূমত প্ৰৱেশ কৰি কৰ্মচাৰীসকলৰ মূৰত বন্দুক টোৱাই হাত-মুখ বান্ধি শ্ব'ৰূমখনৰ গহনা লুটি পলায়ন কৰিছিল। এই ঘটনাই সমগ্ৰ অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰে। ঘটনা সংঘটিত হোৱাৰ পাছতেই বৰপেটা ৰোড আৰক্ষীয়ে অভিযান আৰম্ভ কৰি এটা ৰাতিৰ ভিতৰতে চাৰি অভিযুক্তক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষীৰ সূত্ৰে জানিব পৰা মতে, গ্ৰেপ্তাৰ হোৱা অভিযুক্তসকল হৈছে ৰোহিত কুমাৰ, প্ৰিয়াংশু কুমাৰ, মুকেশ দাস আৰু তুষাৰ দাস। গোৱালপাৰা আৰক্ষীৰ সহায়ত অভিযুক্তসকলক গোৱালপাৰা জিলাৰ মাকৰি অঞ্চলৰ এটা ভাড়া ঘৰৰ পৰা নিশা আটক কৰা হয়। তদন্তত পোহৰলৈ আহিছে যে ডকাইতি সংঘটিত কৰাৰ পূৰ্বে অভিযুক্তসকলে গোৱালপাৰাৰ মাকৰিত এটা ভাড়া ঘৰত প্ৰায় এক সপ্তাহ ধৰি থাকি এই ডকাইতি কাণ্ডৰ পৰিকল্পনা কৰিছিল। ঘটনাটোত প্ৰায় ১২ কোটি টকাৰ গহনা লুটি অভিযুক্তসকলে পলায়ন কৰিছিল বুলি জানিব পৰা গৈছে। জানিব পৰা মতে, গ্ৰেপ্তাৰ হোৱা অভিযুক্তসকলৰ ভিতৰত দুজন বিহাৰৰ আৰু আন দুজন পশ্চিমবঙ্গৰ জলপাইগুৰিৰ বাসিন্দা বুলি চিনাক্ত কৰা হৈছে।

# গোলকগঞ্জৰ পথ নিৰ্মাণত আঞ্চলিক পঞ্চায়তৰ সদস্যা ইতি ৰায়ৰ বিৰুদ্ধে ৰাইজৰ প্ৰত্যাহ্বান

**অসম বাৰ্তা, আগমনি, ২১ ফেব্ৰুৱাৰী ঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ উন্নয়ন খণ্ডৰ অন্তৰ্গত লক্ষ্মীমাৰী গাওঁ পঞ্চায়তৰ পশ্চিম কানুৰি প্ৰথম খণ্ড পাল পাৰা গাঁৱৰ বাট পথ নিৰ্মাণত দুৰ্নীতিৰ অভিযোগ। গোলকগঞ্জত এমজিএনৰেগাৰ পথ নিৰ্মাণৰ কামত প্ৰাক্তন বিধায়ক অশ্বিনী ৰায় সৰকাৰক সাঙুৰি উচ্চাৰিত হ'ল মুৰ্দাবাদ ধ্বনি। এটা পথ নিৰ্মাণক লৈ আজি তীব্ৰ প্ৰতিবাদ লক্ষ্মীমাৰী পালপাৰা আঠ নং ৱাৰ্ডত। কানুৰীৰ গণেশ চৌহানৰ ঘৰৰ পৰা কেডি ৰোডলৈ আঞ্চলিক পঞ্চায়তৰ সদস্যাই এমজিএনৰেগাৰ অধীনত পথ নিৰ্মাণৰ আবণ্টন দিয়ে। আধা নদীৰ বান্ধৰ বিপৰীতে আধা পথ পথাৰৰ লগত বিলীন হৈছে। যাৰ বাবে আধা শিল, মাটি পেলোৱাৰ বাবে ধন ধাৰ্য কৰে। কিন্তু আজি বঙালী লোক বাস কৰা অংশত শিল মাটি আৰু ৰাজবংশী বসবাস কৰা অংশত চিচিল্লকৰ ৰাস্তা বনোৱা বুলি অভিযোগ কৰে। এই ষড়যন্ত্ৰত অশ্বিনী ৰায়ক সাঙুৰি মুৰ্দাবাদ ধ্বনি দিয়াৰ বিপৰীতে যুৱনেতা সজল সিঙক প্ৰাৰ্থীত্ব প্ৰদানৰ দাবী জনোৱা ঘটনাই তাৎপৰ্য্য বহন কৰিছে।

# বিষ্ণুজ্যোতি সাংস্কৃতিক সমাজৰ উদ্যোগত প্ৰয়াত সতীৰ্থ সোঁৱৰণী বক্তৃতানুষ্ঠান সম্পন্ন



**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২১ ফেব্ৰুৱাৰী ঃ** "ভাৰতীয় সমাজে বহু যুগৰ আগেয়েই এৰি যোৱা ক্ষয়িষ্ণু ভাৰতীয় দৰ্শনৰ ভাৱধাৰাক বৰ্তমান শাসকীয় পক্ষই খামুচি ধৰি সাম্প্ৰদায়িকতাবাদ আৰু বৰ্ণবাদক বিয়পাই দিছে।" - আজি বিষ্ণুজ্যোতি সাংস্কৃতিক সমাজৰ সোণালী জয়ন্তী উদযাপন সমিতিৰ অন্যতম কাৰ্যসূচী হিচাপে অনুষ্ঠিত কৰা সমাজৰ প্ৰয়াত সতীৰ্থসকলৰ সোঁৱৰণী বক্তৃতানুষ্ঠানত নিৰ্দিষ্ট বক্তা বিবেক দাসে এইদৰে কয়। বিষ্ণুজ্যোতি সাংস্কৃতিক সমাজৰ অন্যতম দিকদৰ্শী প্ৰতিষ্ঠাপক অনিল কুমাৰ বৰুৱা ১৯৯৮ চনৰ ১১ ফেব্ৰুৱাৰীত গণতন্ত্ৰৰ সংগ্ৰামত আলফাৰ হাতত ছহিদ হোৱাৰ পাছত প্ৰতি বছৰে তেখেতকে ধৰি বিষ্ণুজ্যোতি সাংস্কৃতিক সমাজলৈ বৰঙনি আগবঢ়োৱা ওঁঠৰজন প্ৰয়াত সতীৰ্থৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে বক্তৃতানুষ্ঠানত নিৰ্দিষ্ট বক্তা হিচাপে অসমৰ এগৰাকী প্ৰগতিশীল চিন্তাবিদ, বিশিষ্ট নিবন্ধকাৰ, গ্ৰন্থকাৰ, বিবেক দাসে "ভাৰতীয় দৰ্শন আৰু সাম্প্ৰতিক সমাজ" বিষয়ত বক্তব্য দাঙি ধৰি কয় যে শাসক শ্ৰেণীয়ে তুলি ধৰা হিন্দুত্ববাদ কেতিয়াও ভাৰতীয় দৰ্শনৰ আত্মা তাহানিও নাছিল আৰু এতিয়াও নহয়। ভাৰতীয় দৰ্শন হৈছে ভাৰতীয় সভ্যতাৰ অগ্ৰগতিৰ প্ৰতিটো আলি দোমোজাৰ পৰিৱৰ্তনৰ পক্ষত থিয় দিয়া এক আমোঘ অস্ত্ৰ। সেয়া বুদ্ধই হওক বা শংকৰদেৱেই হওক। বেদক খামুচি ধৰিয়েই ব্ৰাহ্মণ্যবাদী পুৰোহিতসকলে সমাজত শূদ্ৰসকলক শোষণত অৱতীৰ্ণ হৈছিল। গতিকে পৰিৱৰ্তনকামী যুগনায়কসকলে বেদক নাকচ কৰাটোৱেই সেই সময়ত মূল কাম হৈ পৰিছিল। সোণালী জয়ন্তী উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি ড° জ্যোতিপ্ৰসাদ চলিহাৰ সভাপতিত্বত অনুষ্ঠিত আৰু সম্পাদক পূৰ্ণ কাকতিয়ে আঁত ধৰা অনুষ্ঠানটিৰ আৰম্ভণিতে প্ৰয়াত সতীৰ্থসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদন কৰা হয়। নগেন বৰদলৈ, অতুল চন্দ্ৰ শৰ্মা, দুন্দুভি প্ৰসাদ ভট্টাচাৰ্য, সুভাষ সেন, বৃন্দাবন কলিতা, মোহন চন্দ্ৰ বুঢ়াগোহাঁই, অমূল্য খাটনিয়াৰ, দিবাকৰ শেনচোৱা, ব্ৰীজ প্ৰধান, পল্লৱী গগৈ বৰগোহাঁই, মুহিকান্ত বৰগোহাঁই, ৰঞ্জন কুমাৰ শৰ্মা, বিভাৰাণী গোস্বামী, ডাঃ পুতুল কুমাৰ শইকীয়া, আব্দুল চোভান, শান্তনু বৰঠাকুৰ, দুলাল মহন্ত, ইন্দ্ৰেশ্বৰ ৱেইন ড° ৰাজীৱ বৰদলৈ, খগেশ্বৰ টায়ে, প্ৰণতি দেৱী শৰ্মা আদি বিশিষ্টব্যক্তিসকল উপস্থিত থকা অনুষ্ঠানত লিপিকা শইকীয়া বৰুৱা, মণিষা ভাগৱতী, অনিন্দিতা খনিকৰ, মৌচুমী ভঁৰালী, ৰেবা খাৰীয়া, সঙ্গতকাৰী পিনাকী বালা আৰু মিণ্টু চক্ৰৱৰ্তী, আদি শিল্পীসকলে অনিল কুমাৰ বৰুৱা ৰচিত আৰু প্ৰণতি বৰুৱা সুৰাৰোপিত এটা সমবেত সংগীত পৰিৱেশন কৰে, যিটো গীত ১৯৭৬/৭৭ চনতে তিনিচুকীয়া মহাবিদ্যালয়ত সদৌ অসম ছাত্ৰ সন্থাৰ তিনিচুকীয়া অধিৱেশনত পৰিৱেশন কৰা হৈছিল। তাৰ পাছতে সহকাৰী সম্পাদক ড° মামণি ফুকন বৰগোহাঁয়ে প্ৰয়াত সতীৰ্থসকল প্ৰয়াত সতীৰ্থসকল - অনুষ্ঠানটোৰ প্ৰতিষ্ঠাপক সম্পাদক তাৰিণি চৰণ বৰুৱা, প্ৰথম সভাপতি ত্ৰৈলোক্য নাথ গোস্বামী, সুখমল ভূএগা, অশোক কুমাৰ কৰ্মকাৰ, টেপু গগৈ, ঋক্ষ্যেশ্বৰ বৰা, হীৰানাথ ভট্টাচাৰ্য, যুতীন্দ্ৰ নাথ ফুকন, অনুভা বৰুৱা, মেদিনী গগৈ, মুকুট চন্দ্ৰ চক্ৰৱৰ্তী, হৰেন্দ্ৰ নাথ বৰঠাকুৰ, জ্ঞান গগৈ, মহেন্দ্ৰ বৰঠাকুৰ, চিদানন্দ শৰ্মা, খগেন্দ্ৰ নাথ মহন আৰু নীল কোঁৱৰৰ চমু পৰিচয় দাঙি ধৰে। সভাত লোকশিল্পী টেপু গগৈৰ পৰিবাৰ বীণা গগৈয়ে শিল্পীগৰাকীয়ে অংকন কৰা এখন তৈলচিত্ৰ বিষ্ণুজ্যোতি সাংস্কৃতিক সমাজক প্ৰদান কৰে। সমজুৱাৰ বক্তব্যত ড° অপূৰ্ব ভাস্কৰ গগৈয়ে কয় যে বৰ্তমান নব্যউদাৰতাবাদী আধ্যাত্মিকতাবাদৰ বিৰুদ্ধে যুঁজ দিয়াৰ সময় আহি পৰিছে। প্ৰসংগক্ৰমে তেখেতে সাম্প্ৰতিক এপিষ্টম কাণ্ডই ব্যক্তিক দোষাৰোপ কৰি ব্যৱস্থাক আঁৰ কৰিছে আৰু সাম্ৰাজ্যবাদী শক্তিক যুক্তিযুক্ততা প্ৰদান কৰি আহিছে বুলি কয়। সভাত বলীন্দ্ৰ শইকীয়াই অনিল কুমাৰ বৰুৱা ৰচিত আৰু বিবেক দাস সুৰাৰোপিত এটি গীত পৰিৱেশন কৰে। সভাপতিৰ বক্তব্যত ড° জ্যোতিপ্ৰসাদ চলিহাই ভাৰতীয় সমাজৰ বৰ্তমান সংঘাত কেনেকৈ নিৰাময় কৰা যাব সেইটোহে মূল কথা। ভাৰতীয় দৰ্শনৰ মাজত তাক সন্ধান কৰিব লাগিব, আৰু আজিৰ আলোচনাই সেই বিষয় উদঙাই দিছে। শেষত শলাগৰ শৰাই আগবঢ়ায় সহকাৰী সম্পাদক জোনাবৰ গোহাঁইয়ে আৰু অসম সংগীতেৰে সভাৰ সামৰণি মৰা হয়।

## উত্তৰ কমলাবাৰী সত্ৰৰ সৌজন্যত অহা দুবছৰৰ মূৰে-মূৰে অংকীয়া ভাওনা সমাৰোহ

# উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰী জনাৰ্দ্দনদেৱ গোস্বামীৰ ৫২ সংখ্যক জন্মজয়ন্তী পালন

**অসম বাৰ্তা, মাজুলী, ২১ ফেব্ৰুৱাৰী ঃ** মাজুলীৰ ঐতিহ্য মণ্ডিত উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰী জনাৰ্দ্দনদেৱ গোস্বামীৰ ৫২ সংখ্যক জন্ম জয়ন্তী উপলক্ষে উত্তৰ কমলাবাৰী সত্ৰৰ প্ৰেক্ষাগৃহত 'সত্ৰপুষ্প বন্দীত তব কৰ্ম ' শীৰ্ষক এক মনোজ্ঞ অনুষ্ঠান উদ্‌যাপন কৰা হয়। আৰম্ভণিতে বন্তি প্ৰজ্বলন ১০৩ বছৰীয়া পদ্মশ্ৰী গোপীৰাম বৰগায়ন বুঢ়াভকতে আৰু কমলাবাৰী থুলৰ এভাগি বৰগীত পৰিৱেশন কৰে উপেন বৰগায়নে। অনুষ্ঠানটো উদ্বোধন কৰে মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° নিৰোদ বৰুৱাই। সামাজিক ভাৱে উদ্‌যাপন কৰা জন্মদিন বিগত দিনৰ কৰ্মৰাজিৰ অবলোকন কৰা হয়। উত্তৰ কমলাবাৰী সত্ৰ অসমৰ সত্ৰ সমূহৰ ভিতৰত আগৰণুৱা। বৰুৱাই সত্ৰৰ শ্ৰীশ্ৰী কৃষ্ণৰ ৰাসলীলা অসমৰ ভিতৰত এক ব্যতিক্ৰম তাৰ বাবে সত্ৰাধিকাৰ শ্ৰীশ্ৰী জনাৰ্দ্দনদেৱ গোস্বামীৰ অবদান অতুলনীয় আৰু এগৰাকী সত্ৰাধিকাৰ সত্ৰৰ পৰা ওলাই গৈ সমাজৰ বাবে আত্মত্যাগ কৰাটো লক্ষণীয় বুলি মতপোষণ কৰে। বিশিষ্ট অতিথি আসনৰ পৰা মাজুলী জিলা আয়ুক্ত ৰাতুল পাঠকে সমাজখন ধৰি ৰাখিবলৈ সত্ৰাধিকাৰ শ্ৰীশ্ৰী জনাৰ্দ্দনদেৱ গোস্বামীৰ অবদান অতুলনীয়। এই বোৰ অটুট ৰাখিবলৈ নিজৰ ক্ষমতাৰ প্ৰয়োজন। সেই ক্ষমতা ৰক্ষা কৰিবলৈ আয়ুক্ত ৰাতুল পাঠকে সত্ৰাধিকাৰ গৰাকীক অনুৰোধ জনায়। মুখ্য অতিথি মাজুলী সমষ্টিৰ বিধায়ক ভুৱন গামে সত্ৰাধিকাৰ শ্ৰীশ্ৰী জনাৰ্দ্দনদেৱ গোস্বামীৰ সাহস আৰু কৰ্মৰাজিৰ ওপৰত আলোকপাত কৰে। মুখ্য মন্ত্ৰী, আৰু প্ৰাক্তন মুখ্যমন্ত্ৰীক শংকৰদেৱ-মাধৱ দেৱৰ লগত তুলনা কৰি সত্ৰপীঠ মাজুলীৰ বাবে কৰা কামৰ খতিয়ান দাঙি ধৰি এই ক্ষেত্ৰত শ্ৰীশ্ৰী জনাৰ্দন দেৱগোস্বামীৰ অবদান অতুলনীয়। বিশিষ্ট অতিথি আসনৰ পৰা মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই কয়- উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰৰ অবৰ্তমানত নগাঁও নৰ্নৈৰ পৰা ২৮ বছৰীয়া যুৱক জীৱন সকলো সুখ সম্পদ ত্যাগ কৰি সমাজ গঢ়াৰ আদি পাঠ আৰম্ভ কৰে। সত্ৰীয়া সংস্কৃতিৰ ঐতিহ্য ৰক্ষা কৰিও যুগৰ দাবীত গতিশীল কৰাৰ বাবে সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। অত্যন্ত সহজ সৰল স্বভাৱৰ প্ৰভু গৰাকীক আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰে। আজিৰ অনুষ্ঠানৰ মুখ্য বক্তা সত্ৰীয়া সংস্কৃতিৰ গৱেষক, অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° কৰুণা বৰাই কমলাবাৰী সত্ৰৰ ইতিহাসৰ তথ্য পূৰ্ণ ব্যক্তব্য আগবঢ়াই উত্তৰ কমলাবাৰী সত্ৰৰ ঐতিহ্য বিষয়ে বিশ্লেষণ আগবঢ়ায়। এই ক্ষেত্ৰত প্ৰয়াত দীননাথ বেজবৰুৱা বাদান্যতা উল্লেখ কৰে। ১৮ মাহ সত্ৰাধিকাৰ বিহিন সত্ৰলৈ আগমন ঘটে শ্ৰীশ্ৰী জনাৰ্দ্দনদেৱ গোস্বামীৰ। মাজুলীৰ সুৰক্ষাৰ বাবে, জনজাতি সকলৰ মাজত সমন্বয় সাধন, একল বিদ্যালয় স্থাপন, সাংস্কৃতিক সমন্বয় সাধন, কেলি গোপাল নাটৰ আধাৰত ৰাসলীলা প্ৰদৰ্শন, সত্ৰক কেন্দ্ৰ বিন্দু কৰি যুগ সাপেক্ষ দৃষ্টিভংগীৰে সত্ৰীয়া সংস্কৃতিক বিশ্বক আকৰ্ষিত কৰিবলৈ সক্ষম হৈছে। ড° বৰাই সাবলীল ভাষাৰে শ্ৰীশ্ৰী জনাৰ্দ্দনদেৱ গোস্বামীৰ কৰ্মৰাজিৰ ব্যাখ্যা কৰে। সভাত বিশিষ্ট শিল্পী সকলৰ উপৰিও নতুন কমলাবাৰী সত্ৰৰ বুঢ়া ভকত প্ৰভাত বৰা বুঢ়াভকত, মাজুলী সাংবাদিক সন্থাৰ প্ৰতিষ্ঠাপক সম্পাদক তথা বিশিষ্ট শিল্পী ৰঞ্জিৎ কুমাৰ ভূএগা, মহিলা সমিতি আদিৰ লগতে কেইবাগৰাকীও লোকক সম্বৰ্ধনা জ্ঞাপন কৰে। উত্তৰ কমলাবাৰী শংকৰদেৱ কৃষ্টি সংঘ আৰু ৰাইজৰ সহযোগত অনুষ্ঠিত অনুষ্ঠানত উত্তৰ কমলাবাৰী সত্ৰৰ লগতে মাজুলীৰ বিভিন্ন দল সংগঠন আৰু বিশিষ্ট ব্যক্তি সকলে জন্মদিনৰ উষ্ম আদৰণি জনাই সম্বৰ্ধনা জ্ঞাপন কৰে। বিশিষ্ট সাংবাদিক তথা উত্তৰ কমলাবাৰী সত্ৰৰ বৰগায়ন তীৰ্থ ভূএগাই আঁত ধৰা অনুষ্ঠানটোত উত্তৰ কমলাবাৰী সত্ৰৰ নাদুভংগী নৃত্য, বিষ্ণুপুৰ গাঁৱৰ মহিলাসকলে দিহা নাম পৰিবেশন কৰে। সত্ৰাধিকাৰ গৰাকীৰ জন্ম দিনটোত ভৱিষ্যত পৰিকল্পনা ব্যাখ্যা কৰি ঘোষণা কৰে -অহা বছৰৰ পৰা প্ৰতি দুবছৰৰ মূৰে মূৰে উত্তৰ কমলাবাৰী সত্ৰ তথা শ্ৰীশ্ৰী জনাৰ্দ্দনদেৱ গোস্বামীৰ নেতৃত্বত মাজুলীত অংকীয়া ভাওনা সমাৰোহৰ অনুষ্ঠিত হ'ব বুলি ঘোষণা কৰে।

# গোলকগঞ্জত বিজেপিৰ টিকটৰ দৌৰত অৰবিন্দ দাস

**অসম বাৰ্তা, আগমনি, ২১ ফেব্ৰুৱাৰী ঃ** আগন্তুক ৬ নং বিধানসভা সমষ্টিৰ নিৰ্বাচনক কেন্দ্ৰ কৰি গোলকগঞ্জত ৰাজনৈতিক তৎপৰতা ক্ৰমাৎ তীব্ৰ হৈ উঠিছে। গোলকগঞ্জ সমষ্টিৰ পৰা ভাৰতীয় জনতা পাৰ্টীৰ প্ৰাৰ্থীত্ব বিচাৰি আগবাঢ়িছে দলটোৰ দীৰ্ঘদিনীয়া সক্ৰিয় কৰ্মী অৰবিন্দ দাসে। প্ৰায় তিনি দশক ধৰি বিজেপিৰ সৈতে জড়িত দাসে প্ৰকাশ কৰিছে যে, দলীয় নেতৃত্বই যদি তেওঁক টিকট প্ৰদান কৰে, তেন্তে আগন্তুক বিধানসভা নিৰ্বাচনত গোলকগঞ্জ সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিবলৈ তেওঁ সম্পূৰ্ণ সাজু। ১৯৯৭ চনৰ পৰা ১৯৯৯ চনলৈকে ড° পান্নালাল অছৱালে সম্পাদনা কৰা দলীয় মাহেকীয়া বুলেটিন "বিজেপি বাৰ্তা"ৰ মুখ্য সম্পাদক হিচাপে দায়িত্ব পালন কৰিছিল তেওঁ। লগতে "কৃষি বাৰ্তা"ত ধুবুৰী জিলাৰ মুখ্য সম্পাদক হিচাপেও কৰ্তব্য নিৰ্বাহ কৰিছিল। সাংবাদিকতা আৰু সাহিত্য ক্ষেত্ৰতো তেওঁৰ সক্ৰিয় অৱদান আছে। গুৱাহাটীৰ কেশব ধামৰ পৰা প্ৰকাশিত সাপ্তাহিক অসমীয়া বুলেটিন আৰু "সংঘ দৰ্শন"ত নিয়মীয়া সাহিত্যিক হিচাপে তেওঁৰ বিভিন্ন লেখা প্ৰকাশ পাইছিল। ২০০২ চনৰ পৰা ২০০৫ চনলৈ অসম সত্ৰ মহাসভা-ৰ কেন্দ্ৰীয় কাৰ্যবাহী সদস্য হিচাপে দায়িত্ব পালন কৰাৰ লগতে অখিল ভাৰতীয় সাহিত্য পৰিষদ-ৰ আজীৱন হিতা-চিন্তক সদস্য আৰু অসম সত্ৰ মহাসভাৰ দীৰ্ঘায়ু উপকাৰী সদস্য হিচাপেও জড়িত আছিল বৰ্তমানো গুৱাহাটী উচ্চ ন্যায়ালয়ৰ উকীল হিচাপে আছে। দলীয় পৰ্যায়তো তেওঁ বিজেপিৰ সক্ৰিয় সদস্য (সদস্য নং ২৩২৮/২০১০) হিচাপে গোলকগঞ্জত সংগঠন শক্তিশালী কৰাত ভূমিকা লৈ আহিছে। ইয়াৰ উপৰি সীমান্ত চেতনা মঞ্চ-ৰ ধুবুৰী জিলাৰ প্ৰাক্তন আইনী সদস্য হিচাপেও দায়িত্ব পালন কৰিছিল। সামাজিক ক্ষেত্ৰতো দাসৰ ভূমিকা উল্লেখযোগ্য। দুখীয়া লোকক সহায় কৰা, প্ৰাকৃতিক দুৰ্যোগ আৰু কৰ'না মহামাৰিৰ সময়ত ৰাইজৰ কাষত থিয় দিয়া আদি বিভিন্ন পদক্ষেপৰ জৰিয়তে তেওঁ স্থানীয় পৰ্যায়ত জনসংযোগ সুদৃঢ় কৰিছে। এতিয়া দলীয় সিদ্ধান্তৰ ওপৰত নিৰ্ভৰ কৰিছে আগন্তুক নিৰ্বাচনত গোলকগঞ্জ সমষ্টিত তেওঁৰ ৰাজনৈতিক আগ্ৰযাত্ৰা।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন